www.asombarta.in

শুদ্ধ আৰু আপোচহীন বার্তাৰ প্রতীক

PRGI REGD. NO. : ASASS/25/A2361

অসম বার্তা

অনলাইনত কাকতখন পঢ়িবলৈ স্কেন কৰক

সকলো বস্তুৰে বেঁচামাল হ'ল সময়। সময়ৰ সহায়েৰে সকলো সম্ভৱ, সময়ৰ অবিহনে একোৱেই সম্ভৱ নহয়। — আৰ্ণল্ড বেনেট

ব্যক্তিগত, চৰকাৰী-বেচৰকাৰী অনুষ্ঠান-প্রতিষ্ঠান আদিয়ে অতি কম খৰছত বিভিন্ন ধৰণৰ বিজ্ঞাপন 'অসম বার্তা' কাকতৰ জৰিয়তে প্রচাৰ কৰিবলৈ ৭০৯৯৪৩৫৪৬২ নম্বৰত যোগাযোগ কৰক। - 'অসম বার্তা' গোষ্ঠী -

প্রথম বছৰ ☐ সংখ্যা- ৩২৯ ☐ বুধবাৰ ☐ ০৭ অক্টোবৰ, ২০২৬ চন ☐ Volume/Year- I ☐ Issue- 329 ☐ Wednesday ☐ 07th October, 2026 ☐ Asom Barta, Majuli ☐ PRGI Reg. No.- ASASS/25/A2361 ☐ Price- Rs. 10 ☐ Total Page-8

■ চামগুৰিত সর্বাধিক ৮০.২২ শতাংশ, ৰহাত সর্বনিম্ন ৭০.২৯ শতাংশ ভোটদান ■

৭৬ শতাংশ ভোটদানেৰে সমাপ্ত উপনির্বাচনৰ ভোটগ্রহণ

অসম বার্তা, নগাঁও, ৬ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপনির্বাচনৰ ভোটগ্রহণ আজি শান্তিপূর্ণভাৱে সামৰণি পৰে। আবেলি ৫ বজালৈ লাভ কৰা তথ্য অনুসৰি সমষ্টিটোত ৭৬ শতাংশৰো অধিক ভোটদান সাব্যস্ত হৈছে। সমষ্টিৰ ভিতৰত চামগুৰিত সর্বাধিক ৮০.২২ শতাংশ ভোটদান হোৱাৰ বিপৰীতে ৰহাত সর্বনিম্ন ৭০.২৯ শতাংশ ভোটদান হয়। নগাঁও-বটদ্রৱাত ৭২ শতাংশ, ৰূপহীহাতে ৭৭.৬৭ শতাংশ আৰু ধিঙত ৭৭.৯৩ শতাংশ ভোটদান হয়। ইফালে মৰিগাঁও জিলাৰ



জাগীৰোডত ৭৬.৬২ শতাংশ, মৰিগাঁৰত ৭২.৮৫ শতাংশ আৰু লাহৰীঘাটত ৭৮.৮৮ শতাংশ ভোটদান সাব্যস্ত হৈছে। প্রায় ৪২টা ভোটগ্রহণ কেন্দ্রত নির্বাচন সময়ৰ পিছলৈকে ভোটগ্রহণ চলি থকাৰ বাবে চূড়ান্ত ভোটদানৰ হাৰ সামান্য বৃদ্ধি পোৱাৰ সম্ভাবনা আছে। জিলা তথ্য আৰু জনসংযোগ বিষয়া বিকাশ শর্মাই জনোৱা মতে, পুৱাৰে পৰা অধিকাংশ ভোটগ্রহণ কেন্দ্রতে ভোটদাতাৰ দীঘলীয়া শাৰী পৰিলক্ষিত হয়। কটকটীয়া নিৰাপত্তা ব্যৱস্থাৰ মাজত অনুষ্ঠিত ভোটগ্রহণত দুই-এটা কেন্দ্রত ☐ ৬ পৃষ্ঠাত

আটকৰ পিছতেই ৰাহুল-প্রিয়ংকাক মুকলি দিল্লী আৰক্ষীৰ

আটকাধীন পৰন খেৰা, কে চি বেণুগোপাল, অমৃন্দৰ সিং ৰাজা ৰাবিঙকো মুকলি

নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত প্রতিবাদ সাব্যস্ত কৰাৰ সময়ত লোকসভাৰ বিৰোধী দলপতি ৰাহুল গান্ধী আৰু তেওঁৰ ভগ্নী তথা কংগ্রেছ সাংসদ প্রিয়ংকা গান্ধী ৰাদ্রাক দিল্লী আৰক্ষীয়ে আটক কৰে। ☐ ৬ পৃষ্ঠাত

'নিজে গঢ়া দল এৰাৰ প্রশ্নই নুঠে'; পদত্যাগৰ চর্চাৰ মাজতে জগদীশ ভূঞাৰ স্পষ্টীকৰণ

অপপ্রচাৰত ভোল নাযাবলৈ কর্মীসকলক আহ্বান

নিজস্ব ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক জগদীশ ভূঞাই দলৰ পৰা পদত্যাগ কৰা বুলি ছ'চিয়েল মিডিয়াত প্রচাৰ হোৱা খবৰক



সম্পূর্ণ মিছা বুলি স্পষ্ট কৰিছে। তেওঁ জানিবলৈ দিছে যে তেওঁ এতিয়াও দলৰ প্রাথমিক সদস্যপদো এৰা নাই। সেই অনুসৰি, দলৰ পৰা তেওঁ পদত্যাগ কৰাৰ কোনো ঘটনা সংঘটিত হোৱা নাই। ছ'চিয়েল মিডিয়াত ধাৰাবাহিকভাৱে দিয়া কেইবাটাও ☐ ৬ পৃষ্ঠাত

সংসদ ভবনৰ পৰা নির্বাচন আয়োগৰ মুখ্য কার্যালয়লৈ পদযাত্রা

মুখ্য নির্বাচন আয়ুক্তৰ পদত্যাগ দাবীত দিল্লীত ইণ্ডিয়া ব্লকৰ তীব্র প্রতিবাদ

ৰাহুল, প্রিয়ংকাসহ কেইবাজনো বিৰোধী নেতা কিছু সময়ৰ বাবে আটক



নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ মুখ্য নির্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবীত ৰাষ্ট্রীয় ৰাজধানী নতুন দিল্লীত ইণ্ডিয়া ব্লকে তীব্র প্রতিবাদ সাব্যস্ত কৰে। ভোটাৰ তালিকা সংশোধনৰ সৈতে জড়িত এছআইআৰ প্রক্রিয়াত অনিয়মৰ অভিযোগ তুলি ইণ্ডিয়া ব্লকৰ অংশীদাৰ দলসমূহে এই প্রতিবাদত অংশগ্রহণ কৰে। ☐ ৬ পৃষ্ঠাত

ভোটগ্রহণত ১৫ গৰাকী প্রার্থীৰ ভাগ্য ভোটযন্ত্রত বন্দী

নগাঁও উপনির্বাচনত কংগ্রেছ তৃতীয় স্থানতে সীমাবদ্ধ হ'ব ঃ পীযুষ হাজৰিকা

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ অক্টোবৰ ঃ নগাঁও লোকসভা সমষ্টিৰ উপনির্বাচনৰ ভোটগ্রহণ আজি পুৱা সাত বজাত আৰম্ভ হৈছে। এই ভোটগ্রহণত মুঠ ১৫ গৰাকী প্রার্থীৰ ভাগ্য ভোট যন্ত্রত বন্দী হৈছে। ভোটগ্রহণ শান্তিপূর্ণভাৱে চলি থকা বুলি জানিব পৰা গৈছে। ভোটগণনা ৯ অক্টোবৰ শুক্রবাৰে অনুষ্ঠিত হ'ব। জাগীৰোডত ভোটদান কৰি মন্ত্রী পীযুষ হাজৰিকাই কয় যে নগাঁও লোকসভা সমষ্টিত কংগ্রেছৰ বহু বেয়াকৈ পৰাজিত হ'ব। তেওঁৰ মতে, এই নির্বাচনত ভাৰতীয় জনতা পার্টিৰ প্রার্থী দেৱাশিস শর্মা জয়ী হ'ব; দ্বিতীয় স্থানত থাকিব ☐ ৬ পৃষ্ঠাত



হস্ততাঁত মন্ত্রী বিশ্বজিৎ দৈমাৰীৰ উপস্থিতিত 'মেগা হেণ্ডলুম ক্লাষ্টাৰ'ৰ অধীনত উৰামাকোঁ তাঁতশাল বিতৰণ



ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ অক্টোবৰ ঃ অসম চৰকাৰৰ হস্ততাঁত, বস্ত্র আৰু বেচুম শিল্প আদি বিভাগৰ মন্ত্রী বিশ্বজিৎ দৈমাৰীয়ে মঙ্গলবাৰে ঐতিহ্যমণ্ডিত বস্ত্রনগৰী শুৱালকুছিৰ বাথান ভাটিচুবা ৰাজহুৱা খেলপথাৰত আয়োজিত এক বিশেষ সমাৰোহত শিপিনীসকলৰ মাজত উন্নতমানৰ উৰামাকোঁ তাঁতশাল আৰু আধুনিক হস্ততাঁত সঁজুলি আনুষ্ঠানিকভাৱে বিতৰণ ☐ ৬ পৃষ্ঠাত

বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে আশুতোষ দীক্ষিতৰ নিযুক্তি

৩১ অক্টোবৰত অমৰ প্রীত সিঙৰ অৱসৰৰ পাছত দায়িত্ব গ্রহণ



নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ বায়ুসেনাৰ জ্যেষ্ঠ বিষয়া আশুতোষ দীক্ষিতক ভাৰতীয় বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে নিযুক্তি দিয়া হৈছে। তেওঁ বর্তমানৰ বায়ুসেনা মুৰব্বী এ পি সিঙৰ উত্তৰসূৰী হ'ব। বায়ুসেনা মুৰব্বী অমৰ প্রীত সিঙে ৩১ অক্টোবৰত অৱসৰ গ্রহণ কৰাৰ পাছত সেই দিনটোতেই দীক্ষিতে ভাৰতীয় বায়ুসেনাৰ মুৰব্বী হিচাপে দায়িত্ব ☐ ৬ পৃষ্ঠাত

কেন্দ্রীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্রালয়ৰ স্বীকৃতি

অত্যাবশ্যকীয় ঔষধৰ উপলব্ধতা, সহজলভ্যতাত দেশৰ ভিতৰতে দ্বিতীয় স্থানত অসম

নিজস্ব ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ অসমৰ স্বাস্থ্য খণ্ডই শেহতীয়া আন এক গৌৰৱ বটৰিয়াই আনিছে। অত্যাবশ্যকীয় ঔষধৰ উপলব্ধতা আৰু ☐ ৬ পৃষ্ঠাত

১১ গৰাকী ভাৰতীয় নাৰিক আহত

হৰমুজ প্রণালীত পানামাৰ পতাকাযুক্ত কেমিকেল টেংকাৰলৈ প্রজেক্টাইল আক্রমণ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ আমেৰিকা আৰু ইৰানৰ মাজত চলি থকা তীব্র ভূ-ৰাজনৈতিক উত্তেজনাৰ মাজতে ওমানৰ উপকূলৰ সমীপবর্তী হৰমুজ প্রণালীত এখন বাণিজ্যিক জাহাজলৈ ভয়াবহ আক্রমণ সংঘটিত হৈছে। পনামাৰ পতাকাযুক্ত 'এম টি অন পিছ' (MT On Peace, IMO 9893204) নামৰ কেমিকেল টেংকাৰখনলৈ এক বিস্ফোৰক প্রজেক্টাইল নিক্ষেপ কৰি এই আক্রমণ চলোৱা হয়। এই ঘটনাত ৰহ গৰাকী ভাৰতীয় নাগৰিক আহত হৈছে। বৈদেশিক পৰিক্রমা মন্ত্রালয়ে প্রকাশ কৰা আনুষ্ঠানিক বিবৃতি অনুসৰি, ☐ ৬ পৃষ্ঠাত



গুৱাহাটীত ৭২ সংখ্যক বন্যপ্রাণী সপ্তাহৰ ৰাজ্যিক পর্যায়ৰ অনুষ্ঠান সম্পন্ন

ষ্টাফ ৰিপৰ্টাৰ, অসম বার্তা, ৬ অক্টোবৰ ঃ ৭২ সংখ্যক বন্যপ্রাণী সপ্তাহৰ ৰাজ্যিক পর্যায়ৰ অনুষ্ঠান আজি গুৱাহাটীৰ শ্রীমন্ত শংকৰদেৱ কলাক্ষেত্রৰ শ্রী শ্রী দামোদৰ দেৱ আন্তর্জাতিক প্রেক্ষাগৃহত অনুষ্ঠিত হয়। দেশৰ অন্যান্য প্রান্তৰ লগতে অসমতো ২ অক্টোবৰৰ পৰা ৮ অক্টোবৰলৈ বন্যপ্রাণী সপ্তাহ উদযাপন কৰা হৈছে। এই বছৰৰ



বন্যপ্রাণী সপ্তাহৰ মূল বিষয়বস্তু হৈছে-বসতিস্থলৰ সংযোগ সাধন আৰু বন্যপ্রাণীৰ পূর্ণ বিকাশ। আজিৰ অনুষ্ঠানত অংশ লৈ বন মন্ত্রী জয়ন্ত মল্ল বৰুৱাই বন্যপ্রাণী সংৰক্ষণ তথা মানুহ আৰু বন্যপ্রাণীৰ সহাৱস্থানৰ দিশত অসমৰ প্রচেষ্টাক অধিক শক্তিশালী কৰাৰ লক্ষ্যৰে ☐ ৬ পৃষ্ঠাত

মুখ্যমন্ত্রীৰ উপস্থিতিত গুৱাহাটীৰ বাজপেয়ী ভৱনত আতচবাজী

শিলচৰ পৌৰ নিগমত বিজেপিৰ বিশাল জয়

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ অক্টোবৰ ঃ শিলচৰ পৌৰ নিগম নির্বাচনত ভাৰতীয় জনতা পার্টিয়ে বিশাল জয় লাভ কৰিছে। এই জয়ৰ পিছতে গুৱাহাটীৰ বাজপেয়ী ভৱনত মুখ্যমন্ত্রী ডঃ হিমন্ত বিশ্ব শর্মাৰ উপস্থিতিত আতচবাজী ফুটাই আনন্দ উদযাপন কৰা হয়। মুখ্যমন্ত্রীয়ে নিজ হাতেৰে আতচবাজী ফুটাই আনন্দত অংশ লয়। বিজেপিৰ মুখ্য কার্যালয়ত কর্মী-সমর্থকসকলৰ মাজত উৎসাহৰ পৰিবেশ সৃষ্টি হয়। মুখ্যমন্ত্রীয়ে কয়, "যন্ত্রটো মোদী, ভোটপত্রটো মোদী; যন্ত্রটো পদুম, ভোটপত্রটো পদুম; যন্ত্রটো বিজেপি, ভোটপত্রটো বিজেপি।" তেওঁ কয় যে শিলচৰ পৌৰ নিগম নির্বাচনে বাঙলা গান্ধীক বুজাই দিব যে যন্ত্রটো বিজেপি আৰু ভোটপত্রটো বিজেপি। ভোটপত্রৰ ☐ ৬ পৃষ্ঠাত



IOCৰ নির্দেশিকা প্রকাশ, ৩১ অক্টোবৰলৈ আবেদন দাখিলৰ সময়সীমা

২০৩৬ অলিম্পিক আয়োজনৰ দৌৰত ভাৰত; প্রতিদ্বন্দ্বিতাত সাতখন দেশ

নিজস্ব ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ ২০৩৬ চনৰ অলিম্পিক গেমছ আয়োজনৰ দৌৰত ভাৰতে আনুষ্ঠানিকভাৱে নাম অন্তর্ভুক্ত কৰিছে। আন্তঃৰাষ্ট্রীয় অলিম্পিক কমিটী (IOC)-এ মঙ্গলবাৰে, অর্থাৎ ৬ অক্টোবৰত আয়োজনৰ বাবে আগ্রহ প্রকাশ কৰা সাতখন দেশৰ নাম ঘোষণা কৰে। এই ঘোষণাৰ ফলত বিশ্ব ক্রীড়া ক্ষেত্রত ভাৰতৰ উচ্চকাংক্ষাই অধিক গতি লাভ কৰিছে। ভাৰতে গুজৰাটৰ আহমেদাবাদক সম্ভাব্য আয়োজক ☐ ৬ পৃষ্ঠাত



আৰক্ষীৰ গুলীত আহত নিমিষা ঠাকুৰীয়া হত্যাকাণ্ডৰ মূল অভিযুক্ত আছিক আলী

আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টাৰ সময়ত ধাৰাপুৰত গুলীচালনা



ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ অক্টোবৰ ঃ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ছাত্রী নিমিষা ঠাকুৰীয়াৰ ৰহস্যজনক মৃত্যুৰ মূল অভিযুক্ত আছিক আলী আৰক্ষীৰ গুলীত গুৰুতৰভাৱে আহত হৈছে। আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাওতে ধাৰাপুৰ আৰক্ষীয়ে তেওঁলৈ লক্ষ্য কৰি গুলীচালনা কৰে। এই ঘটনা পুৱতি নিশা প্রায় ৩.৫ ৩০ বজাত সংঘটিত হয়। ভৰিত গুলী লগা আছিক আলীক তৎক্ষণাত গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পাতালত ভর্তি কৰোৱা হৈছে। উল্লেখ্য, কিছুদিন পূর্বে মহানগৰীৰ সমীপবর্তী এখন হোমষ্টে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ☐ ৬ পৃষ্ঠাত

প্রথম টি-২০ত ৰেষ্ট ইণ্ডিজক ৮ উইকেটেৰ পৰাস্ত

অধিনায়ক শ্রেয়াছ আয়াৰৰ শতকীয় বিস্ফোৰণ

নিজস্ব ডেস্ক, অসম বার্তা ৬ অক্টোবৰ ঃ লক্ষ্ণৌ ভাৰত বস্ত অটল বিহাৰী বাজপেয়ী একানা ষ্টেডিয়ামত অনুষ্ঠিত প্রথমখন টি-২০ত ৰেষ্ট ইণ্ডিজক ৮ উইকেটেৰ পৰাস্ত কৰিছে ভাৰতে। এই মেচখনত অধিনায়ক শ্রেয়াছ আয়াৰে দুর্দান্ত শতকীয় ইনিংছ খেলি দলক সহজ জয়ৰ সোপান দিয়ে। প্রথমে বেটিং কৰি ৰেষ্ট ইণ্ডিজে ১৭১ ৰানতে আটাইকেইটা উইকেট হেৰুৱায়। লক্ষ্য অনুসৰণ কৰি ভাৰতে মাত্র ১৭.৪ অভাৰতে ২টা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। অর্থাৎ ৩২টা বল বাকী থকাতেই জয় নিশ্চিত কৰে ভাৰতীয় দলে। ভাৰতৰ এই জয়ত মূল ভূমিকা লয় অধিনায়ক শ্রেয়াছ আয়াৰে। তেওঁ মাত্র ৪২টা বলত শতক সম্পূর্ণ ☐ ৬ পৃষ্ঠাত



আইচকিউৰ নিউট্রিন' পর্যবেক্ষণাগাৰত নির্ণায়ক অৱদান আৰু মহাজাগতিক উৎসৰ উচ্চশক্তিৰ নিউট্রিন' আৰিষ্কাৰৰ বাবে স্বীকৃতি

আমেৰিকাৰ বিজ্ঞানী ফ্রান্সিছ হালজেনলৈ ২০২৬ বর্ষৰ পদার্থ বিজ্ঞানৰ নোবেল বঁটা

নিজস্ব ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ ২০২৬ বর্ষৰ পদার্থ বিজ্ঞানৰ নোবেল বঁটা ঘোষণা কৰা হৈছে। মানৱজাতিৰ বাবে গুৰুত্বপূর্ণ অৱদান আগবঢ়োৱাৰ বাবে আমেৰিকাৰ বিজ্ঞানী ফ্রান্সিছ হালজেনক এই বছৰৰ পদার্থ বিজ্ঞানৰ নোবেল বঁটা প্রদান কৰাৰ সিদ্ধান্ত ঘোষণা কৰা হয়। মঙ্গলবাৰে এই ঘোষণা কৰা হয়।



জানিব পৰা মতে, আইচকিউৰ নিউট্রিন' পর্যবেক্ষণাগাৰত তেওঁৰ নির্ণায়ক অৱদান আৰু মহাজাগতিক উৎসৰ উচ্চশক্তিৰ নিউট্রিন' আৰিষ্কাৰৰ বাবে ফ্রান্সিছ হালজেনক এই সম্মান প্রদান কৰা হৈছে। হালজেনে ২০১১ চনৰ পৰা মহাজাগতিক নিউট্রিন', উচ্চ প্রাবল্যৰ শক্তিৰ সংঘর্ষ পর্যবেক্ষণ আৰু অধ্যয়নৰ কাম আৰম্ভ কৰিছিল। এই গৰেষণাৰ বাবে দক্ষিণ গোলার্ধৰ বৃহৎ এলেকাৰ বৰফ ব্যৱহাৰ কৰা হৈছিল। এই গৰেষণাৰ জৰিয়তেই মহাজাগতিক উচ্চপ্রাবল্যৰ শক্তিৰ নিউট্রিন' আৰু আইচকিউৰ নিউট্রিন' সম্পর্কত গুৰুত্বপূর্ণ আৰিষ্কাৰ ☐ ৬ পৃষ্ঠাত

বিমানবন্দৰত স্বর্ণকন্যা গৰাকীক উষ্ম আদৰণি

স্বর্ণ জয় কৰি মাতৃভূমিত লাভলীনা বৰগোহাঁই

ষ্টাফ ৰিপৰ্টাৰ, গুৱাহাটী, ৬ অক্টোবৰ ঃ এছিয়া ক্রীড়া মহোৎসবত স্বর্ণ পদক জয় কৰি মাতৃভূমি অসমলৈ উভতি অহা স্বর্ণকন্যা লাভলীনা বৰগোহাঁইক আজি বিমানবন্দৰত উষ্ম আদৰণি জনোৱা হয়। স্বর্ণ জয় কৰি মাতৃভূমিত উপস্থিত হোৱাৰ পিছত তেওঁ আৰেগিক হৈ পৰে। লাভলীনা বৰগোহাঁয়ে কয়, "মই আশা কৰা নাছিলো এনেকুৱা এটা পৰিবেশ দেখিবলৈ পাম বুলি। আজি বহুত বহুত বেছি ভাল লাগিছে। এক বুজাৰ নোৱাৰা অনুভৱ।" তেওঁৰ এই মন্তব্যত মাতৃভূমিলে উভতি অহাৰ আনন্দ আৰু গভীৰ আবেগ প্রকাশ পায়। বিমানবন্দৰত স্বর্ণকন্যাগৰাকীক আদৰণি জনাবলৈ ভাৰতীয় জনতা পার্টিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াৰ লগতে বিভিন্ন দল- ☐ ৬ পৃষ্ঠাত



এছিয়ান গেমছত ঐতিহাসিক সোণৰ পদক অর্জনৰ পাছতে হঠাতে সিদ্ধান্ত

ভাৰতীয় মহিলা ক্রিকেট দলৰ অধিনায়কত্ব ত্যাগ হৰমনপ্রীত কৌৰৰ

নেশ্যনেল ডেস্ক, অসম বার্তা, ৬ অক্টোবৰ ঃ ভাৰতীয় মহিলা ক্রিকেট দলৰ অন্যতম সফল অধিনায়ক তথা অভিজ্ঞ অলৰাউণ্ডাৰ হৰমনপ্রীত কৌৰে দলৰ অধিনায়ক পদৰ পৰা পদত্যাগ কৰাৰ কথা ঘোষণা কৰিছে। ৩৭ বছৰীয়া এই খেলুৰৈগৰাকীৰ হঠাতে লোৱা এই সিদ্ধান্তই ক্রিকেট অনুৰাগীসকলৰ মাজত ব্যাপক চর্চাৰ সৃষ্টি কৰিছে। তেওঁৰ নেতৃত্বত ভাৰতীয় মহিলা ক্রিকেট দলে কেইবাটাও গুৰুত্বপূর্ণ সাফল্য লাভ কৰিছে। বিশেষকৈ এছিয়ান গেমছত ঐতিহাসিক সোণৰ পদক অর্জন কৰাৰ পাছতেই তেওঁ এই সিদ্ধান্ত গ্রহণ কৰা বুলি জানিব পৰা গৈছে। হৰমনপ্রীত ☐ ৬ পৃষ্ঠাত



মাজুলী মহাবিদ্যালয়ত পদ্মশ্ৰী গোপীৰাম বুঢ়াভকতৰ স্মৃতিচাৰণ অনুষ্ঠান 'সত্ৰ-শতভিষা গোপীৰাম আতা' "বুঢ়াভকত ঔদাসীন্যৰ প্ৰতিভূ"

অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ "শতায়ু গৰকা পদ্মশ্ৰী গোপীৰাম বুঢ়াভকত বৰগায়ন আছিল এগৰাকী নিস্পৃহ গুণী-বৈষ্ণৱ। নিচেই সৰুতেই চিৰকৌমাৰ্য ব্ৰত পালন কৰিবলৈ উত্তৰ কমলাবাৰী সত্ৰলৈ অহা বুঢ়াভকত আতাই মহাপুৰুষীয়া ধৰ্মৰ উপাসনা তথা সত্ৰীয়া সংস্কৃতিৰ নিৰন্তৰ চৰ্চা আৰু সাধনাকে জীৱনৰ ব্ৰত হিচাপে লৈ তেওঁ ত্যাগৰ আদৰ্শ দেখুৱালে। সত্ৰীয়া সংস্কৃতিৰ বিশাল ক্ষেত্ৰখনৰ ভালেকেইপদ কৃষ্টিত নিজৰ সাধনাৰ বলত পাৰংগত হৈ উঠা বুঢ়াভকত আতা স্বৰূপাৰ্থতেই ঔদাসীন্যৰ প্ৰতিভূ।" — এই মন্তব্য মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়াৰ। উত্তৰ কমলাবাৰী সত্ৰৰ সংগীত নাটক একাডেমী বঁটাপ্ৰাপক গুণী শিল্পী, পদ্মশ্ৰী গোপীৰাম বুঢ়াভকত বৰগায়নৰ প্ৰয়াণৰ দ্বাবিংশতি দিৱসৰ সৈতে সংগতি ৰাখি আজি মাজুলী মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ উদ্যোগত আয়োজিত 'সত্ৰ-শতভিষা গোপীৰাম আতা' শীৰ্ষক স্মৃতিচাৰণ অনুষ্ঠানৰ সঞ্চালকৰ ভাষণত ডঃ শইকীয়াই এইদৰে কয়। দিনৰ ১.৫০ বজাৰ পৰা মহাবিদ্যালয়ৰ 'সত্ৰাধিকাৰ পদ্মকান্তদেৱ গোস্বামী সভাকক্ষ'ত আয়োজিত অনুষ্ঠানৰ আৰম্ভণিতে প্ৰাক্তন ছাত্ৰী পৰী বৰা ৰাজখোৱাৰ দীপস্তুতিৰ সমান্তৰালভাৱে গোপীৰাম বুঢ়াভকতৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰে উত্তৰ কমলাবাৰী সত্ৰৰ বৈষ্ণৱ-শিল্পী, গীতিকাৰ উপেন বৰগায়নে। অধ্যক্ষ ড° দেৱজিৎ শইকীয়াই সঞ্চালনা কৰা অনুষ্ঠানটিত আদৰণী ভাষণ দিয়ে ড° ৰাজেন চন্দ্ৰ বৰাই। অনুষ্ঠানটি উদ্বোধন কৰি মাজুলী জিলা অসম নাট্য সন্মিলনৰ সভাপতি তথা আউনীআটী বিশ্ববিদ্যালয়ৰ পৰিৱেশ্য কলা বিভাগৰ অধ্যাপক ৰঞ্জিৎ কুমাৰ ভূঞাই গোপীৰাম বৰগায়ন বুঢ়াভকতক এগৰাকী সৰ্বগুণী বৈষ্ণৱ-শিল্পী হিচাপে অভিহিত কৰে। অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ড° দুলাল হাজৰিকাই আঁত ধৰা অনুষ্ঠানটোত মুখ্য বক্তা হিচাপে বক্তব্য আগবঢ়াই মাজুলী আউনীআটী হেমচন্দ্ৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ, বিশিষ্ট সত্ৰীয়া শিল্পী কৰুণা বৰাই কয়, বুঢ়াভকত আছিল সত্ৰীয়া সংস্কৃতিৰ পুৰোধা ব্যক্তি যি শয়নে-সপোনে সাংস্কৃতিক উত্তৰণৰ চিন্তান নিমগ্ন হৈ দিন কটাইছিল। সন্মানীয় অতিথি হিচাপে উপস্থিত থাকি সংগীত নাটক একাডেমী বঁটাপ্ৰাপক সত্ৰীয়া শিল্পী যোগেন দত্ত বৰবায়ন আৰু নতুন কমলাবাৰী সত্ৰৰ বুঢ়াভকত তথা মাজুলী জিলা ভাওনা সন্মিলনৰ সভাপতি প্ৰভাত বৰা বুঢ়াভকতে গোপীৰাম বুঢ়াভকতৰ অনন্য সাংস্কৃতিক প্ৰতিভাৰ বিষয়ে উল্লেখ কৰে। আজিৰ অনুষ্ঠানতে শেহতীয়াকৈ অসম ন্যায়িক সেৱা পৰীক্ষাত সফলতা অৰ্জনেৰে মাজুলীলৈ গৌৰৱ কঢ়িয়াই অনা মহকিনা গাঁৱৰ ছাত্ৰ তথা মহাবিদ্যালয়খনৰ অন্যতম প্ৰতিষ্ঠাপক যোগেন্দ্ৰ নাথ দুৱৰীয়াৰ পো-নাতি দেৱাশিস দুৱৰীয়াক মহাবিদ্যালয়ৰ তৰফৰ পৰা অংগবস্ত্ৰ, গ্ৰন্থৰ টোপোলা আদিৰে অভিনন্দন জনোৱা হয়। অনুষ্ঠানত নৰেন চন্দ্ৰ ঠাকুৰীয়া, ভোলা বৰা, ড° আনন্দ হাজৰিকা, ডিম্বেশ্বৰ দত্ত, দধিৰাম বৰুৱা, ভৰত শইকীয়া, দ্বীজেন দত্ত, উপেন শইকীয়া, মুহিকান্ত বৰবায়ন, ৰুবী সভাপণ্ডিত বৰা, গোলাপ বৰুৱা, মহাবিদ্যালয়ৰ প্ৰশাসনিক সমন্বয়ক প্ৰশান্ত শইকীয়া, শৈক্ষিক সমন্বয়ক অজিত কুমাৰ শইকীয়া, মাজুলী মহাবিদ্যালয় আই কিউ এ চিৰ সমন্বয়ক বসন্ত বৰা, শিক্ষক গোটৰ সভাপতি ড° ব্ৰজেন চন্দ্ৰ নেওগ, সম্পাদক ড° অনুপ কুমাৰ দলে, প্ৰাক্তন শিক্ষাৰ্থী সন্মিলনৰ সম্পাদক অধ্যাপক তুলসী ৰাজখোৱা, কাৰ্তিক নাথ প্ৰমুখ্য শিক্ষকসকলৰ উপৰি দ্বিশতাধিক ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

মাকুম কেন্দ্ৰীয় ৰূপালী জয়ন্তী বৰ্ষৰ কৰম সন্মিলনৰ সফল সামৰণি



অসম বাৰ্তা, মাকুম, ৬ অক্টোবৰ ঃ মাকুমৰ ঐতিহ্যমণ্ডিত মাকুম কেন্দ্ৰীয় কৰম সন্মিলনখনি ২৫টা বৰ্ষ গৰকাত এইবাৰ ৰূপালী জয়ন্তী বৰ্ষ হিচাপে উদ্‌যাপন কৰা হ'ল। তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অৰ্থাৎ যোৱা ইংৰাজী ২, ৩ আৰু ৪ অক্টোবৰ তাৰিখে মাকুম ৰজনীকান্ত বৰদলৈ খেলপথাৰত মাকুম কেন্দ্ৰীয় কৰম সন্মিলনৰ প্ৰতিষ্ঠাপক সভাপতি স্বৰ্গীয় অৰূপ আৰন্ধৰা সোঁৱৰণত সমন্বয় ক্ষেত্ৰ হিচাপে গঢ়দি অনুষ্ঠিত কৰা হ'ল মাকুম কেন্দ্ৰীয় ৰূপালী জয়ন্তী বৰ্ষৰ কৰম সন্মিলন। প্ৰথম দিনৰ কাৰ্যসূচী হিচাপে পুৱাই লংছোৱাল তিনিআলিৰ পৰা মাকুম চহৰলৈ মাৰাথন দৌৰ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। তাৰপাছতেই কৰম সন্মিলনৰ পতাকা উত্তোলন কৰে কৰম সন্মিলনৰ উদ্‌যাপন সমিতিৰ সভাপতি তথা মাকুম সমষ্টিৰ বিধায়ক সঞ্জয় কিষাণে। তাৰ লগতে ৰূপালী জয়ন্তী বৰ্ষৰ উপলক্ষে ২৫খন পতাকা উত্তোলন কৰে উদযাপন সমিতি আৰু উপস্থিত থকা দল-সংগঠনৰ বিষয়ববীয়াসকলে। উদ্‌যাপন সমিতিৰ মুখ্য সম্পাদক ৰাজু কুৰ্মীয়ে স্মৃতি তৰ্পণ কৰি উপস্থিত থকা গণ্যমান্য ব্যক্তি সকলৰ সহযোগত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ কাট আউটৰ সন্মুখত আৰু মাকুম কেন্দ্ৰীয় কৰম সন্মিলনৰ প্ৰতিষ্ঠা কালৰ লগত জড়িত থকা প্ৰয়াত ব্যক্তি সকলৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন আৰু মাল্যাৰ্পণ কৰে। বৃক্ষ ৰোপণ, কৰম সন্মিলনৰ মঞ্চ উদ্বোধন কৰি বিভিন্ন ধৰণৰ প্ৰতিযোগিতা যেনে চিত্ৰাংকন প্ৰতিযোগিতা, কুইজ, একক গীত, ঝুমইৰ, ডমকইচ, বিহু, উড়িয়া, টুচু, চহৰাই আৰু শাদী গীত আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। সন্ধ্যা ভাগলৈ কৰম বেদীত কৰম ডাল স্থাপন কৰি পৰম্পৰাগত কৰম পূজা কৰাৰ লগতে কাহিনী বৰ্ণনা কৰে মকৰ সিং ভূমিজে। তাৰ পাছতে পদ্মশ্ৰী দুলাল মানকীয়ে উদ্বোধন কৰা মুখ্য আকৰ্ষণ কাৰ্যসূচী উৰেটো নিশা কৰম আখড়া কৰা হয়। দ্বিতীয় দিনৰ কাৰ্যসূচী হিচাপে পুৱা পৰম্পৰাগত ভাৱে কৰম ডাল বিসৰ্জন কৰি ঢোল বাদন প্ৰতিযোগিতা, বিহু নৃত্য, দলীয় নৃত্য, কাঠি নৃত্য, উৰিড়া নৃত্য, সৃষ্টিশীল নৃত্য আদি প্ৰতিযোগিতা অনুষ্ঠিত কৰি সন্ধ্যা ভাগলৈ স্বৰ্গীয় চমৰা গোৱালা সোঁৱৰণীত স্থানীয় শিল্পীৰ দ্বাৰা সাংস্কৃতিক সন্ধ্যা কাৰ্যসূচী অনুষ্ঠিত কৰা হয়। তৃতীয় দিনৰ কাৰ্যসূচী হিচাপে এক বিশাল বাৰেৰহনীয়া সাংস্কৃতিক শোভা যাত্ৰা বাহিৰ কৰা হয়। সন্ধ্যা ভাগলৈ মুকলি সভাৰ লগতে বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকে কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোক সভাৰ সাংসদ সৰ্বানন্দ সোণোৱালে। সভাত বক্তব্য প্ৰদান কৰি সোণোৱালে কয়, অসমৰ বুকুত চাহ জনগোষ্ঠীয়ে দুটা শতিকা ধৰি কৰি অহা অক্লান্ত পৰিশ্ৰমৰ ফলতে অসমৰ চাহে আজি বিশ্বৰ বজাৰত এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছে। কৃষি ক্ষেত্ৰত বিশ্বৰ দৰবাৰত অসমৰ চাহ উদ্যোগে উল্লেখযোগ্য স্থান লাভ কৰিছে বুলিও মন্তব্য কৰে কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে। তদুপৰি, পবিত্ৰ কৰম পূজাৰ তাৎপৰ্য আৰু পৰম্পৰা সন্দৰ্ভতো ভাষণ প্ৰদান কৰাৰ লগতে ঝুমইৰ দলৰ সৈতে ঝুমইৰ নৃত্যত অংশগ্ৰহণ কৰে। নিশা ভাগলৈ আমন্ত্ৰিত কণ্ঠ শিল্পীৰ দ্বাৰা গীত পৰিৱেশনেৰে অনুষ্ঠানটো জীপাল কৰি তোলে। ৰাইজৰ সহযোগিতাত এইবাৰ মাকুম কেন্দ্ৰীয় ৰূপালী জয়ন্তী বৰ্ষৰ কৰম সন্মিলন খনি সফল ভাৱে সামৰণি পৰাত উদযাপন সমিতিৰ মুখ্য সম্পাদক ৰাজু কুৰ্মী, কাৰ্যকৰী সভাপতি শংকৰ সিং ৰাজপুত আৰু মুখ্যউপদেষ্টা বাবলু কুলদ্বীপে সংবাদ মাধ্যমৰ জৰিয়তে সকলো ৰাইজক ধন্যবাদ জ্ঞাপন কৰে।

'সেৱা সংকল্প অভিযান'ৰ অধীনত আমগুৰিত সফল 'সেৱা সেতু শিবিৰ'



অসম বাৰ্তা, গেলেকী, ৬ অক্টোবৰ ঃ সমগ্ৰ ৰাজ্যজুৰি চলি থকা জনকল্যাণমুখী 'সেৱা সংকল্প অভিযান'ৰ লগত সংগতি ৰাখি আমগুৰি উন্নয়ন খণ্ডৰ উদ্যোগত ৪ অক্টোবৰত পি.এম শ্ৰী আমগুৰি হালুৱাটিং মজদুৰ উচ্চ মাধ্যমিক বিদ্যালয় প্ৰাঙ্গণত দিনজোৰা কাৰ্যসূচীৰে এক বিশেষ 'সেৱা সেতু শিবিৰ' অনুষ্ঠিত হৈ যায়। ৰাইজৰ দুৱাৰডলিত চৰকাৰী সেৱাসমূহ সহজে সুলভ কৰি তোলাৰ প্ৰধান লক্ষ্যৰে এই শিবিৰৰ আয়োজন কৰা হয়। নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে আনুষ্ঠানিকভাৱে এই শিবিৰৰ উদ্বোধন কৰে। এই গুৰুত্বপূৰ্ণ অনুষ্ঠানটিত শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱ, সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, নাজিৰাৰ সহকাৰী আয়ুক্তসকল, আমগুৰিৰ খণ্ড উন্নয়ন বিষয়াৰ লগতে বিভিন্ন বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। ৰাইজক একেটা স্থানতে বিভিন্ন চৰকাৰী বিভাগৰ সেৱা আৰু আঁচনিৰ সুবিধা প্ৰদান কৰাটো এই শিবিৰৰ অন্যতম মূল বৈশিষ্ট্য আছিল। শিবিৰটোত ১৭টাতকৈও অধিক চৰকাৰী বিভাগৰ সহযোগত মুঠ ২৪টা গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিৰ অধীনত ৰাইজক পঞ্জীয়ন, আবেদন আৰু প্ৰয়োজনীয় সহায়তা প্ৰদান কৰা হয়। ইয়াৰ ভিতৰত আয়ুষ্মান ভাৰত (পি.এম.-জে.ৱাই), পি.এম. কিষাণ, প্ৰধানমন্ত্ৰীজন ধন আৰু জীৱন জ্যোতি বীমা যোজনা, ৱান নেশ্বন ৱান ৰেচন কাৰ্ড, বিশেষভাৱে সক্ষমসকলৰ বাবে 'অৰুণোদয়', ভূমি পট্টা, নামজাৰী, নতুন ৰেচন কাৰ্ড প্ৰদানৰ লগতে শিক্ষাৰ্থী কেন্দ্ৰিক জনপ্ৰিয় আঁচনি 'নিযুত মইনা' আৰু 'নিযুত বাবু' আদি অন্তৰ্ভুক্ত আছিল। চৰকাৰী সেৱা লাভৰ প্ৰক্ৰিয়াক অধিক সহজ আৰু ফলপ্ৰসূ কৰি তোলা এই শিবিৰত অঞ্চলটোৰ ২, ০০০ৰো অধিক উৎসাহী ৰাইজে স্বতঃস্ফূৰ্তভাৱে অংশগ্ৰহণ কৰি বিভিন্ন আঁচনিৰ বাবে পঞ্জীয়ন কৰে আৰু উপলব্ধ সুবিধাসমূহ গ্ৰহণ কৰে। এই ব্যতিক্ৰমী উদ্যোগে গ্ৰামাঞ্চলৰ সাধাৰণ ৰাইজক চৰকাৰী আঁচনিসমূহৰ সৈতে পোন পটীয়াকৈ সংযুক্ত কৰি সুবিধা লাভৰ পথ প্ৰশস্ত কৰি তুলিলে।

"ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছ"ত পুৰণিগুদামৰ কণমানি শ্ৰেয়াংশৰ অভিলেখ

অসম বাৰ্তা, পুৰণিগুদাম, ৬ অক্টোবৰ ঃ নগাঁও জিলাৰ পুৰণিগুদামৰ শ্ৰেয়াংশ লস্কৰে ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছত নাম অন্তৰ্ভুক্ত কৰি সমগ্ৰ ৰাজ্যৰ লগতে নগাঁও জিলালৈ গৌৰৱ কঢ়িয়াই আনিছে। ২০১৯ চনৰ ৪ ডিচেম্বৰত জন্ম হোৱা পুৰণিগুদামৰ শ্ৰেয়াংশক "আই বি আৰ এছিভাৰ" (IBR Achiever) উপাধি প্ৰদান কৰা হৈছে। মাত্ৰ ৬ বছৰ ৯ মাহ বয়সৰ কণমানি শ্ৰেয়াংশই ৫২ গৰাকী বিখ্যাত ব্যক্তিক চিনাক্ত কৰা, ভাৰতৰ ১৫ গৰাকী প্ৰধানমন্ত্ৰী আৰু ১৫ গৰাকী ৰাষ্ট্ৰপতিৰ নাম মনত ৰখা, অসমীয়া, হিন্দী আৰু ইংৰাজী ভাষাত ২১ বিধ পাচলি আৰু ২০ বিধ ফলৰ নাম লিখা আৰু অসমীয়াত ২১ গৰাকী স্বাধীনতা সংগ্ৰামীৰ নাম লিখি এই অভিলেখ গঢ়িবলৈ সক্ষম হয়। যোৱা ৭ ছেপ্টেম্বৰত তেওঁৰ প্ৰতিভাৰ পৰীক্ষা কৰা হৈছিল। ১৯ ছেপ্টেম্বৰত ইণ্ডিয়া বুক অৱ ৰেকৰ্ডছৰ মুখ্য সম্পাদক ড° বিশ্বৰূপ ৰয় চৌধুৰীয়ে আনুষ্ঠানিক ভাৱে প্ৰমাণপত্ৰ প্ৰদান কৰে। পুৰণিগুদামৰ প্ৰশান্ত লস্কৰ আৰু ৰিপামণি ডেকাৰ সুযোগ্য সন্তান শ্ৰেয়াংশ লস্কৰ বৰ্তমান শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ প্ৰথম মানৰ ছাত্ৰ। শ্ৰেয়াংশ লস্কৰৰ এই সাফল্যত অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদ পুৰণিগুদাম আঞ্চলিক সমিতি, শংকৰদেৱ বিদ্যানিকেতন, পুৰণিগুদামৰ লগতে পুৰণিগুদামৰ বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছে। পুৰণিগুদামৰ শিশুটিৰ এই সাফল্যত পৰিয়াল তথা বৃহত্তৰ পুৰণিগুদামবাসীয়ে আনন্দ প্ৰকাশ কৰিছে।

ৰিমা বেগমৰ বক্তব্যক লৈ নগাঁও সদৰ থানাত এজাহাৰ

অসম বাৰ্তা, নগাঁও, ৬ অক্টোবৰ ঃ ইছলাম ধৰ্ম সম্পৰ্কীয় এক বক্তব্যক কেন্দ্ৰ কৰি আজাৰা ল'ৱাৰ মিৰ্জাপুৰৰ ৰিমা বেগমৰ বিৰুদ্ধে যোৱা কালি নগাঁও সদৰ থানাত এজাহাৰ দাখিল কৰে বাঘ হাজৰিকা ঐক্য মঞ্চ অসমৰ নগাঁও জিলা সমিতিয়ে। সংগঠনটোৰ অভিযোগ অনুসৰি, ৰিমা বেগমে এগৰাকী হিন্দু যুৱতীক মুছলমান যুৱকে বিবাহ কৰালে জান্নাত লাভ কৰিব বুলি মন্তব্য কৰিছিল। উক্ত বক্তব্যই ধৰ্মীয় বিষয়ক লৈ বিভ্ৰান্তিৰ সৃষ্টি কৰিব পাৰে বুলি এজাহাৰত উল্লেখ কৰা হৈছে। এজাহাৰত বক্তব্যটোৰ মূল উৎস, ভিডিঅ' বা অডিঅ'সহ সংশ্লিষ্ট তথ্য পৰীক্ষা কৰি বিষয়টো তদন্ত কৰিবলৈ আৰক্ষীক অনুৰোধ জনোৱা হৈছে। লগতে, তদন্তত কোনো আইন ভংগৰ তথ্য পোহৰলৈ আহিলে প্ৰযোজ্য আইন অনুসৰি ব্যৱস্থা গ্ৰহণৰ আহ্বান জনাইছে সংগঠনটোৱে। ইফালে, সংগঠনটোৰ দাবী অনুসৰি একে বিষয়ক লৈ যোৰহাট আৰু নলবাৰীতো অভিযোগ দাখিল কৰা হৈছে। পৰৱৰ্তী সময়ত ৰাজ্যৰ অন্যান্য জিলাতো অভিযোগ দাখিলৰ পদক্ষেপ লোৱা হ'ব বুলি সংগঠনটোৱে জানিবলৈ দিছে। উল্লেখ্য যে, এজাহাৰত উত্থাপিত অভিযোগসমূহৰ সত্যতা আৰক্ষীৰ তদন্তৰ পাছতহে নিশ্চিত হ'ব।

কৰ্তব্যনিষ্ঠ জীৱনৰ অভিজ্ঞতাৰে সাহিত্যৰ পথত কাৰিবিল কছাৰীৰ খগেন খাউণ্ড

অৱসৰৰ অপৰাহ্নত কলমৰ সেউজীয়া সপোন; গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত "অনুসন্ধান ডায়েৰী" উন্মোচন



অসম বাৰ্তা, গহপুৰ, ৬ অক্টোবৰ ঃ নিষ্ঠা, সততা আৰু শৃংখলাবদ্ধ জীৱন-প্ৰণালীৰ মাজত জীৱনৰ প্ৰকৃত মধুৰতা বিচাৰি পোৱা এগৰাকী সৰবৰহী ব্যক্তি। নাম তেওঁৰ খগেন খাউণ্ড। জীৱনৰ দীঘলীয়া বাটত কৰ্তব্যক সৰ্বোচ্চ স্থান দি অহা এইগৰাকী ব্যক্তিৰ বাবে অৱসৰ জীৱনৰ অন্ত নহয়; বৰং ই যেন জীৱনৰ আন এক নতুন অধ্যায়ৰ শুভাৰম্ভ। হেলেম ৰাজহ চক্ৰৰ অন্তৰ্গত কাৰিবিল কছাৰী গাঁও নিবাসী খগেন খাউণ্ডে সুদীৰ্ঘ দিন গাঁৱৰক্ষী বাহিনীৰ চক্ৰ সংগঠক হিচাপে নিষ্ঠা আৰু সততাৰে সেৱা আগবঢ়াই অৱসৰ গ্ৰহণ কৰে। আইন-শৃংখলা আৰু সামাজিক দায়বদ্ধতাৰ সৈতে ওতঃপ্ৰোতভাৱে জড়িত হৈ পাৰ কৰা কৰ্মজীৱনৰ প্ৰতিটো দিনেই তেওঁৰ বাবে অসংখ্য অভিজ্ঞতা, প্ৰত্যাহ্বান আৰু জীৱনৰ বহু অমূল্য শিক্ষাৰ মেটমৰা সম্ভাৰ। জীৱনৰ পথ পৰিক্ৰমাৰ ৭৭ বছৰৰ দুৱাৰদলিত উপনীত হোৱা খগেন খাউণ্ডে অৱসৰৰ নীৰৱ সময়কো নিৰৰ্থক হ'বলৈ দিয়া নাই। বয়সৰ আঁচোৰে দেহত বাৰ্ধক্যৰ চাপ পেলালেও মনৰ ভিতৰত এতিয়াও সজীৱ হৈ আছে সৃষ্টিশীলতাৰ উন্মাদনা। সেয়ে জীৱনৰ এই অপৰাহ্ন বেলাত তেওঁ আশ্ৰয় লৈছে সাহিত্যৰ। কলম আৰু কাগজৰ সংগী কৰি তেওঁ অতীতৰ অভিজ্ঞতা, সমাজজীৱনৰ উপলব্ধি আৰু অপৰাধজগতৰ বিভিন্ন দিশক সাহিত্যৰ পৃষ্ঠাত তুলি ধৰিবলৈ প্ৰয়াস কৰিছে। যোৰহাট, শিৱসাগৰ আৰু অবিভক্ত শোণিতপুৰ জিলাৰ বিভিন্ন আৰক্ষী থানাত গাঁৱৰক্ষী বাহিনীৰ এগৰাকী চক্ৰ সংগঠক হিচাপে কাৰ্যনিৰ্বাহ কৰা খগেন খাউণ্ডে দীৰ্ঘদিনীয়া কৰ্মজীৱনত লাভ কৰা মেটমৰা অভিজ্ঞতা আৰু সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ সৈতে ঘনিষ্ঠভাৱে জড়িত হৈ পোৱা বাস্তৱ উপলব্ধিৰ আধাৰতে লিখি উলিয়াইছে তেওঁৰ অন্যতম গ্ৰন্থ 'অনুসন্ধান ডায়েৰী'। আজি তেওঁৰ বাসগৃহত অনুষ্ঠিত এখন গাম্ভীৰ্যপূৰ্ণ সভাৰ জৰিয়তে উক্ত গ্ৰন্থখন আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। সেই উপলক্ষে কাৰিবিল উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক ভদ্ৰেশ্বৰ মিলিৰ পৌৰোহিত্যত অনুষ্ঠিত হোৱা সভাখনত খগেন খাউণ্ডৰ নৱতম গ্ৰন্থ "অনুসন্ধান ডায়েৰী" উন্মোচন কৰে ভাৰত চৰকাৰৰ অৱসৰপ্ৰাপ্ত মুখ্য কৰ আয়ুক্ত হেমন্ত বিজয় মহন্তই। গ্ৰন্থখন উন্মোচন কৰি হেমন্ত বিজয় মহন্তই কয় যে "অনুসন্ধান ডায়েৰী" কেৱল এখন গ্ৰন্থ নহয়, বৰং কৰ্মজীৱনৰ দীঘলীয়া অভিজ্ঞতাৰ পৰা সঞ্চিত বাস্তৱতাৰ এক সাহিত্যিক দলিল হিচাপে গণ্য কৰিব পাৰি। সমাজৰ অন্ধকাৰছন্ন পৰিৱেশ, চোৰ, ডকাইত, হত্যাকাৰী, ব্লেকমেইলাৰ আদিৰ দৰে অপৰাধ আৰু অপৰাধীৰ আঁৰৰ মনস্তত্ত্ব কলমৰ মাধ্যমেৰে তুলি ধৰাৰ প্ৰয়াস কৰিছে খগেন খাউণ্ডে। তদুপৰি সমাজত শান্তি শৃংখলা অটুত ৰখাৰ ক্ষেত্ৰত গাঁওৰক্ষী বাহিনীৰ ভূমিকাৰ ওপৰতো আলোকপাত কৰা হৈছে "অনুসন্ধান ডায়েৰী"ৰ জৰিয়তে। কালিবিল উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ইন্দ্ৰ ছেত্ৰীয়ে ভাষণ প্ৰসংগত কয় যে এটা সময়ত যিগৰাকী ব্যক্তিয়ে সমাজৰ নিৰাপত্তা আৰু শৃংখলা ৰক্ষাৰ বাবে গাঁৱে-ভূঞে আৰু জনসাধাৰণৰ মাজত কৰ্তব্য পালন কৰিছিল, আজি সেই একেজন মানুহেই কলমৰ শক্তিৰে সমাজৰ আন এক বাস্তৱ ছবি আঁকিবলৈ আগবাঢ়িছে। কৰ্মজীৱনত সংগ্ৰহ কৰা অভিজ্ঞতাই এতিয়া তেওঁৰ সাহিত্য সৃষ্টিৰ মূলধন। সভাখনত ভাষণ প্ৰদান কৰি জ্যোতি আগৰৱালা উচ্চ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত শিক্ষক প্ৰফুল্ল বৰুৱাই কয় যে খগেন খাউণ্ডৰ জীৱনে যেন এই কথাই সোঁৱৰাই দিয়ে—অৱসৰ মানে থমকি ৰোৱা নহয়; অৱসৰ মানে নতুনকৈ নিজক আৱিষ্কাৰ কৰাৰ সময়। বয়স যিমানেই আগবাঢ়ক, সৃষ্টিশীল মনৰ কোনো অৱসৰ নাই। সেয়েহে জীৱনৰ ৭৭ বছৰীয়া বাট অতিক্ৰম কৰিও তেওঁ কলম হাতত লৈ আগবাঢ়িছে নতুন প্ৰজন্মৰ বাবে অভিজ্ঞতাৰ কিছু কথা, সমাজৰ বাবে কিছু চিন্তা আৰু সাহিত্যৰ বাবে কিছু অমূল্য সৃষ্টিৰ সম্ভাৰ লৈ। সমাজকৰ্মী তথা সাহিত্যসেৱী জিতেন বৰপূজাৰীয়ে ভাষণ প্ৰসংগত কয় যে খগেন খাউণ্ডৰ এই সাহিত্যিক যাত্ৰাই প্ৰমাণ কৰে—জীৱনৰ গধুৰ বোজা কঢ়িয়াই অহা মানুহজনেও এদিন কলমৰ পাখিৰে নিজৰ অনুভৱক আকাশলৈ উৰুৱাব পাৰে। তেওঁৰ 'অনুসন্ধান ডায়েৰী' সেই উৰণৰে এক অৰ্থপূৰ্ণ সাক্ষ্য। সঞ্জয় খাউণ্ডে আঁত ধৰা গ্ৰন্থ উন্মোচনী সভাখনত পৰিয়ালৰ হৈ খগেন খাউণ্ডৰ পত্নী ৰূপা শইকীয়া খাউণ্ড, দুই পুত্ৰ ক্ৰমে শিক্ষক বিতুপন খাউণ্ড, যুৱ ব্যৱসায়ী জিতুমণি খাউণ্ড, বোৱাৰী চয়নিকা খাউণ্ড আৰু প্ৰেৰণা খাউণ্ডে সকলোৰে প্ৰতি আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰে। সভাখনত জ্যেষ্ঠ সাংবাদিক নগেন শইকীয়া, শিক্ষক সেৱ কৈৱালা, ৰঞ্জিত বড়ো, দেৱেশ্বৰ ভূঞা, সাহিত্যসেৱী সুৰেণ বৰা, কাৰিবিল গাঁও পঞ্চায়তৰ সভানেত্ৰী দেৱকা দেৱী প্ৰমুখ্যে বহু বিশিষ্ট লোক উপস্থিত থাকে।

পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত প্ৰতিষ্ঠা দিৱস উদ্‌যাপন

অসম বাৰ্তা, মাকুম, ৬ অক্টোবৰ ঃ বৃহত্তৰ কাকপথাৰ-ডিৰাক অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষা প্ৰতিষ্ঠান পদ্মনাথ গোহাঞি বৰুৱা চৰকাৰী আদৰ্শ মহাবিদ্যালয়ত যোৱা ইংৰাজী ৪ অক্টোবৰ তাৰিখে বৰ্ণাঢ্য কাৰ্যসূচীৰে প্ৰতিষ্ঠা দিৱস উদ্‌যাপন কৰা হয়। মহাবিদ্যালয়ৰ অধ্যক্ষ ড° থানুৰাম মজিন্দাৰে পতাকা উত্তোলনেৰে অনুষ্ঠানটিৰ শুভাৰম্ভণি কৰাৰ লগে লগে পৰৱৰ্তী কাৰ্যসূচীৰূপে মহাবিদ্যালয়ৰ পৰিচালনা সমিতিৰ সভাপতি ড° দীপক গোস্বামীয়ে শ্বহীদ তৰ্পণ আৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড° আজিজুৰ ৰহমানে পদ্মনাথ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কাৰ্য সমাপন কৰে। ড° দীপক গোস্বামীয়ে সভাপতিত্ব কৰা উক্ত সভাত নিৰ্দিষ্ট বক্তা হিচাপে তিনিচুকীয়া উইমেনচ্ কলেজৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড° ৰাজীৱ বৰদলৈ, আমন্ত্ৰিত অতিথিৰূপে ডিগবৈ মহিলা মহাবিদ্যালয়ৰ প্ৰাক্তন উপাধ্যক্ষ ড° অৰুণ চন্দ্ৰ দত্ত, ডিৰাক অঞ্চলৰ সমাজসেৱক তিলেশ্বৰ মৰাণ, ভাৰতীয় জনতা যুৱ মৰ্চাৰ তিনিচুকীয়া জিলাৰ সাধাৰণ সম্পাদক চৌবিক মৰাণ, মটক স্বায়ত্তশাসিত পৰিষদৰ কাৰ্যবাহী সদস্য পূৰ্ণানন্দ বুঢ়াগোহাঁই, সদৌ মৰাণ ছাত্ৰ সন্থা ডিৰাক আঞ্চলিক সমিতিৰ সভাপতি গৌতম বড়া, সদৌ অসম মটক যুৱ ছাত্ৰ সন্মিলনৰ ডিৰাক আঞ্চলিক সমিতিৰ সভাপতি হেমন্ত চেতিয়া, সদৌ অসম মটক যুৱ ছাত্ৰ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সাধাৰণ সম্পাদক উদ্দীপ্ত বাঘবড়াৰ লগতে কেইটা সংগঠনৰ অন্যান্য বিষয়ববীয়াসকল, ইউটিউবাৰ অনুপ মৰাণ উপস্থিত থাকি সভাৰ সৌষ্ঠৱ বৃদ্ধি কৰে। আদৰণি ভাষণত মহাবিদ্যালয়ৰ অধ্যক্ষই মহাবিদ্যালয়খনিৰ শিক্ষাবৰ্ষৰ আৰম্ভণিৰছটা বৰ্ষৰ সামগ্ৰিক পৰিক্ৰমাৰ আভাস দাঙি ধৰাৰ লগতে অনুষ্ঠানটি আগবঢ়াই নিয়াত সহায়-সহযোগিতা আগবঢ়োৱা সকলো শ্ৰেণীৰ লোকৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰে। ইয়াৰ পিছতে মহাবিদ্যালয়ৰ বিগত বৰ্ষৰ কাৰ্যক্ৰমনিকাৰ খতিয়ান আগবঢ়ায় মহাবিদ্যালয়ৰ অৰ্থনীতি বিভাগৰ মুৰব্বী অধ্যাপক কৃষ্ণ শইকীয়াই। সভাখনিত নিৰ্দিষ্ট বক্তাৰূপে ড° ৰাজীৱ বৰদলৈয়ে মহাবিদ্যলয়খনে গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ শলাগ লোৱাৰ লগতে ভৱিষ্যত কাৰ্যপন্থা সম্পৰ্কে অভিমত প্ৰকাশ কৰে। উক্ত অনুষ্ঠানতে মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগৰ ছাত্ৰ ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা ছখনকৈ প্ৰাচীৰ পত্ৰিকা আমন্ত্ৰিত অতিথিসকলে উন্মোচন কৰে। তদুপৰি প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ নিউজ লেটাৰ, এখন সম্পাদিত গ্ৰন্থ, উচ্চতৰ মাধ্যমিকৰ প্ৰথম আৰু দ্বিতীয় বৰ্ষৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰস্তুত কৰি উলিওৱা হাতেলেখা আলোচনী ক্ৰমে নৱোন্মেষ আৰু পথিক আৰু ৰাজনীতি বিজ্ঞান বিভাগৰ হাতেলেখা আলোচনী পলিটিকা উন্মোচন কৰা হয়। মহাবিদ্যালয়ৰ পৰা প্ৰকাশিত গ্ৰন্থখনৰ সম্পাদনাৰ দায়িত্বত আছিল মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ড° পূজা দিহিঙ্গীয়া, অসমীয়া বিভাগৰ সহকাৰী অধ্যাপক ড° মনালিছা কছাৰী আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক আকাংক্ষিতা শৰ্মা। মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰিক ড° অনুৰাগ বৰপাত্ৰ গোহাঁই আৰু ইংৰাজী বিভাগৰ সহকাৰী অধ্যাপক ড° সঞ্জীৱ কলিতাক ডক্টৰেট সন্মান লাভ কৰাৰ বাবে মহাবিদ্যালয়ৰ তৰফৰ পৰা সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানটিৰ সামৰণিত ইংৰাজী বিভাগৰ সহকাৰী অধাপক জোষ্মি গগৈয়ে শলাগৰ শৰাই আগবঢ়ায়। অনুষ্ঠান আয়োজনৰ আহ্বায়কৰ দায়িত্বত আছিল ড° চেতন চন্দ্ৰ দাস, ড° দ্বীপেন বসুমতাৰী, ড° মনালিছা কছাৰী আৰু জোষ্মি গগৈ।



NAME CORRECTION

My actual and correct name is CHAMENA BIBI which has been recorded in my relevant all documents including Aadhar Card, vide No. 5790 7160 7247, Voter ID card EPIC No. GRG3137632. But my name has erroneously been recorded MRS SAMENA BIBI in my bank passbook of Assam Gramin Vikash Bank having A/C No. 7150010003841 of Lakhiganj Branch as MRS SAMENA BIBI instead of CHAMENA BIBI. Both MRS SAMENA BIBI and CHAMENA BIBI signifies the same and one identical person. i.e. myself.

Sd/-
CHAMENA BIBI
W/O: Daraj Khan
Vill: Udmari pt 3
PO: Lakhiganj, Pin: 783345
SD: Bilasipara, Dist: Dhubri

AB-188/2026

NAME CORRECTION

Sworn before the Notary Public at Titabar, dated 26/09/2026, that my actual and correct name is CHAHAN CHAURA, S/O Budhu Chaura, R/O 2 No. Kohora Gaon, PO Kaziranga National Park, Dist. Golaghat, Assam, as recorded in my Aadhaar card. But in the birth certificate of my daughter Miss Priyanshi Chaura (DOB 12/08/2021, Reg. No. 384/2021, dated 06/10/2021, issued by Mariani MPHC), my name has been wrongly recorded as CHOHON CHOURA, and the post office name has been wrongly recorded as KOHARA instead of KAZIRANGA NATIONAL PARK. Both Chahan Chaura and Chohon Choura signifies the same and one identical person. i.e. myself.

AB-189/2026

আদিবাসসকলৰ শিপা, সাংস্কৃতিক ঐতিহ্য আৰু অধিকাৰৰ প্ৰতি শৈক্ষিক আগ্ৰহ গঢ়ি তোলাৰ প্ৰয়াস

লখিমপুৰ আৰু ওদালগুৰিত হ'ব পৰীক্ষা কেন্দ্ৰ; ৩১ অক্টোবৰলৈকে হ'ব 'আদিবাসী অলিম্পিয়াড'ৰ পঞ্জীয়ন

অসম বাৰ্তা, লীলাবাৰী, ৬ অক্টোবৰ ঃ বৰ্ণাঢ্য আয়োজনেৰে দেশত প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় পৰ্যায়ত অনুষ্ঠিত হ'ব আদিবাসী অলিম্পিয়াড। আদিবাসী শিক্ষাৰ্থীসকলক জনগোষ্ঠীটোৰ ইতিহাস, ঐতিহ্য, সংস্কৃতি, পৰম্পৰা, আদিবাসী জ্ঞান আৰু সাংবিধানিক অধিকাৰৰ সৈতে চিনাকি কৰাৰ উদ্দেশ্যে আদিবাসী ৱিজডম ট্ৰাষ্ট আৰু টীম ধুমখাড়িয়াৰ উদ্যোগ আৰু TribalMatrimony.com শীৰ্ষক সংস্থাৰ সহযোগত 'ৰাষ্ট্ৰীয় আদিবাসী অলিম্পিয়াড, ২০২৬'ৰ আয়োজন কৰা হৈছে। "The Intellectual Re-awakening of Adivasis" শীৰ্ষক বিষয়বস্তুক উদ্দেশ্য হিচাপে লৈ আদিবাসী শিক্ষাৰ্থীসকলৰ মাজত নিজৰ শিপা, আদিবাসী জ্ঞান পৰম্পৰা আৰু সাংস্কৃতিক ঐতিহ্যৰ প্ৰতি শৈক্ষিক আগ্ৰহ গঢ়ি তোলাৰ লগতে সমসাময়িক বিষয়সমূহৰ প্ৰতি সজাগতা বৃদ্ধি কৰাই অলিম্পিয়াডৰ মূল লক্ষ্য। দেশৰ বিভিন্ন প্ৰান্তৰ আদিবাসী শিক্ষাৰ্থীসকলৰ বাবে এক ৰাষ্ট্ৰীয় পৰ্যায়ৰ শৈক্ষিক মঞ্চ সৃষ্টি কৰাৰ সমান্তৰালকৈ শিক্ষাৰ্থীসকলৰ বৌদ্ধিক বিকাশ আৰু আদিবাসী সাংস্কৃতিক জ্ঞান বৃদ্ধিত বিশেষ সহায় কৰিব। ষষ্ঠ শ্ৰেণীৰ পৰা দশম শ্ৰেণীলৈ অধ্যয়নৰত আদিবাসী শিক্ষাৰ্থীসকলে অলিম্পিয়াডত অংশগ্ৰহণ কৰিব পাৰিব। অলিম্পিয়াডৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ পৰীক্ষাটি ২৯ নবেম্বৰ, ২০২৬ তাৰিখ দেওবাৰে দেশৰ বিভিন্ন পৰীক্ষা কেন্দ্ৰত অনুষ্ঠিত হ'ব। পৰীক্ষাৰ পঞ্জীয়ন মাচুল ৩০০ টকা আৰু পঞ্জীয়নৰ অন্তিম তাৰিখ ৩১ অক্টোবৰ, ২০২৬ লৈ নিৰ্ধাৰণ কৰা হৈছে। পঞ্জীয়নৰ পাছতেই শিক্ষাৰ্থীসকলে প্ৰস্তুতি পুস্তিকা, অনুশীলনৰ বাবে প্ৰশ্নকাকত, প্ৰৱেশ পত্ৰ আৰু অংশগ্ৰহণৰ প্ৰমাণ-পত্ৰ লাভ কৰিব। অলিম্পিয়াডত আদিবাসী জ্ঞান পৰম্পৰা, আদিবাসী ইতিহাস, ঐতিহ্য, সংস্কৃতি আৰু পৰম্পৰা, সাহিত্য, কলা, ক্ৰীড়া আৰু পৰম্পৰাগত খাদ্য, সাংবিধানিক অধিকাৰ আৰু আইন, পৰিৱেশ, স্ব-শাসন ব্যৱস্থা, গুৰুত্বপূৰ্ণ ব্যক্তিত্ব আৰু সাধাৰণ জ্ঞান আদি বিষয় অন্তৰ্ভুক্ত কৰা হৈছে। ৰাষ্ট্ৰীয় অলিম্পিয়াডৰ অসম ৰাজ্যৰ মুখ্য সমন্বয়কদ্বয় মিণ্টু মিঞ্জুৰ আৰু ষ্টিফেন লাকড়াই সংবাদ মাধ্যমক জানিবলৈ দিয়ে যে, অসম ৰাজ্যৰ ক্ষেত্ৰত 'ৰাইটাৰ্ছ অন আছাম আদিবাচিছ', 'সদৌ অসম আদিবাসী ছাত্ৰ সন্থা' আৰু 'নাৱা বিহান সমাজে অলিম্পিয়াড আয়োজনৰ বাবে সহযোগিতা আগবঢ়াইছে। অসমৰ আদিবাসী শিক্ষাৰ্থীসকলে https://www.adivasiolympiad.org -লিংকত ৩১ অক্টোবৰলৈ পঞ্জীয়ন কৰিব পাৰিব। লখিমপুৰ জিলাৰ লীলাবাৰীৰ আদিবাসী জুনুবস্তি উচ্চ মাধ্যমিক বিদ্যালয় আৰু ওদালগুৰি জিলাৰ ডিমাকুছিৰ ডনবস্কো উচ্চ মাধ্যমিক বিদ্যালয়ক অসম ৰাজ্যৰ বাবে অলিম্পিয়াডৰ পৰীক্ষা কেন্দ্ৰ হিচাপে নিৰ্ধাৰণ কৰা হৈছে। সবিশেষ জানিবলৈ মিণ্টু মিঞ্জুৰৰ ফোন নতুবা হোৱাটছএপ- ৮৪৮৬৩৪৬৭১১ নম্বৰত অভিভাৱকসকলে যোগাযোগ কৰিব পাৰিব। উল্লেখযোগ্য যে, ঝাৰখণ্ড, উৰিষ্যা, ছত্তিশগড়, পশ্চিম-বংগ, দিল্লী, অসম আৰু আন্দামান-নিকোবৰকে ধৰি বিভিন্ন ৰাজ্যত পৰীক্ষা কেন্দ্ৰ গঢ়ি তুলিছে। বিভিন্ন বিদ্যালয় আৰু অনুষ্ঠান -প্ৰতিষ্ঠানৰ জৰিয়তে শিক্ষাৰ্থীসকলৰ মাজত অলিম্পিয়াড সন্দৰ্ভত সজাগতা সৃষ্টিৰ অভিযান চলাইছে। অলিম্পিয়াডত উৎকৃষ্ট ফলাফল প্ৰদৰ্শন কৰা শিক্ষাৰ্থীসকলক নগদ পুৰস্কাৰ, লেপটপ, টেবলেটৰ লগতে জলপানি আৰু মেধাৰ প্ৰমাণ-পত্ৰ প্ৰদান কৰা হ'ব বুলি আয়োজকে জানিবলৈ দিয়ে।

নাহৰফুটুকীৰ মুক্ত বিচৰণভূমিলৈ পৰ্যবসিত হৈছে নাহৰকটীয়াৰ ৰাজপথ

শংকাত নাহৰকটীয়াবাসী; নিৰ্লিপ্ত বন বিভাগ

অসম বাৰ্তা, নাহৰকটীয়া, ৬ অক্টোবৰ ঃ নাহৰকটীয়াৰ জনাঞ্চলত ক্ৰমাৎ বৃদ্ধি পাবলৈ ধৰিছে নাহৰফুটুকীৰ প্ৰয়োভৰ। পৰিপ্ৰেক্ষিতত নাহৰকটীয়াৰ ৰাজপথত দিনে দুপৰে লোকচক্ষুৰ হৈছে নাহৰফুটুকীৰ মুক্ত বিচৰণ। যিয়ে আতংকময় পৰিৱেশৰ সৃষ্টি কৰিছে সমগ্ৰ অঞ্চলটোত। উল্লেখ্য যে কাষৰীয় দিহিং পাটকাই ৰাষ্ট্ৰীয় উদ্যানৰ পৰা খাদ্যৰ সন্ধানত উলাই অহা নাহৰফুটুকী বোৰে জনাঞ্চলত প্ৰবেশ কৰি নাহৰকটীয়াৰ বিভিন্ন প্ৰান্তত ৰাইজৰ পশুধন খাই খাস্তাং কৰি ত্ৰাসৰ সৃষ্টি কৰাৰ সমান্তৰালকৈ নাহৰকটীয়া-মৰাণ পথত অৱস্থিত লেঙেৰীজান চাহ বাগিছা এলেকাটোত দিনে-দুপৰে ৰাজপথতে মুক্ত বিচৰণ কৰি ফুৰা ৰাইজৰ দৃষ্টিত পৰিছে। সাধাৰণতে বনাঞ্চলৰ পৰা ওলাই অহা নাহৰফুটুকীবোৰে চাহ বাগিচা বিলাকতে আশ্ৰয় লৈ নিশা স্বীকাৰৰ সন্ধানত ওলাই যদিও শীতকাল আগমনৰ লগে লগে আবেলিতে নাহৰফুটুকী বোৰে ৰাজপথৰ কাষতে মুক্ত বিচৰণ কৰা লোকচক্ষুৰ হোৱাত সেই পথৰে অহা যোৱা কৰা নাহৰকটীয়া আৰু ইয়াৰ উপকণ্ঠ এলেকাৰ ৰাইজ এতিয়া আতংকত ভুগিব লগীয়া হৈছে। শেহতীয়াকৈ ধাদুমীয়া তিনিআলিৰ সমীপৰ লেঙেৰীজান চাহ বাগিছা এলেকাটোত নাহৰকটীয়া-মৰাণ সংযোগী ৰাজপথৰ দাতিতে দুটা পোৱালিৰ সৈতে প্ৰকাণ্ড নাহৰফুটুকীয়ে একেলগতে বিচৰণ কৰি থকা বা দুটা নাহৰফুটুকীয়ে বিচৰণ কৰা এনে বহু কেইটা ভিডিঅ সামাজিক মাধ্যমযোগে ভাইৰেল হৈ পৰাৰ পাছতে সমষ্টিটোৰ ৰাঙলীপথাৰ, ধাদুমিয়া, ঘোগুলনি, চেঙেলীজান, কলিয়াপানী, বৰবাম, ডিচাম, টাইৰাই, কুঁৰৰীগাও, নাহৰণি আদি অঞ্চলৰ পৰা চহৰলৈ বুলি চাইকেল-মটৰচাইকেলেৰে সঘনাই অহা যোৱা কৰা লোকসকল এতিয়া সংকিত হৈ যাতায়ত কৰিব লগীয়া হোৱাৰ লগতে, বাঘৰ আতংকত সন্ধ্যালনিৰ পূৰ্বেই ঘৰমূৱা হব লগা পৰিস্থিতিৰ সৃষ্টি হৈছে। তদুপৰি আবেলি নাহৰকটীয়াৰ লেঙেৰীজান আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় খেল পথাৰলৈ দৈনিক খেলৰ অনুশীলনৰ বাবে যোৱা কিশোৰ-কিশোৰী সকলৰ বাবেও উক্ত পথটো অতি বিপদজনক হৈ পৰাত অভিভাৱক সকল চিন্তিত হৈ পৰিছে। শেহতিয়াকৈ উক্ত এলেকাটোত নাহৰফুটুকীৰ বিচৰণ ইমান অধিক বৃদ্ধি পাইছে যে এই পথেৰে অহা যোৱা কৰা প্ৰায়বোৰ লোকেই নাহৰফুটুকী দেখিবলৈ পোৱাটো বা নাহৰফুটুকীৰ ফটো-ভিডিঅ মবাইল কেমৰাত আৱদ্ধ কৰাটো তেনেই সাধাৰণ কথাৰ দৰে হবলৈ ধৰিছে। ইমানৰ পাছটো কিন্তু সৰ্বসাধাৰণৰ নিৰাপত্তাৰ বিষয়টোত তিল মাত্ৰাও চিন্তা কৰিবলৈ ব্যাগোম বনবিভাগটোৰ বিষয়াৰ কৰ্মচাৰী সকলৰ এই পৰ্যন্ত আহৰি হোৱাগৈ নাই। লক্ষণীয় যে



নাহৰকটীয়া নাগৰিক সমিতিৰ সভাপতি গকুল বৰাই অঞ্চলটোত নাহৰফুটুকীৰ মুক্ত বিচৰণৰ এক ভিডিঅ নিজা সামাজিক মাধ্যম ফেচবুক যোগে প্ৰচাৰ কৰি সেই পথেৰে অহাযোৱা কৰা লোকসকলক সাৱধানতা অৱলম্বন কৰিবলৈ পৰামৰ্শ দিয়াৰ লগতে বন বিভাগক বিষয়টো অৱগত কৰি নাগৰিকৰ সুৰক্ষা সুনিশ্চিত কৰাৰ ক্ষেত্ৰত ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনাইছিল। তদুপৰি নাহৰকটীয়া আনঅফিচিয়েল শীৰ্ষক ফেচবুক পেজটো নাহৰফুটুকীৰ আন এক ভিডিঅ ব্যাপক ভাবে প্ৰচাৰ হোৱাৰ লগতে বিভিন্নজনে নিজে কেমেৰাত আৱদ্ধ কৰা ভিডিঅ ফটো সামাজিক মাধ্যমত ৰাজহুৱা কৰি জনসাধাৰণৰ সুৰক্ষা সুনিশ্চিত কৰিবলৈ বন বিভাগক আহ্বান জনাই অহাৰ পাছটো বন বিভাগৰ এই প্ৰৰ্যন্ত গা নলৰাত বিভাগটোৰ প্ৰতি ক্ষুদ্ধ হৈ পৰিছে স্থানীয় সচেতন ৰাইজ তথা অভিভাৱকসকল। এইক্ষেত্ৰত ৰাঙলীপথাৰ যুৱক সংঘৰ সভাপতি ডিপাঙ্কৰ চেতিয়াই সৰ্বাসাধাৰণৰ লগতে বিশেষকৈ ক্ৰিয়াৰ সৈতে জড়িত কিশোৰ-কিশোৰী সকলৰ নিৰাপত্তাৰ দিশটো গুৰুত্ব সহকাৰে লৈ তৎকালীন ব্যৱস্থা গ্ৰহণেৰে জনসাধাৰণক নাহৰফুটুকীৰ আতংকৰ পৰা মুক্ত কৰিবলৈ জয়পুৰ বনাঞ্চলিক বিষয়াক আহ্বান জনাইছে। স্মৰ্তব্য যে বিগত বৰ্ষসমূহত জয়পুৰ বনাঞ্চলিক বিষয়া হিচাপে কাৰ্যভাৰ চম্ভালা তদানীন্তন বিষয়া সকলে তেওঁলোকৰ কাৰ্যকালত উমাতাৰা, শৰিছপুৰ, চট্টিশপুৰ, ডিচাম চাহ বাগিছা এলেকাসমূহত সন্ত্ৰাস চলোৱা আৰু শিশুৰ মৃত্যুৰ কাৰণো হৈ পৰা বহুকেইটা নাহৰফুটুকী পিঞ্জৰাবদ্ধ কৰি পুনৰ বনাঞ্চলত মুকলি কৰি ৰাইজক শংকামুক্ত কৰা ক্ষেত্ৰত তৎপৰতা প্ৰদৰ্শন কৰিছিল যদিও সম্প্ৰতি দায়িত্বত থকা বিষয়াজনৰ এইক্ষেত্ৰত চূড়ান্ত নিৰ্লিপ্ততাহে পৰিলক্ষিত হয় আহিছে। বছৰটোৰ প্ৰায় সময়তে নাহৰফুটুকীৰ অৱস্থিতি থকা তথা যোৱা এমাহ ধৰি সৰ্বাধিক মুক্ত বিচৰণ হবলৈ ধৰা এই এলেকাটোৰ নাহৰফুটুকী কেইটাক পিঞ্জৰাবদ্ধ কৰিবলৈ সংলিষ্ট বিভাগে ব্যৱস্থা গ্ৰহণ কৰিবনে নে কোনো দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতহে বগা হাতীত পৰিণত বিভাগটোৰ বিষয়া সকলৰ গা লৰিব সেইয়া সময়ত লক্ষণীয় হ'ব।

সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত তফিকুৰ ৰহমান

বৰপেটা জিলা সাংবাদিক সন্থাৰ নতুন সমিতি গঠন

অসম বাৰ্তা, চেঙা, ৬ অক্টোবৰ ঃ সদৌ অসম সাংবাদিক সন্থাৰ অধীনৰ বৰপেটা জিলা সাংবাদিক সন্থাৰ দ্বি-বাৰ্ষিক অধিৱেশন দেওবাৰে বৰপেটা চহৰত অনুষ্ঠিত হয়। জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা সাংবাদিকসকলৰ উপস্থিতিত অনুষ্ঠিত এই অধিৱেশনত সাংবাদিকসকলৰ বিভিন্ন সমস্যা, কৰ্মক্ষেত্ৰত সন্মুখীন হোৱা প্ৰত্যাহ্বান, সাংবাদিকৰ অধিকাৰ আৰু নিৰাপত্তা আদি বিভিন্ন গুৰুত্বপূৰ্ণ বিষয়ত বিস্তৃত আলোচনা কৰা হয়। অধিৱেশনত বৰপেটা জিলা সাংবাদিক সন্থাৰ নতুন সমিতিখনো গঠন কৰা হয়। অধিৱেশনত বৰ্তমান সময়ত সাংবাদিকতাৰ ক্ষেত্ৰখনত সৃষ্টি হোৱা বিভিন্ন প্ৰত্যাহ্বান সন্দৰ্ভত সাংবাদিকসকলে নিজৰ মতামত প্ৰকাশ কৰে। বিশেষকৈ সংবাদ সংগ্ৰহৰ সময়ত সাংবাদিকসকলে সন্মুখীন হোৱা বিভিন্ন অসুবিধা, সাংবাদিকৰ নিৰাপত্তা, সংবাদ মাধ্যমৰ স্বাধীনতা, সাংবাদিকসকলৰ অধিকাৰ আৰু সামাজিক দায়বদ্ধতা আদি বিষয়ত গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। লগতে বৰপেটা জিলাৰ বিভিন্ন অঞ্চলত কৰ্মৰত সাংবাদিকসকলৰ মাজত অধিক সমন্বয় আৰু ঐক্য গঢ়ি তোলাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। জিলাখনৰ সাংবাদিকসকলৰ বিভিন্ন সমস্যা একত্ৰিতভাৱে সংশ্লিষ্ট কৰ্তৃপক্ষৰ ওচৰত উত্থাপন কৰি সমাধানৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰাৰ বিষয়েও অধিৱেশনত আলোচনা কৰা হয়। অধিৱেশনৰ আন এক গুৰুত্বপূৰ্ণ দিশ আছিল সন্থাৰ নতুন সমিতি গঠন। অধিৱেশনৰ জৰিয়তে গঠন কৰা নতুন সমিতিত আফতাব হুছেইনক সভাপতি আৰু তফিকুৰ ৰহমানক সাধাৰণ সম্পাদক হিচাপে লৈ গঠন কৰা হয় নতুন সমিতিখন। নতুন সমিতিখনে আগন্তুক দুটা বছৰত বৰপেটা জিলাৰ সাংবাদিকসকলৰ স্বাৰ্থত কাম কৰাৰ লগতে সাংবাদিকতাৰ ক্ষেত্ৰখন অধিক সুসংগঠিত আৰু শক্তিশালী কৰাৰ বাবে বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰিব বুলি আশা প্ৰকাশ কৰা হয়। অধিৱেশনত সাংবাদিকসকলে মত প্ৰকাশ কৰে যে বৰ্তমান সময়ত সংবাদ মাধ্যমৰ ভূমিকা অধিক গুৰুত্বপূৰ্ণ হৈ পৰিছে। সমাজৰ বিভিন্ন সমস্যা, অনিয়ম, দুৰ্নীতি, জনসাধাৰণৰ অভাৱ-অভিযোগ আৰু চৰকাৰী আঁচনিৰ বাস্তৱ ৰূপ জনসাধাৰণৰ মাজলৈ লৈ যোৱাত সাংবাদিকসকলৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। সেয়েহে সাংবাদিকসকলে সত্য, নিৰপেক্ষতা আৰু দায়িত্বশীলতাৰ সৈতে সংবাদ পৰিৱেশন কৰাটো অতি প্ৰয়োজনীয় বুলি মত প্ৰকাশ কৰে। ইয়াৰ উপৰি নতুন প্ৰজন্মৰ সাংবাদিকসকলক অধিক প্ৰশিক্ষণ আৰু অভিজ্ঞতা প্ৰদান কৰা, ডিজিটেল সংবাদ মাধ্যমৰ সৈতে জড়িত সাংবাদিকসকলৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত সন্থাৰ ভূমিকা শক্তিশালী কৰা আৰু সাংবাদিকসকলৰ মাজত ভাতৃত্ববোধ বৃদ্ধি কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰা হয়। অধিৱেশনত উপস্থিত সাংবাদিকসকলে আশা প্ৰকাশ কৰে যে নতুন সমিতিয়ে জিলাখনৰ সাংবাদিকসকলৰ মাজত একতা আৰু সহযোগিতা অধিক শক্তিশালী কৰাৰ লগতে সাংবাদিকসকলৰ ন্যায্য অধিকাৰ আৰু সুৰক্ষাৰ ক্ষেত্ৰতো সক্ৰিয় ভূমিকা পালন কৰিব। নতুন সমিতিৰ নেতৃত্বত বৰপেটা জিলা সাংবাদিক সন্থাই আগন্তুক দিনত সাংবাদিকসকলৰ সমস্যা সমাধানৰ লগতে সমাজৰ প্ৰতি সংবাদ মাধ্যমৰ দায়িত্ব অধিক শক্তিশালী কৰি তুলিব বুলি অধিৱেশনত আশা প্ৰকাশ কৰা হয়। গণতন্ত্ৰৰ চতুৰ্থ স্তমভ হিচাপে সংবাদ মাধ্যমৰ ভূমিকা আৰু দায়িত্বৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ কৰি অধিৱেশনখন সফলভাৱে সামৰণি পৰে।

বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু সংহত জিলা আয়ুক্তৰ কাৰ্যালয় মুকলি



অসম বাৰ্তা, বঙাইগাঁও সদৰ, ৬ অক্টোবৰ ঃ বঙাইগাঁৱত আনুষ্ঠানিকভাৱে মুকলি কৰা হ'ল বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় হাস্পতাল আৰু সংহত জিলা আয়ুক্তৰ কাৰ্যালয়। সোমবাৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে দুয়োটা গুৰুত্বপূৰ্ণ প্ৰকল্প উদ্বোধন কৰে। প্ৰায় ৭১১ কোটি টকা ব্যয়সাপেক্ষ এই প্ৰকল্পৰ আধাৰশিলা ২০২৩ চনত স্থাপন কৰা হৈছিল। নিৰ্ধাৰিত সময়ৰ ভিতৰত নিৰ্মাণকাৰ্য সম্পূৰ্ণ কৰাৰ পিছত আজি বঙাইগাঁওবাসীৰ বাবে প্ৰকল্প দুটা মুকলি কৰা হয়। উদ্বোধনী অনুষ্ঠানৰ পৰাই মুখ্যমন্ত্ৰীগৰাকীয়ে জিলাখনৰ কেইবাটাও উন্নয়নমূলক প্ৰকল্প ভাৰ্চুৱেলী মুকলি কৰে। উদ্বোধনী অনুষ্ঠানত মুখ্যমন্ত্ৰীৰ সৈতে উপস্থিত থাকে স্বাস্থ্যমন্ত্ৰী অশোক সিংঘাল, মন্ত্ৰী কেশৱ মহন্ত, মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ, সাংসদ ফণীভূষণ চৌধুৰী, বিধায়ক ভূপেন ৰায় আৰু বিধায়িকা দিপ্তীময়ী চৌধুৰী। অনুষ্ঠানত ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই বঙাইগাঁৱৰ উন্নয়নৰ ধাৰা অব্যাহত থকাৰ কথা উল্লেখ কৰে। তেওঁ বঙাইগাঁও বিশ্ববিদ্যালয় নিৰ্মাণৰ বাবে ১০০ কোটি টকাৰ পেকেজ ঘোষণা কৰে। ইয়াৰ উপৰি বঙাইগাঁৱত ১০০ ফুট উচ্চতাৰ মহাবীৰ চিলাৰায়ৰ প্ৰতিমূৰ্তি নিৰ্মাণৰ কথাও ঘোষণা কৰে মুখ্যমন্ত্ৰী গৰাকীয়ে। বঙাইগাঁও জিলাক ৰাজ্যৰ ভিতৰতে উন্নয়নৰ ক্ষেত্ৰত আগশাৰীৰ জিলালৈ ৰূপান্তৰিত কৰাৰ বাবে চৰকাৰে সকলোধৰণৰ পদক্ষেপ গ্ৰহণ কৰিব বুলিও তেওঁ উল্লেখ কৰে।

গুৰুজনাৰ একশৰণ নাম ধৰ্ম আৰু কৃষ্টি সংস্কৃতি প্ৰচাৰেৰে উত্তৰ প্ৰদেশত মথুৰা-বৃন্দাৱন মহোৎসৱ

অসম বাৰ্তা, বৰপেটা সদৰ, ৬ অক্টোবৰ ঃ শ্ৰীশ্ৰীশঙ্কৰদেৱ-মাধৱদেৱ গবেষণা আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে উত্তৰ প্ৰদেশৰ মথুৰা জিলাৰ নাউগাঁৱত জগৎগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মহাপুৰুষ শ্ৰীশ্ৰী মাধৱদেৱৰ একশৰণ নাম ধৰ্ম আৰ বৈভৱ কৃষ্টি সংস্কৃতি প্ৰচাৰ আৰু প্ৰসাৰৰ উদ্দেশ্যে মথুৰা-বন্দাবন মহোৎসৱ অনুষ্ঠিত হৈছে। এই মহোৎসৱত জগৎগুৰু শ্ৰীশ্ৰী শঙ্কৰদেৱ আৰু মাধৱদেৱৰ একশৰণ নামধৰ্মৰ গুণ-গৰিমা তথা বৈষ্ণৱ কৃষ্টি সংস্কৃতিৰ প্ৰসাৰ আৰু প্ৰচাৰৰ ব্যৱস্থা কৰা হৈছে। শ্ৰীশ্ৰী শংকৰদেৱ-মাধবদেৱ গৱেষণা আৰু বিকাশ কেন্দ্ৰৰ উদ্যোগত অনুষ্ঠিত এই অনুষ্ঠানত আজি পুৱা মথুৰাৰ নাওগাঁৱত স্থাপিত নামঘৰৰ পৰা ভাগৱত শোভাযাত্ৰা অনুষ্ঠিত হয়। ভাগৱত শোভাযাত্ৰা আনুষ্ঠানিকভাবে উদ্বোধন কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে। ভাগৱত শোভাযাত্ৰাত জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকতকে প্ৰমুখ্যে দুশজনীয়া ভকত আই মাতৃ সকলৰ লগতে স্থানীয় লোক সকলে অংশ গ্ৰহণ কৰে। ইয়াৰ পিছত নামঘৰত নাম প্ৰসংগ অনুষ্ঠিত হয়। নামঘৰ চৌহদত গছপুলি ৰোপণ কৰে বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাস আৰু সমাজকৰ্মী কুশান চৌধুৰীয়ে। দুপৰীয়া নামঘৰ প্ৰাংগনত ধৰ্মালোচনা সভা অনুষ্ঠিত হয়। অৱসৰী আয়ুক্ত সচিব থানেশ্বৰ মালাকাৰৰ সভাপতিত্বত অনুষ্ঠিত ধৰ্মালোচনা সভাত বৰপেটা সত্ৰৰ বুঢ়া সত্ৰীয়া ড° বাবুল চন্দ্ৰ দাসে মুখ্যঅতিথি হিচাপে অংশ গ্ৰহণ কৰে। সভাত জিনকাটা সত্ৰৰ সত্ৰাধিকাৰ বিচিত্ৰ নাৰায়ণ ভকত, শ্ৰীমন্ত শংকৰদেৱ-মাধবদেৱ গবেষণা আৰু বিকাশ কেন্দ্ৰৰ সভাপতি উদ্ধৱ পাঠক সাংস্কৃতিক কৰ্মী গোপাল জালান, ভকত বান্ধৱ আই মাতৃ সকলৰ লগতে স্থানীয় ৰাইজে অংশ গ্ৰহণ কৰে। সভাৰ আৰম্ভণিতে সংগীত নাটক অকাডেমী বঁটাত প্ৰাপক গুনীন্দ্ৰ নাথ ওজাই বৰগীত পৰিবেশন কৰে।

"শুদ্ধ তথ্য আৰু সত্য খবৰৰ দ্বাৰাহে যুৱসমাজে সমাজখনক সুন্দৰকৈ গঢ়িব পাৰিব" ঃ ড° প্ৰতীম শৰ্মা

নামতি প্ৰেছ ক্লাবৰ ৩৪ তম্ প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অসম বাৰ্তা, চেলেংহাট, ৬ অক্টোবৰ ঃ "আজিৰ যুৱসমাজে স্বাধীন বিচাৰ-বিবেচনাৰে, যুক্তিৰে প্ৰতিটো খবৰ বিশ্লেষণ কৰিব পাৰিলেহে গণতন্ত্ৰ শক্তিশালী হ'ব, সাংবাদিকসকলৰ এইক্ষেত্ৰত কৰণীয় যথেষ্ট আছে। শুদ্ধ তথ্য আৰু সত্য খবৰৰ দ্বাৰাহে যুৱসমাজে সমাজখনক সুন্দৰকৈ গঢ়িব পাৰিব।" শিৱসাগৰ জিলাৰ নামতি প্ৰেছ ক্লাবৰ ৩৪ তম্ প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজন কৰা "যুৱ প্ৰজন্মক তথ্যসমৃদ্ধ আৰু সচেতন কৰাত সাংবাদিকৰ ভূমিকা" শীৰ্ষক আলোচনাচক্ৰত মুখ্য আলোচক হিচাপে উপস্থিত থাকি ৩ অক্টোবৰত এইদৰে কয় শিৱসাগৰ ছোৱালী কলেজৰ অধ্যক্ষ তথা বিশিষ্ট স্তমভলেখক ড° প্ৰতীম শৰ্মাই। শিৱসাগৰ জিলাৰ দক্ষিণাঞ্চলৰ বৃহত্তৰ নামতি এলেকাৰ আগশাৰীৰ অনুষ্ঠান নামতি প্ৰেছক্লাবৰ ৩৪ তম প্ৰতিষ্ঠা দিৱস উপলক্ষে আয়োজিত আলোচনা চক্ৰখনিত অধ্যক্ষ গৰাকীয়ে যুৱপ্ৰজন্মৰ ভৱিষ্যত তথা গণতন্ত্ৰৰ সুৰক্ষাৰ বাবে আগন্তুক সময়ত চৰকাৰে মাধ্যমিক পৰ্যায়ত বিদ্যালয়সমূহত "গণ মাধ্যমৰ সাক্ষৰতা" সম্বন্ধীয় পাঠ্যক্ৰম সংযোজন কৰাৰো পোষকতা কৰে। দিনযোৱা কাৰ্যসূচীৰে নামতিৰ শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ প্ৰাঙ্গনত অনুষ্ঠিত হোৱা প্ৰতিষ্ঠা দিৱসটি আজি পুৱা পৰিৱেশ নিকাকৰণেৰে আৰম্ভ হয়। ইয়াৰ পিছতেই নামতি প্ৰেছক্লাবৰ সভাপতি ৰাতুল শৰ্মাই পতাকা উত্তোলন কৰে আৰু অনুষ্ঠানৰ সৈতে সঙ্গতি ৰাখি এটি গছপুলি ৰোপণ কৰে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যাপক পাপু কুমাৰ ঙাটেই। "নদী-নাৰী সাংস্কৃতিক গোষ্ঠী"ৰ মহিলাসকলৰ দ্বাৰা পৰিৱেশন কৰা এটি কোৰাচে আৰম্ভ হোৱা প্ৰতিষ্ঠা দিৱসৰ অন্যতম কাৰ্যসূচী আলোচনাচক্ৰখনি উদ্বোধন কৰে শ্বহীদ পিয়লি ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ, বিশিষ্ট লেখক ড° ধ্ৰুৱজ্যোতি নাথে। নামতি প্ৰেছ ক্লাবৰ সভাপতি ৰাতুল শৰ্মাই সঞ্চালনা কৰা আলোচনা চক্ৰখনিত উদ্দেশ্য ব্যাখ্যা তথা আদৰণী বক্তব্য আগবঢ়ায় নামতি প্ৰেছক্লাবৰ সম্পাদক জিয়াৰুদ্দিন আহমেদে। আলোচনা চক্ৰখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি শিৱসাগৰ বিশ্ববিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক ড° উৎপল দত্তই সত্যনিষ্ঠ আৰু বস্তুনিষ্ঠ তথ্য আধাৰিত খবৰতকৈ উত্তেজনা বৃদ্ধি কৰা খবৰেহে সমাজখনক বেছি প্ৰভাৱিত কৰে বুলি মন্তব্য আগবঢ়ায়। বহু বিশিষ্ট ব্যক্তিৰ লগতে কেইবাটাও জাতীয় সংগঠনৰ আৰু অনুষ্ঠান-প্ৰতিষ্ঠানৰ বিষয়ববীয়া উপস্থিত থকা আলোচনা চক্ৰত প্ৰায় দুই শতাধিক লোকে অংশ গ্ৰহণ কৰে। আনহাতে, বিগত বৰ্ষৰ দৰে এই বছৰো নামতি চাৰিআলি চেতিয়া গাঁৱৰ নিবাসী অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক, বিশিষ্ট সাংস্কৃতিক ও সমাজকৰ্মী, জিতেন দুৱৰা আৰু নামতি মিছাজানৰ, আদৰ্শৱান কৃষক, বিশিষ্ট সমাজিক ও ক্ৰীড়াসংগঠক হৰেন কলিতাক নামতি প্ৰেছ ক্লাবৰ তৰফৰ পৰা "কৰ্ম মহীয়ান বঁটা - ২০২৬" প্ৰদান কৰা হয়। নামতি প্ৰেছক্লাবৰ সম্পাদক জিয়াৰুদ্দিন আহমেদে শলাগ জ্ঞাপন কৰা অনুষ্ঠানটিত অসম ৰাজ্যিক প্ৰাথমিক শিক্ষক সন্মিলনীৰ প্ৰধান সম্পাদক শৈলেন্দ্ৰ কলিতা, নীলাক্ষি মেম'ৰিয়েল একাডেমীৰ অধ্যক্ষ ধৰ্মৰঞ্জন গগৈ, আমগুৰি আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া মৃদুল হাজৰিকা, নামতি বালিকা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী মৃদুস্মৃতা চুতীয়া, শিক্ষক শান্তনু দত্ত, শিক্ষক তৌফিকুদ্দিন আহমেদ, সমাজকৰ্মী খিৰোদ গগৈ, সদানন্দ গগৈ, ৰছিদ আলী, নজৰুল ইছলাম(চুবুৰ) অজয় চুতীয়া, প্ৰমুখ্যে মহাবিদ্যালয়খনৰ অধ্যাপক-অধ্যাপিকা আৰু ভালেসংখ্যক ছাত্ৰ-ছাত্ৰী, সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সদস্য ধ্ৰুৱজ্যোতি কলিতা, জ্যেষ্ঠ সাংবাদিক ফিৰোজ খান, হাফিজ আলী, ধ্ৰুৱজ্যোতি ভট্টাচাৰ্য, অনুৰাগ শইকীয়া, মদন পাকবন্ধা, মেৰেন দিহিঙিয়া, সমীৰণ দুৱৰা, দেৱবিকাশ দত্তৰ লগতে সাংবাদিক আব্দুৰ ৰহিম, চান্দাম আলী, মাচুদ আহমেদকে প্ৰমুখ্যে কৰি বহু গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

বেলশৰত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ পূৰ্ণাংগ প্ৰতিমূৰ্তি উন্মোচন

অসম বাৰ্তা, চামতা, ৬ অক্টোবৰ ঃ জুবিনৰ সৃষ্টি, কৰ্ম আৰু আদৰ্শ নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াৰ সংকল্প। অসমবাসীৰ প্ৰাণৰ শিল্পী, সংগীতৰ মহানায়ক প্ৰয়াত জুবিন গাৰ্গৰ স্মৃতি যুগমীয়া কৰাৰ উদ্দেশ্যে নলবাৰী জিলাৰ বেলশৰ বজাৰ চ'কত স্থাপন কৰা হ'ল শিল্পীগৰাকীৰ এটি পূৰ্ণাংগ প্ৰতিমূৰ্তি। সোমবাৰে সন্ধিয়া বেলশৰৰ শ্ৰীশ্ৰী বিল্বেশ্বৰ দেৱালয়ৰ বেলশৰ বজাৰ চ'ক প্ৰাংগণত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত জুবিন গাৰ্গৰ সহযোগী বাদ্যযন্ত্ৰী শিল্পী ৰাজা বৰুৱা আৰু সংগীত পৰিচালক জয়ন্ত কাকতিয়ে যৌথভাৱে প্ৰায় ৬ ফুট উচ্চতাৰ প্ৰতিমূৰ্তিটো উন্মোচন কৰে। ধূপ-ধূনা, শংখধ্বনি আৰু উৰুলিৰ মাজেৰে প্ৰতিমূৰ্তিৰ আৱৰণ আঁতৰাই জুবিন গাৰ্গৰ স্মৃতিৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। উন্মোচনী অনুষ্ঠানত অসংখ্য জুবিন অনুৰাগী, সাংস্কৃতিক কৰ্মী আৰু স্থানীয় ৰাইজৰ উপস্থিতিয়ে সমগ্ৰ পৰিৱেশ আবেগিক কৰি তোলে। প্ৰতিমূৰ্তি উন্মোচন কৰি জুবিন গাৰ্গৰ সহযোগী বাদ্যযন্ত্ৰী শিল্পী ৰাজা বৰুৱাই আৱেগিক অনুভৱ ব্যক্ত কৰাৰ লগতে জুবিন গাৰ্গৰ সৃষ্টি, কৰ্ম, আদৰ্শ আৰু চিন্তা নতুন প্ৰজন্মৰ মাজলৈ আগবঢ়াই নিয়াৰ ওপৰত গুৰুত্ব আৰোপ কৰে। উল্লেখ্য যে, ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা শেৱালি বৰ্মনৰ উদ্যোগত নলবাৰী জিলা পৰিষদৰ অধীনৰ পঞ্চদশ বিত্তীয় আয়োগৰ ২০২৪-২৫ বৰ্ষৰ আনটাইড অনুদানৰে বেলশৰৰ যুৱ মৰ্চাৰ উদ্যোগত বেলশৰ বজাৰ চ'কত স্থাপন কৰা হৈছে অসমবাসীৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ এই পূৰ্ণাংগ প্ৰতিমূৰ্তি। জুবিন গাৰ্গৰ অমৰ সৃষ্টি, সংগীত আৰু শিল্পীসত্তাৰ জৰিয়তে তেওঁ অসমবাসীৰ হৃদয়ত চিৰদিন জীয়াই থাকিব। বেলশৰত স্থাপন কৰা এই প্ৰতিমূৰ্তিয়ে জুবিন গাৰ্গৰ স্মৃতি আৰু তেওঁৰ সৃষ্টিৰাজি আগন্তুক প্ৰজন্মৰ মাজতো সজীৱ কৰি ৰখাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব বুলি আশা প্ৰকাশ কৰে উপস্থিত ৰাইজে। যুৱ সমাজকৰ্মী সীমান্ত মেনাই আঁত ধৰা প্ৰতিমূৰ্তি উন্মোচনী অনুষ্ঠানত ধৰ্মপুৰ জিলা পৰিষদৰ সদস্যা শেৱালি বৰ্মন, মধুপুৰ জিলা পৰিষদৰ সদস্য দিলীপ বৰ্মন, নলবাৰী জিলা পৰিষদৰ কাৰ্যবাহী অভিযন্তা দীপক কলিতা, অভিযন্তা মাজিদুৰ ৰহমান, দেৱব্ৰত গোস্বামী, বেলশৰ আৰক্ষী থানাৰ আৰক্ষী বিষয়া গিৰীশ দাস, জ্যেষ্ঠ সাংবাদিক অৰূপ ৰঞ্জন বৰ্মনৰ লগতে হাজাৰ হাজাৰ জুবিন অনুৰাগী আৰু স্থানীয় ৰাইজ উপস্থিত থাকে। জুবিন গাৰ্গ কেৱল এগৰাকী শিল্পী নহয়— তেওঁ আছিল অসমৰ সাংস্কৃতিক পৰিচয়ৰ এক শক্তিশালী কণ্ঠ। তেওঁৰ অমৰ সৃষ্টি আৰু সংগীতে যুগ-যুগ ধৰি অসমীয়াৰ হৃদয়ত জীয়াই থাকিব বুলি উল্লেখ কৰে উপস্থিত ৰাইজে।

সম্পাদকীয়

স্বাস্থ্যখণ্ডত অসমৰ ঐতিহাসিক সাফল্য

ৰাজ্যখনৰ স্বাস্থ্যখণ্ডই শেহতীয়াকৈ কঢ়িয়াই অনা খবৰে প্ৰতিগৰাকী অসমীয়াৰ বাবে গৌৰৱৰ বিষয় হৈ পৰিছে। কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ শেহতীয়া মূল্যায়নত অত্যাৱশ্যকীয় ঔষধৰ উপলব্ধতা আৰু সহজলভ্যতা নিশ্চিত কৰাৰ ক্ষেত্ৰত অসমে দেশৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছে। চৰকাৰী চিকিৎসালয় আৰু স্বাস্থ্য প্ৰতিষ্ঠানসমূহত ৰোগীৰ বাবে প্ৰয়োজনীয় ঔষধৰ নীৰৱচ্ছিন্ন যোগান আৰু গুণগত সেৱা নিশ্চিতকৰণৰ বাবে যি প্ৰচেষ্টা চলোৱা হৈছিল, এই পদকে তাৰেই এক স্বীকৃতি বহন কৰিছে। এই সাফল্যৰ খবৰ ৰাজহুৱা কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ৰাজ্যৰ চিকিৎসা কৰ্মীসকললৈ ধন্যবাদ জনোৱাৰ লগতে 'সুস্থ-সবল অসম' গঢ়াৰ সংকল্প পুনৰ দোহাৰিছে।

যিকোনো এটা আধুনিক আৰু কল্যাণকামী সমাজৰ বাবে সুলভ তথা মানসম্পন্ন স্বাস্থ্যসেৱা এক মৌলিক প্ৰয়োজনীয়তা। পূৰ্বতে ৰাজ্যখনৰ চৰকাৰী চিকিৎসালয়সমূহত প্ৰায়ে দৰবৰ নাটনি বা ঔষধৰ অপ্ৰাপ্তি সম্পৰ্কে বিভিন্ন অভিযোগ উত্থাপিত হৈছিল, যাৰ ফলত সাধাৰণ আৰু বিশেষকৈ আৰ্থিকভাৱে পিছপৰা শ্ৰেণীৰ লোকসকলে ব্যক্তিগত ফাৰ্মাচীৰ পৰা ক্ৰয় কৰিবলগীয়া হৈছিল। কিন্তু শেহতীয়া বছৰকেইটাত স্বাস্থ্য বিভাগৰ সংস্কাৰমূলক পদক্ষেপ, ডিজিটেল যোগান শৃংখলা ব্যৱস্থাপনা (Supply Chain Management) আৰু বিতৰণ প্ৰক্ৰিয়াত অনা স্বচ্ছতাই সমস্যাটো হ্ৰাস কৰিছে। প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ পৰা আৰম্ভ কৰি জিলা চিকিৎসালয় আৰু চিকিৎসা মহাবিদ্যালয়সমূহলৈ অত্যাৱশ্যকীয় ঔষধৰ সূচী (Essential Drugs List) সঠিকভাৱে ৰূপায়ণ কৰাৰ ফলতে অসমে আজি এই স্থান লাভ কৰিবলৈ সক্ষম হৈছে।

এই স্বীকৃতিয়ে নিশ্চিতভাৱে ৰাজ্য চৰকাৰৰ স্বাস্থ্য নীতিৰ ফলপ্ৰসূতাৰ দিশটো প্ৰতিফলিত কৰে। চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানৰ প্ৰতি সাধাৰণ ৰাইজৰ যি আস্থা হ্ৰাস পাইছিল, সেয়া পুনৰুজ্জীৱিত কৰাত এই পদক্ষেপে ডাঙৰ ভূমিকা ল'ব। চিকিৎসালয়লৈ আহি বিনামূলীয়াকৈ বা ৰেহাই মূল্যত প্ৰয়োজনীয় ঔষধ পোৱাটোৱে দৰিদ্ৰ তথা মধ্যবিত্ত পৰিয়ালসমূহক এক মহৎ আৰ্থিক সকাহ দিয়ে। চিকিৎসক, নাৰ্চ, ফাৰ্মাছিষ্ট আৰু স্বাস্থ্য বিভাগৰ প্ৰশাসনিক কৰ্মীসকলৰ আন্তৰিক আৰু নীৰৱচ্ছিন্ন সেৱাৰ ফলতেই এনে বৃহৎ সফলতা সম্ভৱ হৈ উঠিছে।

তথাপি, এই সাফল্যতে থমকি নৰৈ সামগ্ৰিক প্ৰেক্ষাপটটো বস্তুনিষ্ঠভাৱে বিশ্লেষণ কৰাটো অতি আৱশ্যক। কেন্দ্ৰীয় মন্ত্ৰালয়ৰ এই স্থান পোৱাটো যিমান গৌৰৱৰ, সিমান কৰ্তব্যৰ ধাৰাও ই বহুগুণে বঢ়াই তোলে। কেৱল দৰবৰ সহজলভ্যতাই চিকিৎসা প্ৰক্ৰিয়া সম্পূৰ্ণ নকৰে। প্ৰান্তীয় আৰু দুৰ্গম অঞ্চলসমূহৰ স্বাস্থ্য কেন্দ্ৰসমূহত পৰ্যাপ্ত সংখ্যক চিকিৎসক, বিশেষজ্ঞ আৰু প্ৰযুক্তিবিদৰ স্থায়ী উপস্থিতিও অতি জৰুৰী। বহুসময়ত উন্নত চিকিৎসা সঁজুলিৰ অভাৱ বা বিভাগীয় সমন্বয়হীনতাৰ বাবে গ্ৰাম্য এলেকাৰ ৰোগীয়ে গুৱাহাটী বা ডিব্ৰুগড়ৰ দৰে ডাঙৰ চহৰলৈ দৌৰিব হ'বলগীয়া হয়। ঔষধৰ উপলব্ধতাৰ সমান্তৰালভাৱে যদি গ্ৰামাঞ্চলৰ আন্তঃগাঁথনি আৰু বিশেষজ্ঞ চিকিৎসকৰ অনুপলব্ধতাৰ সমস্যাটো সমাধান নহয়, তেন্তে চিকিৎসা ব্যৱস্থা সম্পূৰ্ণ নিখুঁত হৈ নুঠিব।

আনহাতে, ঔষধৰ কেৱল উপলব্ধতাই শেষ কথা নহয়; ইয়াৰ গুণগত মান প্ৰতি মুহূৰ্ততে নিৰীক্ষণ কৰাটোও সমান গুৰুত্বপূৰ্ণ। চৰকাৰীভাৱে যোগান ধৰা দৰবসমূহৰ মানদণ্ড সঠিক হৈ আছেনে নাই, সেয়া নিয়মীয়াকৈ পৰীক্ষা কৰাৰ এক শক্তিশালী ক্ৰিয়া-পদ্ধতি থাকিব লাগিব। ইয়াৰ উপৰিও, যোগান শৃংখলাত যাতে কোনো কাৰণতে কোনো মধ্যভোগী বা দুৰ্নীতিয়ে ঠাই নাপায়, তাৰ প্ৰতি তীক্ষ্ণ নজৰ ৰখা প্ৰয়োজন। সমগ্ৰ ভাৰতৰ ভিতৰত দ্বিতীয় স্থান লাভ কৰাটো নিশ্চিতভাৱে অসমৰ চিকিৎসা খণ্ডৰ এক ঐতিহাসিক মাইলৰ খুঁটি। ইয়াৰ বাবে ৰাজ্য চৰকাৰ আৰু বিশেষকৈ প্ৰত্যক্ষভাৱে জড়িত সকলো স্বাস্থ্যকৰ্মী প্ৰশংসাৰ পাত্ৰ। কিন্তু এই বঁটা বা স্বীকৃতি এক অন্তিম লক্ষ্য হ'ব নোৱাৰে; বৰঞ্চ ই এক ধাৰাবাহিক প্ৰক্ৰিয়াহে। কেন্দ্ৰীয় স্বীকৃতিৰ এই গতি বজাই ৰাখি সমস্যা থকা অংশসমূহ শুধৰাই ল'ব পাৰিলেহে মুখ্যমন্ত্ৰীয়ে ব্যক্ত কৰা 'সুস্থ-সবল অসম'ৰ সপোন সম্পূৰ্ণ অৰ্থত বাস্তৱায়িত হৈ উঠিব।



পৰম্পৰা, বিশ্বাস, সামাজিক আৰু আধ্যাত্মিক তাৎপৰ্য

দুৰ্গাপূজাৰ প্ৰতিমাত বেশ্যাৰ দ্বাৰৰ মাটি

পৰম্পৰাগত বিশ্বাস অনুসৰি পতিতাৰ হাতেৰেই উপহাৰ, আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিব লাগে প্ৰতিমা নিৰ্মাণৰ এই মাটি। জোৰ কৰি কোনেও এই মাটি গ্ৰহণ কৰিব নোৱাৰে অন্যথা এই মাটিৰ কোনো মূল্য নাথাকে। স্বাভাৱিকতে যিদৰে পতিতালয়ক মানুহে 'অশুদ্ধ' বুলি গণ্য কৰে অনুৰূপ পতিতালয়ত থকা মহিলা সকলকো 'অশুচি' বুলি গণ্য কৰে। তৎস্বত্বেও দেৱী আদ্যাশক্তিৰ মাটিৰ মূৰ্তি তৈয়াৰ কৰিবলৈ 'অশুচি' পতিতালয়ৰ মাটিৰ প্ৰয়োজন কিয়? প্ৰতিমা নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা বেশ্যা দ্বাৰৰ মাটিক পৱিত্ৰ গণ্য কৰা হয় কিয়? মূৰ্তিত প্ৰথম পৰশ দিবৰ বাবে কিয় ব্যৱহাৰ কৰা হয় এই বিশেষ মাটি? এই সম্পৰ্কত কিছু পৌৰাণিক, কিছু সামাজিক আৰু কিছু আধ্যাত্মিক দিশ জড়িত হৈ আছে। পৌৰাণিক আৰু লোক কাহিনী অনুসৰি এগৰাকী পতিতা দুৰ্গাদেৱীৰ পৰম ভক্ত আছিল। পতিতা হোৱাৰ বাবে তেওঁ সমাজৰ অৱমাননাৰ সন্মুখীন হ'ব লগা হৈছিল। দেৱী দুৰ্গাই তেওঁক এটা আশীৰ্বাদ দিছিল যে যেতিয়ালৈকে দুৰ্গা মূৰ্তিটো পতিতালয়ৰ মাটিৰ পৰা তৈয়াৰ কৰা নহয় তেতিয়ালৈকে উপাসনাৰ বাবে দেৱীমূৰ্তি পূৰ্ণ আৰু সফল বুলি গণ্য কৰা নহ'ব আৰু দুৰ্গা পূজা আধৰুৱা হ'ব।

দিলীপ কুমাৰ ৰয়

ৰথযাত্ৰাৰ সময়ৰে পৰাই দুৰ্গাপূজাৰ সামগ্ৰিক প্ৰস্তুতিৰ পৰিকল্পনা যেনে পূজা পৰিচালনা সমিতি গঠন কৰা, ৰচিদ বহী ছপোৱা, চান্দা সংগ্ৰহ কৰা আদিৰ লগতে পুৰোহিত, মৃণ্ময় শিল্পী, ঢুলীয়া পাৰ্টী, ওজাপালি, যাত্ৰাদল, বোমা-বাৰুদ, ৰভা-মঞ্চ আদি বন্দবস্ত কৰাকে ধৰি যাৱতীয় সকলো কামৰ প্ৰস্তুতি আৰম্ভ হয় যদিও নিয়মমতে ৰথযাত্ৰাৰ পাছতহে প্ৰতিমা নিৰ্মাণৰ কাম আৰম্ভ কৰিব লাগে। প্ৰতিমা নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা মাটি যথেষ্ট পবিত্ৰ হ'ব লাগে। সেই কাৰণে দেৱী দুৰ্গাৰ মূৰ্তিত প্ৰথম পৰশ দিবৰ বাবে ব্যৱহাৰ কৰা হয় বিশেষ মাটি। হিন্দু ৰীতি-নীতি অথবা সমাজত প্ৰচলিত বিশ্বাস অনুসৰি দুৰ্গা মূৰ্ত্তি নিৰ্মাণৰ বাবে চাৰিটা বিশেষ স্থানৰ পৰা মাটি সংগ্ৰহ কৰিব লাগে। সেই চাৰি স্থানৰ মাটি হ'ল - গংগা পাৰৰ মাটি, কোনো মন্দিৰ বা পৱিত্ৰ স্থানৰ মাটি, ঘৰৰ চোতালৰ মাটি আৰু পতিতালয়ৰ দুৱাৰৰ মাটি। ইয়াৰ লগতে গৰুৰ গোবৰ আৰু গো-মূত্ৰ ব্যৱহাৰ কৰাটো নিতান্তই জৰুৰী। অন্যথা মূৰ্তি নিৰ্মাণ অসম্পূৰ্ণ হয়। পৰম্পৰাগত বিশ্বাস অনুসৰি পতিতাৰ হাতেৰেই উপহাৰ, আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিব লাগে প্ৰতিমা নিৰ্মাণৰ মাটি। এই মাটি পুৰোহিতসকলে উল্লিখিত ঠাইসমূহলৈ গৈ নিজে গ্ৰহণ কৰি আনিব লাগে। পূৰ্বতে এই পৱিত্ৰ হিচাপে গণ্য কৰা মাটি পুৰোহিতসকলে নিজেই গ্ৰহণ কৰিছিল যদিও বৰ্তমান মৃণ্ময় শিল্পীসকলেহে গ্ৰহণ কৰে এই মাটি।

এনে কথা জনাৰ পাছত প্ৰশ্ন উত্থাপিত হয় যে যিহেতু পতিতা বৃত্তিক অশুদ্ধ বুলি গণ্য কৰা হয়, কিন্তু দুৰ্গা মূৰ্তিটোত পতিতালয়ৰ দুৱাৰৰ মাটি কিয় প্ৰয়োজন হয়। পৰম্পৰাগত বিশ্বাস অনুসৰি পতিতাৰ হাতেৰেই উপহাৰ, আশীৰ্বাদ হিচাপে গ্ৰহণ কৰিব লাগে প্ৰতিমা নিৰ্মাণৰ এই মাটি। জোৰ কৰি কোনেও এই মাটি গ্ৰহণ কৰিব নোৱাৰে অন্যথা এই মাটিৰ কোনো মূল্য নাথাকে। স্বাভাৱিকতে যিদৰে পতিতালয়ক মানুহে 'অশুদ্ধ' বুলি গণ্য কৰে অনুৰূপ পতিতালয়ত থকা মহিলাসকলকো 'অশুচি' বুলি গণ্য কৰে। তৎস্বত্বেও দেৱী আদ্যাশক্তিৰ মাটিৰ মূৰ্তি তৈয়াৰ কৰিবলৈ 'অশুচি' পতিতালয়ৰ মাটিৰ প্ৰয়োজন কিয়? প্ৰতিমা নিৰ্মাণৰ বাবে ব্যৱহাৰ কৰা বেশ্যা দ্বাৰৰ মাটিক পবিত্ৰ গণ্য কৰা হয় কিয়? মূৰ্তিত প্ৰথম পৰশ দিবৰ বাবে কিয় ব্যৱহাৰ কৰা হয় এই বিশেষ মাটি? এই সম্পৰ্কত কিছু পৌৰাণিক, কিছু সামাজিক আৰু কিছু আধ্যাত্মিক দিশ জড়িত হৈ আছে। পৌৰাণিক আৰু লোক কাহিনী অনুসৰি এগৰাকী পতিতা দুৰ্গাদেৱীৰ পৰম ভক্ত আছিল। পতিতা হোৱাৰ বাবে তেওঁ সমাজৰ অৱমাননাৰ সন্মুখীন হ'ব লগা হৈছিল। দেৱী দুৰ্গাই তেওঁক এটা আশীৰ্বাদ দিছিল যে যেতিয়ালৈকে দুৰ্গা মূৰ্তিটো পতিতালয়ৰ মাটিৰ পৰা তৈয়াৰ কৰা নহয় তেতিয়ালৈকে উপাসনাৰ বাবে দেৱীমূৰ্তি পূৰ্ণ আৰু সফল বুলি গণ্য কৰা নহ'ব আৰু দুৰ্গা পূজা আধৰুৱা হ'ব। আন এক পৌৰাণিক কাহিনী অনুসৰি এসময়ত বিশ্বামিত্ৰ মুনিয়ে জ্ঞান লাভৰ আশাত কঠোৰ তপস্যা কৰিছিল আৰু সেয়ে ইন্দ্ৰ দেৱতাই এই কথাত ভয় খাই সৰগৰ অপেশ্বৰী মেনকাক ধ্যান ভংগ কৰিবলৈ ঋষিৰ ওচৰলৈ পঠিয়াই দিছিল। ঋষিৰ ধ্যান ভংগ কৰাটো সহজ কাম নহয়। কিন্তু যি কাম নিজে দেৱৰাজে কৰিব নোৱাৰিলে, সেই কাম মেনকাই সম্পন্ন কৰিলে। ইয়াৰ পাছৰ পৰা দেৱৰাজ ইন্দ্ৰই মৰ্তত অপ্সৰাসকলক এই পূজাৰ ভাগ পাব বুলি বৰ দিয়ে আৰু তেতিয়াৰে পৰা অপ্সৰাসকলে দুৰ্গা পূজাৰ সময়ত সকলোৰে সন্মান পোৱাৰ ব্যৱস্থা চলি আহিছে। আন এক লোককথা অনুসৰি এসময়ত কিছুমান পতিতাই গংগাত স্নান কৰি আছিল। সাধু ৰূপধাৰী শিৱক পতিতাসকলে স্নান সহায় কৰিছিল। এনে সহায়ৰ বাবে সন্তুষ্ট হৈ শিৱই তেওঁলোকক আশীৰ্বাদ দিয়ে যে প্ৰতি বছৰে তেওঁলোকৰ চোতালৰ মাটি দুৰ্গা মূৰ্তি নিৰ্মাণত ব্যৱহাৰ কৰা হ'ব। অন্যথা দুৰ্গা পূজা সফল বুলি গণ্য কৰা নহ'ব আৰু তেতিয়াৰ পৰাই এই পৰম্পৰা চলি আহিছে। সেই কাৰণে কোৱা হয় যে এনেবোৰ কাৰণত দুৰ্গাপূজাত পতিতালয়ৰ চোতালৰ মাটিৰ যথেষ্ট মহত্ত্ব আছে।

পৌৰাণিক ব্যাখ্যা অনুসৰি দেৱী দুৰ্গাৰ দৃষ্টিত সকলো সমান। কিন্তু দেহোপজীৱিনীসকল দেৱীৰ দৃষ্টিত বেছি সন্মানীয়। শাস্ত্ৰীয় বিশ্বাস অনুসৰি, যেতিয়া কোনো পুৰুষে বেশ্যালয়লৈ যায়, তেতিয়া তেওঁ নিজৰ আৰ্জিত-পুণ্য আৰু নৈতিকতা বাহিৰতে এৰি ভিতৰলৈ প্ৰৱেশ কৰে। সেই বাধ্য-বাধকতা আৰু পাপৰ ঠাইত বাহিৰৰ মাটিয়ে মানুহৰ এৰি অহা পুণ্য বা সংগ্ৰহ কৰে বুলি বিশ্বাস কৰা হয়। সেয়েহে এই মাটিক 'পুণ্য মাটি' বুলি গণ্য কৰা হয়। গতিকে পতিতালয়ৰ সেই 'বিশুদ্ধ' মাটি অবিহনে দেৱীৰ মূৰ্তি আধৰুৱা। যিসকল সমাজৰ দৃষ্টিত নিম্ন, যিসকলক বছৰজুৰি অশুদ্ধ জ্ঞান কৰা হয়, তেওঁলোকক দেৱী বন্দনাৰ সময়ত সাধাৰণ মানুহে পূজা কৰে। কিন্তু কাৰণ যিয়েই নহওক, বেশ্যালয়ৰ 'অশুচি নাৰী'ৰ মাটিৰে দেৱীৰ মূৰ্তি তৈয়াৰ কৰা হয়। পুৰাণৰ মতে দেৱতাতকৈ 'বেশ্যা' অধিক শক্তিশালী। এই প্ৰথাই সমাজৰ দ্বাৰা হেয় প্ৰতিপন্ন বা উপক্ষিত লোকসকলকো দেৱীৰ আৰাধনাৰ লগত প্ৰতীকিভাৱে সংযোগ কৰাটো বুজায়। শাস্ত্ৰত বৰ্ণিত নৱকন্যাৰ (যিসকলৰ মাজত গণিকাও অন্তৰ্ভুক্ত) পূজা অবিহনে দেৱীৰ পূজা সম্পূৰ্ণ নহয় বুলিও ধৰা হয়। দুৰ্গা দেৱীক ৯টা ৰূপত পূজা কৰা হয়। দেৱীৰ এই নৱম ৰূপটো পতিতাৰ প্ৰতিনিধি। অষ্টকন্যা পূজাৰ পিছত দেৱীৰ এই নৱম ৰূপটোক পূজা কৰা হয়। এই নটা ৰূপ হৈছে নৰ্তকী (নাচ কৰা মহিলা), কপালিনী (শ্মশান বা তান্ত্ৰিক পদ্ধতিৰ সৈতে জড়িত মহিলা), ধোপানী (ধোবা মহিলা), নাপিতানী (নাপিতৰ পত্নী), ব্ৰাহ্মণী (ব্ৰাহ্মণৰ পত্নী), শূদ্ৰাণী (শুদ্ৰ জাতিৰ মহিলা), গোৱালীনী (গোৱালিনী, গৰু ম'হ পালন কৰা মহিলা), মালিনী (মালিৰ পত্নী, ফুল বিক্ৰেতা আৰু পতিতা বা বেশ্যা (দেহোপজীৱিনী)। সমাজৰ দৃষ্টিত যিহেতু এই ৰূপবোৰক 'অস্পৃশ্য' বা 'হীন' বুলি গণ্য কৰা হয় সেয়েহে দেৱী পূজাৰ সময়ত এওঁলোকক দেৱীৰ স্বৰূপ হিচাপে পূজা কৰা হয়। শাক্ত তান্ত্ৰিক পদ্ধতিত সমাজৰ দ্বাৰা তিৰস্কৃতক দেৱীৰ ৰূপ হিচাপে পূজা কৰাৰ পৰম্পৰা আছে। যিসকল সমাজৰ দৃষ্টিত নিম্ন, যিসকলক বছৰজুৰি অশুদ্ধ জ্ঞান কৰা হয়, তেওঁলোকক দেৱী বন্দনাৰ সময়ত সাধাৰণ মানুহে পূজা কৰি সন্মান জনাব লাগে। এই মাটি নাৰীৰ শক্তিৰ প্ৰতীক বুলিও গণ্য কৰা হয়। সেয়েহে বেশ্যা ঘৰৰ পৰা মাটি ব্যৱহাৰ কৰাটোৱে সমাজৰ দ্বাৰা অৱহেলিত একাংশ মহিলাক শ্ৰদ্ধা আৰু সন্মান কৰাটোকে বুজায় সমাজবিজ্ঞানৰ দৃষ্টিকোণৰ পৰা প্ৰতিগৰাকী নাৰী এগৰাকী মাতৃৰ সমান। পুৰুষে নাৰীক বেশ্যালৈ ৰূপান্তৰিত কৰে। নাৰী কেতিয়াও অশুদ্ধ নহয়। কিয়নো, বেশ্যাৰ ঘৰৰ ভিতৰলৈ যোৱা ব্যক্তিয়ে, দুৱাৰৰ বাহিৰত নিজৰ গুণ এৰি দিয়ে। পুৰুষে পতিতালয়লৈ গৈ তাত নিজৰ জীৱনৰ সঞ্চিত সকলো গুণ হেৰুৱাই থৈ আহে আৰু তাৰ পৰিৱৰ্তে পতিতালয়ৰ পৰা বুটলি আনে পাপ। সেয়েহে পতিতালয়ৰ দুৱাৰ মুখৰ মাটি বহু গুণেৰে ভৰপূৰ।

যেতিয়া পুৰোহিতসকলে এই মাটি সংগ্ৰহ কৰিবলৈ বেশ্যাৰ ঘৰলৈ যায় তেতিয়া তেওঁলোকে মাটি ল'বলৈ অনুমতি বিচাৰিব লাগে। তেতিয়াহে যৌনকৰ্মীসকলে তেওঁলোকক এই মাটি ল'বলৈ অনুমতি দিয়ে। অৰ্থাৎ সামাজিক দৃষ্টিকোণৰ পৰা বছৰটোৰ ভিতৰত মানুহে অসন্মানেৰে চোৱা যৌনকৰ্মীসকলক বছৰত এবাৰ সন্মান জনাইহে শক্তি পূজাৰ উৎসৱ পালন কৰিব পাৰি। এই বাৰ্তাই ঈশ্বৰে তেওঁলোকক নাৰী শক্তি হিচাপে সমান মৰ্যাদা দিছে। সাধাৰণতে বেশ্যাসকলক যিহেতু সমাজত বক্ৰদৃষ্টিৰে চোৱা হয় সেয়েহে বেশ্যাৰ ঘৰৰ বাহিৰৰ মাটি ব্যৱহাৰ কৰি তেওঁলোককো সমাজৰ এটা বিশেষ অংশ হিচাপে অন্তৰ্ভুক্ত কৰা হয়। বিশ্বাস অনুসৰি যৌনকৰ্মীসকলক এটা সময়ত শিল্পী হিচাপে ব্যৱহাৰ কৰা হৈছিল আৰু সেই শিল্পৰ জৰিয়তে তেওঁলোকে এচাম লোকক শুশ্ৰূষা কৰিছিল। সেয়েহে তেওঁলোকৰ এই কৰ্মক সন্মান জনাই সমাজৰ অংশ হিচাপে বিবেচনা কৰা হয়। দৰাচলতে এই প্ৰক্ৰিয়াৰ দ্বাৰা বেশ্যাসকলক পাপ মুক্ত কৰা হয় বুলিও কোৱা হয়। কিয়নো এই মাটি গ্ৰহণ কৰাৰ সময়ত পুৰোহিতসকলে এটা মন্ত্ৰোচাৰণ কৰিব লাগে যি মন্ত্ৰই তেওঁলোকক পাপ মুক্ত কৰে বুলি জনবিশ্বাস আছে।

প্ৰাচীন ধৰ্ম গ্ৰন্থৰ পণ্ডিত তথা যাদৱপুৰ বিশ্ববিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যাপক নৃসিংহপ্ৰসাদ ভাদুড়ীৰ মতেও ইয়াৰ সামাজিক দিশটো হ'ল সমাজৰ প্ৰতিটো শ্ৰেণীক পূজা-পাতলত স্থান দিয়াহে। সামাজিক দৃষ্টিকোণৰ পৰা বছৰটোৰ ভিতৰত মানুহে অসন্মানেৰে চোৱা দেহোপজীৱিনীসকলক সন্মান জনাইহে বছৰত এবাৰ শক্তি পূজাৰ উৎসৱ পালন কৰিব পাৰে। এই বাৰ্তাই ইয়াকে পতীয়মান কৰিছে যে ঈশ্বৰে তেওঁলোকক নাৰী শক্তি হিচাপে সমান মৰ্যাদা দিছে। কিন্তু যিসকল দেহোপজীৱিনীৰ পৰা এই মাটি লোৱা হয়, তেওঁলোকক প্ৰায়ে পূজা মণ্ডপতো প্ৰৱেশ কৰিবলৈ দিয়া নহয়। উল্লেখ্য যে কলকাতাৰ সোণাগাচি এছিয়াৰ সৰ্ববৃহৎ পতিতালয়ৰ এলেকা। ইয়াৰ পতিতাসকলে প্ৰতি বছৰে মৃৎশিল্পীসকলক মাটি দিয়ে, কিন্তু পূজাৰ মূলস্থলীৰ পৰা তেওঁলোকক দূৰত ৰখা হয়। এনে হোৱাৰ ফলত দেৱীয়ে ধনী আৰু দুখীয়া, শুদ্ধ আৰু অশুদ্ধৰ মাজত বৈষম্য নকৰে বুলি যি দিশেৰে বেশ্যাৰ দুৱাৰৰ মাটি প্ৰতিমা নিৰ্মাণ কৰাৰ বাবে জৰুৰী কৰিলে তাৰ অৰ্থৰ কোনো মূল্য নাথাকিল। কিন্তু দুৰ্গা দেৱীয়ে ইয়াকে বুজাইছে যে দেৱী সকলোৰে মাজত আছে, লাগিলে সমাজৰ দ্বাৰা গ্ৰহণযোগ্য বা উপেক্ষিত যিয়েই নহওক। আচলতে এই প্ৰথাই কোনো ব্যক্তিক 'পৱিত্ৰ" বা 'অপৱিত্ৰ' হ'ব পাৰে বুলি ধাৰণাটোক প্ৰত্যাহ্বান জনায়। ই সমাজখনত সমন্বয় আৰু সমতাৰ বাৰ্তা প্ৰদান কৰে। পুৰোহিতেই হওক বা মৃৎশিল্পীয়ে হওক যেতিয়া পতিতালয়ৰ পৰা মাটি আনে, এই কথাই আমাক সোঁৱৰাই দিয়ে যে দুৰ্গা পূজা সকলোৰে বাবে বৰঞ্চ সেই সকল লোকৰ বাবেও যাক আমি পাহৰি যাওঁ।

মায়াবিনী আৰু জুবিন গাৰ্গ

কবিতা নাথ

সংগীত কেৱল কেইটামান সুৰ আৰু শব্দৰ সমষ্টি নহয়, ই এখন সমাজৰ স্পন্দন, এটা জাতিৰ সামূহিক স্মৃতি আৰু মানৱীয় আৱেগৰ আটাইতকৈ নিভাঁজ প্ৰতিফলন। অসমৰ আধুনিক সাংস্কৃতিক প্ৰেক্ষাপটত এই সংজ্ঞাক যিগৰাকী শিল্পীয়ে নিজৰ জীৱন আৰু সৃষ্টিৰ জৰিয়তে সৰ্বোচ্চ পৰ্যায়লৈ লৈ গৈছে, তেওঁ হৈছে জুবিন গাৰ্গ। অসমৰ আকাশ-বতাহ, লুইতৰ বিশাল বুকু আৰু সেউজীয়া পাহাৰৰ ভাঁজত তেওঁৰ কণ্ঠ এনেদৰে মিলি আছে যে জুবিন গাৰ্গ আৰু অসমীয়া জাতিৰ আৱেগ- এই দুটা ধাৰণাক বৰ্তমান সময়ত পৃথককৈ চোৱাটো প্ৰায় অসম্ভৱ। এটা জাতিৰ কলা-কৃষ্টি আৰু সমাজ জীৱনক এগৰাকী শিল্পীয়ে কিদৰে প্ৰভাৱিত কৰিব পাৰে, তাৰ এক উৎকৃষ্ট আৰু জীৱন্ত উদাহৰণ হৈছে জুবিন গাৰ্গ আৰু তেওঁৰ কালজয়ী সৃষ্টি 'মায়াবিনী ৰাতিৰ বুকুত'। এই গীতটো কেৱল এটি জনপ্ৰিয় আধুনিক গীতেই নহয়, ই হৈছে অসমীয়া সমাজৰ এক বিশেষ সময়ৰ মানসিক উত্তৰণৰ জীৱন্ত দলিল।

নৱৈৰ দশকৰ আৰম্ভণিৰ সময়ছোৱা অসমৰ ৰাজনৈতিক আৰু সামাজিক ইতিহাসত এক অত্যন্ত জটিল আৰু অস্থিৰ সময় আছিল। চাৰিওফালে হত্যা, হিংসা আৰু অনিশ্চয়তাৰ মাজত অসমৰ যুৱপ্ৰজন্মই ক্ৰমান্বয়ে এক গভীৰ হতাশা আৰু দিশহাৰা অৱস্থাত পতিত হৈছিল। ঠিক তেনে এক সময়তে, ১৯৯২ চনত 'অনামিকা' এলবামৰ জৰিয়তে অসমৰ আকাশত ভুমুকি মাৰিছিল জুবিন গাৰ্গ নামৰ ধুমুহাজাকে। সেই এলবামৰে এটি নিৰ্দিষ্ট গীত 'মায়াবিনী ৰাতিৰ বুকুত'ই সমগ্ৰ অসমৰ সংগীতাগ্ৰহী ৰাইজক এক নতুন আৱেগিক আশ্ৰয় প্ৰদান কৰিলে। গীতটোৰ কথা আৰু সুৰত প্ৰকৃতিৰ যি এক নিভাঁজ ৰূপ প্ৰতিফলিত হৈছিল, সিয়ে যুদ্ধদীৰ্ণ আৰু হতাশাগ্ৰস্ত নৱপ্ৰজন্মৰ মনলৈ কঢ়িয়াই আনিছিল এক অনামী প্ৰশান্তি। নিশাৰ ৰহস্যময়তা, তৰাৰ জিকমিকনি আৰু মানৱীয় প্ৰেমৰ গভীৰ আকুলতাক প্ৰকৃতিৰ বিশাল কেনভাছত তুলি ধৰাৰ যি অসাধাৰণ শৈলী জুবিন গাৰ্গে প্ৰদৰ্শন কৰিলে, সেয়া অসমীয়া সংগীতত পূৰ্বতে আছিল বিৰল। এইখিনিতেই জুবিন গাৰ্গৰ সৃষ্টিৰাজিৰ এক অতি গুৰুত্বপূৰ্ণ দিশ পোহৰলৈ আহে— সেয়া হৈছে প্ৰকৃতি আৰু সংগীতৰ এক অপূৰ্ব আৰু গভীৰ সংযোগ। অসমৰ ভৌগোলিক বৈচিত্ৰ্য আৰু প্ৰাকৃতিক সৌন্দৰ্য সদায়েই আমাৰ লোক-সংস্কৃতিৰ আধাৰ হৈ আহিছে। 'মায়াবিনী' গীতটো শুনিলে আজিও এনে অনুভৱ হয় যেন গীতটোৰ প্ৰতিটো স্তৱকত অসমৰ কোনোবা এখন নিস্তব্ধ অৰণ্যৰ ৰহস্য, অথবা শৰতৰ শেৱালি সৰা ৰাতিৰ স্নিগ্ধতা সোমাই আছে। এই গীতটোৱে আধুনিক ৰোমান্টিক গীতৰ ধাৰাটোক কেৱল প্ৰেমৰ মাজতেই সীমাবদ্ধ নাৰাখি প্ৰকৃতিৰ সৈতে একাত্ম হ'বলৈ শিকালে। বৰষুণৰ উন্মাদনা, ফাগুনৰ বা বলা দুপৰীয়া আৰু জোনাক ৰাতিৰ নান্দনিকতাক আধুনিক যুৱপ্ৰজন্মৰ আৱেগৰ সৈতে সংযোগ কৰাত জুবিন গাৰ্গৰ ভূমিকা অদ্বিতীয়। অসমীয়া জাতিৰ আৱেগ বা 'জাতীয় আৱেগ'ৰ সৈতে জুবিন গাৰ্গৰ সম্পৰ্ক কেৱল ৰেকৰ্ডিং ষ্টুডিঅ' বা বিহু মঞ্চতেই আৱদ্ধ নহয়। সাম্প্ৰতিক সময়ৰ বিভিন্ন ঘটনাক্ৰম আৰু সংবাদ মাধ্যমত প্ৰকাশিত বাতৰিসমূহে প্ৰমাণ কৰে যে তেওঁ কেৱল এজন গায়ক নহয়, বৰঞ্চ তেওঁ অসমীয়া মানুহৰ সুখ-দুখৰ চিৰলগৰীয়া এক মানৱদৰদী সত্তা। বানপানীৰ বিভীষিকাই হওক, ৰাজনৈতিক সংকটৰ সময়তেই হওক বা সমাজৰ কোনো দুৰ্নীতিৰ বিৰুদ্ধে মাত মতাৰ ক্ষেত্ৰতেই হওক, জুবিন গাৰ্গ সদায় জনতাৰ শাৰীত প্ৰথমজন ব্যক্তি হিচাপে থিয় দি আহিছে। তেওঁৰ এই বিদ্ৰোহী অথচ দৰদী মানসিকতাৰ বাবেই অসমৰ ৰাইজে তেওঁৰ সকলো মানৱীয় ভুল-ভ্ৰান্তি লুকুৱাই ৰাখি তেওঁক নিজৰ ঘৰৰ ল'ৰাৰ দৰে আঁকোৱালি লৈছে। কাৰ্বি পাহাৰৰ পৰা আৰম্ভ কৰি চাহ জনজাতিৰ সমাজলৈকে, ব্ৰহ্মপুত্ৰৰ পৰা বৰাকলৈকে সকলোৰে সুৰক তেওঁ যিদৰে সন্মান জনাই মূলসুঁতিলৈ লৈ আহিছে, সিয়ে অসমৰ বিভিন্ন জাতি-জনগোষ্ঠীৰ মাজত একতাৰ এক সুদৃঢ় সাঁকো গঢ়ি তুলিছে। যিকোনো সৃষ্টিৰ প্ৰকৃত মূল্যায়ণ হয় সময়ৰ প্ৰেক্ষাপটত। 'মায়াবিনী' গীতটো মুকলি হোৱাৰ আজি তিনিটাতকৈও অধিক দশক অতিক্ৰম কৰাৰ পিছতো ২০২৬ চনৰ ডিজিটেল যুগত ইয়াৰ জনপ্ৰিয়তা তিলমানো কমা নাই। যিটো প্ৰজন্মই কেছেট প্লেয়াৰত 'অনামিকা' শুনিছিল, সেই একেটা প্ৰজন্মৰ সন্তানে আজি স্পটিফাই বা ইউটিউবত 'মায়াবিনী' শুনি নিজৰ আৱেগক আৱিষ্কাৰ কৰিছে। বৰ্তমান সময়তো যেতিয়া কোনো এখন মুকলি বিহু মঞ্চত বা লাইভ কনচাৰ্টত জুবিন গাৰ্গে "মায়াবিনী ৰাতিৰ বুকুত..." বুলি গানটো আৰম্ভ কৰে, তেতিয়া হাজাৰ হাজাৰ দৰ্শকে নিজৰ ম'বাইলৰ লাইট জ্বলাই একেলগে গীতটো গাবলৈ ধৰে।

জুবিন গাৰ্গ আৰু তেওঁৰ 'মায়াবিনী' কেৱল এক সাংগীতিক ইতিহাস নহয়, ই অসমীয়া জাতিৰ মানৱীয় চেতনাৰ এক অবিচ্ছেদ্য অংশ। বিশ্বায়নৰ ধামখুমীয়াত যেতিয়া অসমীয়া সংস্কৃতি আৰু ভাষাই বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে, তেতিয়া জুবিন গাৰ্গৰ দৰে শিল্পীৰ সৃষ্টিৰাজিয়ে নতুন প্ৰজন্মক নিজৰ শিপাৰ সৈতে বান্ধি ৰখাৰ এক গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰিছে। প্ৰকৃতিৰ অনাবিল সৌন্দৰ্য আৰু মানৱীয় আৱেগক সংমিশ্ৰণ ঘটাই তেওঁ যি সাংগীতিক আৰু সামাজিক দৰ্শন আমাৰ আগত দাঙি ধৰিছে, সেয়া চিৰকাল অম্লান হৈ ৰ'ব। যিমান দিনলৈকে লুইতৰ বুকুৰে পানী বৈ থাকিব, সিমান দিনলৈকে অসমৰ আকাশত 'মায়াবিনী'ৰ সুৰ প্ৰতিধ্বনিত হৈ থাকিব আৰু জুবিন গাৰ্গ নামৰ এই বিশাল প্ৰতিষ্ঠানটো অসমীয়াৰ হৃদয়ত অমৰ হৈ ৰ'ব।

এক দেশ এক নিৰ্বাচন, উপ-নিৰ্বাচন আৰু জনতা

কমলেশ কাঞ্চন

গণতান্ত্ৰিক শাসন ব্যৱস্থাত নিৰ্বাচন এক অতি গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। নিৰ্বাচন অবিহনে সুস্থ গণতন্ত্ৰৰ কথা কল্পনা কৰিব নোৱাৰি। কিন্তু সাম্প্ৰতিক সময়ত যি ধৰণে নিৰ্বাচন অনুষ্ঠিত হ'বলৈ লৈছে তাকে দেখি সমাজৰ সচেতন ব্যক্তি সকল চিন্তিত হ'বলৈ বাধ্য হৈ পৰিছে। নিয়মিত অন্তৰালত লোকসভা, ৰাজ্যসভা, বিধানসভা, পঞ্চায়ত, পৌৰনিগম, পৌৰসভা, পৰিষদীয় আদি নিৰ্বাচন অনুষ্ঠিত হৈ থকাৰ বাবে খৰচৰ লগতে উন্নয়নত বাধাৰ সৃষ্টি হৈছে। সুস্থ আৰু নিকা নিৰ্বাচনে গণতান্ত্ৰিক শাসন ব্যৱস্থা শক্তিশালী কৰে যদিও বাৰে-বাৰে নিৰ্বাচিত প্ৰতিনিধিয়ে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি থকাটো কেতিয়াও শুদ্ধ বুলি ক'ব নোৱাৰি। সম্প্ৰতি ভাৰতবৰ্ষত এজন ব্যক্তিয়ে কেতিয়াবা যদি লোকসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি জয়লাভ হৈ সাংসদ হৈছে, পদত্যাগ নকৰাকৈয়ে কেতিয়াবা আকৌ বিধানসভা নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰি বিধায়ক হৈছে। বিধায়ক হোৱাৰ পিছত সাংসদ পদ পদত্যাগ কৰিবলগীয়া হৈছে আৰু লোকসভাৰ সাংসদ পদৰ বাবে পুনৰ উপ-নিৰ্বাচন অনুষ্ঠিত হৈছে। একেই কথা ৰাজ্যসভা-বিধানসভা নিৰ্বাচনটো হোৱা দেখিবলৈ পোৱা গৈছে। অসমৰ বিগত বিধানসভা নিৰ্বাচনৰ ঠিক আগে আগে নগাঁও লোকসভা সমষ্টিৰ সাংসদ প্ৰদ্যুৎ বৰদলৈ ডাঙৰীয়াই কংগ্ৰেছ এৰি বিজেপি দলত যোগ দিয়ে আৰু দিছপুৰ বিধানসভা সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰি বিধায়ক নিৰ্বাচিত হয়। বিধায়ক হোৱাৰ পিছত তেওঁ সাংসদ পদৰ পৰা পদত্যাগ কৰে আৰু নিৰ্বাচন আয়োগে নিৰ্বাচন অনুষ্ঠিত কৰাৰ বাবে যাৱতীয় ব্যৱস্থা হাতত ল'বলগীয়া হয়। এইমাহৰ ৬ তাৰিখে উপ-নিৰ্বাচন অনুষ্ঠিত হয়। বিভিন্ন মাধ্যমত হোৱা আলোচনা অনুসৰি নিৰ্বাচনত মূল প্ৰতিদ্বন্দ্বিতা হৈছে বিজেপি, কংগ্ৰেছ আৰু এআইইউডিএফৰ মাজত। যদি এই নিৰ্বাচনত ৬২ নং বিন্নাকান্দি সমষ্টিৰ বিধায়ক মৌলানা বদৰুদ্দিন আজমল চাহাব বিজয়ী হয়, তেতিয়াহ'লে আৰু ৬২ নং বিন্নাকান্দি বিধানসভা সমষ্টি খালী হ'ব! আৰু খালী মানেই উপ-নিৰ্বাচন। গতিকে ধান পকে মানেই টুনীৰ মৰণ। নিৰ্বাচন পাতিব, চৰকাৰৰ খৰচ বাঢ়িব আৰু শিক্ষক তথা কৰ্মচাৰীয়ে নিজৰ কৰ্তব্য এৰি নিৰ্বাচনত ব্যস্ত হ'ব লাগিব।

বৰ্তমান বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰখনে দেশত খৰচৰ লগতে সময়ৰ ৰাহি কৰিব বিচৰা যেন ধাৰণা হৈছে যদিও ঠিক সেই সময়তে তেওঁলোককে আকৌ বিপৰীত মেৰুত অৱস্থান কৰা দেখা গৈছে। নগাঁও লোকসভা সমষ্টিৰ উপ- নিৰ্বাচনত জয় হোৱাৰ বাবে কপালৰ ঘাম মাটিত পেলাই প্ৰচাৰ কাৰ্য চলোৱা দেখা গৈছিল (অৱশ্যে অন্য দলৰ সদস্য সকলো প্ৰচাৰ নকৰাকৈ থকা নাছিল)। আনহাতে, এক দেশ এক নিৰ্বাচন কৰাৰ বাবে ইতিমধ্যে প্ৰাক্তন ৰাষ্ট্ৰপতি ৰামনাথ কোবিন্দৰ অধীনত এখন বিশেষজ্ঞ কমিটি গঠন কৰি দিছে আৰু সেই দিশত কাম কৰি থকা বুলি ৰাইজ জ্ঞাত হৈছে। বৰ্তমান অসমত যি নিৰ্বাচন সংস্কৃতি গঢ় লৈ উঠিছে, এনেকুৱা ধৰণৰ সংস্কৃতি সমগ্ৰ ভাৰতবৰ্ষতে দেখিবলৈ পোৱা গৈছে। নিৰ্বাচন অনুষ্ঠিত হোৱা মানে বিৰোধী দলৰ লগতে শাসকীয় দলে সৰ্বোচ্চ উজাৰি দিয়ে। জয় হোৱাৰ বাবে লাখ লাখ টকা ব্যয় কৰে। জনপ্ৰিয় ৰাজনৈতিক নেতা সকল যেতিয়া প্ৰচাৰ কাৰ্যত অংশগ্ৰহণ কৰে তেতিয়া সুৰক্ষা জনিত বিভিন্ন বিষয় জড়িত হৈ পৰে। তাৰকা প্ৰচাৰক সকলৰ বাবে ট্ৰেফিক সমস্যাই জনসাধাৰণক জ্বলা- কলা খুৱাই। সাধাৰণ জনতাই দৈনন্দিন জীৱন যাপনৰ বাবে অৰ্থ উপাৰ্জনৰ কথা এইকেইদিন পাহৰি থাকে। প্ৰচাৰ কাৰ্যৰ বাবে নিজৰ প্ৰিয় ৰাজনৈতিক দলটোৰ সৈতে জড়িত হৈ পৰে। এইদৰে নিৰ্বাচন অনুষ্ঠিত হোৱা দিনটোৰ আগলৈকে দিন-ৰাতি একাকাৰ কৰি ব্যস্ত হৈ থাকে।

গণতান্ত্ৰিক শাসন ব্যৱস্থাত নিৰ্বাচন অনুষ্ঠিত হ'ব আৰু হওক, সেই বিষয়ে সাধাৰণ জনতাৰ বিশেষ ক'বলগীয়া নাই। কিন্তু এনেকৈ যদি নিৰ্বাচিত প্ৰতিনিধি সকলে লোকসভাৰ পৰা বিধানসভা, বিধানসভাৰ পৰা লোকসভা কৰি থাকে তেতিয়াহ'লে এই ব্যৱস্থাটোক কেতিয়াও সঠিক বুলি ক'ব নোৱাৰি। দেশত ৰাজনৈতিক চিন্তাধাৰাৰে পৰিপূৰ্ণ শক্তিশালী ব্যক্তিত্বৰ অভাৱ হোৱা নাই। যুৱপ্ৰজন্মক আগুৱাই অহাৰ সুবিধা দিলে বা নতুন মুখৰ প্ৰাৰ্থীক সুবিধা দিলে বাৰে বাৰে উপ-নিৰ্বাচন পতাৰ দৰে পৰিস্থিতিৰ উদ্ভৱ নহয়। যিটো সময়ত কেন্দ্ৰ চৰকাৰে অৰ্থ আৰু সময় ৰাহি কাৰণে এক দেশ এক নিৰ্বাচন কৰাৰ বাবে পৰিকল্পনা কৰিছে, সেই সময়তে আকৌ বাৰে বাৰে উপ- নিৰ্বাচনৰ দৰে ঘটনাই স্ব-বিৰোধী কাৰ্যত জড়িত হোৱাৰ দৰে ধাৰণাৰ সৃষ্টি কৰিছে। অৱশ্যে এক দেশ এক নিৰ্বাচন এই আইন এতিয়াও হোৱা নাই, সেয়েহে কোনো দলেই উপ-নিৰ্বাচনত অংশ লোৱাৰ বাবে জগৰীয়া নহয়। তথাপি ৰাজনৈতিক দল সকলে উপ-নিৰ্বাচন অনুষ্ঠিত হ'ব পৰা কাৰ্যৰ পৰা আঁতৰি থকা উচিত। ৰাষ্ট্ৰীয়, আঞ্চলিক আদি সকলো ৰাজনৈতিক দলে উপযুক্ত, শিক্ষিত, যোগ্য প্ৰাৰ্থী নিৰ্বাচন কৰাৰ বাবে যৎপৰোনাস্তি চেষ্টা কৰিব লাগে যাতে পৰৱৰ্তী সময়ত পুনৰ উপ- নিৰ্বাচনৰ দৰে ব্যৱস্থালৈ ঘূৰি যাব লগীয়া নহয়। এইবাৰৰ নগাঁও লোকসভা সমষ্টিত যদি মৌলানা বদৰুদ্দিন আজমল ডাঙৰীয়া বিজয়ী হয়, তেওঁ প্ৰতিনিধিত্ব কৰা ৬২ নং বিন্নাকান্দি বিধানসভা সমষ্টিত পুনৰ উপ-নিৰ্বাচন হ'ব। গতিকে উপ-নিৰ্বাচন যাতে চৰকাৰৰ উন্নয়নমূলক কামত বাধাৰ সৃষ্টি কৰিব নোৱাৰে এইবিষয়ে চৰকাৰ সজাগ হ'ব লাগে। গণতন্ত্ৰত ৰাইজে ৰজা, গতিকে ৰাইজৰ কথাও উপলব্ধি কৰিবলৈ চেষ্টা কৰা উচিত।

বিটিচি সচিবালয় খেলপথাৰত বিটিচি চৰকাৰৰ এবছৰীয়া বৰ্ষপূতি অনুষ্ঠান

অসম বাৰ্তা, কোকৰাঝাৰ, ৬ অক্টোবৰ ঃ বিটিচি চৰকাৰে আজি কাৰ্যকালৰ এবছৰ সম্পূৰ্ণ হোৱাৰ উপলক্ষে দিনজোৰা কাৰ্যসূচীৰে বৰ্ষপূৰ্তি উদ্‌যাপন কৰে। বিগত এবছৰত গ্ৰহণ কৰা বিভিন্ন উন্নয়নমূলক পদক্ষেপৰ খতিয়ান দাঙি ধৰাৰ লগতে আগন্তুক দিনত অঞ্চলটোৰ সামগ্ৰিক উন্নয়নৰ বাবে গ্ৰহণ কৰিবলগীয়া পৰিকল্পনাসমূহো অনুষ্ঠানত উল্লেখ কৰা হয়। বৰ্ষপূৰ্তি অনুষ্ঠানৰ আৰম্ভণিতে বড়োলেণ্ড আন্দোলনৰ শ্বহীদ আৰু মহান ব্যক্তিসকলক শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। বিটিচিৰ মুখ্য কাৰ্যবাহী সদস্য হাগ্ৰামা মহিলাৰীয়ে দোতমাৰ থুলুংগাপুৰীত বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সমাধিস্থলত পুষ্পাঞ্জলি অৰ্পণ কৰে। ইয়াৰ পিছত কোকৰাঝাৰৰ দিয়াবাৰীস্থিত মোত্ৰাপাৰাত বড়োলেণ্ড আন্দোলনৰ প্ৰথম শ্বহীদ সুজিত নাৰ্জাৰীৰ স্মাৰক কেন্দ্ৰতো শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। তেওঁ কয় যে আগবাঢ়ি যোৱাৰ সময়ত নিজৰ শিপা, পৰম্পৰা আৰু এই যাত্ৰাক গঢ় দিয়া ত্যাগসমূহ কেতিয়াও পাহৰিব নালাগে। তেওঁলোকৰ সংগ্ৰাম আৰু আদৰ্শই আগন্তুক দিনতো অনুপ্ৰেৰণা যোগাই থাকিব। ইয়াৰ পিছত বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰীয়ে বিটিচি সচিবালয় খেলপথাৰত ৰাষ্ট্ৰীয় পতাকা উত্তোলন কৰে। বিটিচি চৰকাৰৰ ৩৬৫ দিন সম্পূৰ্ণ হোৱাৰ উপলক্ষে বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কোকৰাঝাৰৰ বিটিচি সচিবালয়ত কাৰ্যবাহী সদস্যসকলৰ বাবে এফ-৯ আৰু এফ-১০ আবাসগৃহ, উপ-সচিব আৰু যুটীয়া সচিবসকলৰ বাবে ব্লক-১, ২ আৰু ৩ আবাসগৃহ নিৰ্মাণৰ আধাৰশিলা স্থাপন কৰে। লগতে গ্ৰীণফিল্ড, কোকৰাঝাৰত হেলিপেড নিৰ্মাণৰো আধাৰশিলা স্থাপন কৰে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'লে নিৰ্বাচিত প্ৰতিনিধি আৰু বিষয়াসকলে উন্নত সুবিধা লাভ কৰাৰ লগতে প্ৰশাসনিক কাম-কাজ আৰু জনসেৱা অধিক সুচাৰুৰূপে সম্পাদন কৰাত সহায়ক হ'ব। কোকৰাঝাৰৰ বড়োফা নগৰস্থিত বিটিচি সচিবালয় খেলপথাৰত অনুষ্ঠিত মূল অনুষ্ঠানত মুখ্য অতিথি হিচাপে অসম চৰকাৰৰ বিত্ত, পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী জয়ন্ত মল্ল বৰুৱা উপস্থিত থাকে। অনুষ্ঠানত বিটিচি বিধানসভাৰ অধ্যক্ষ ত্ৰিদীপ দৈমাৰী, উপ-মুখ্য কাৰ্যবাহী ৰিহণ দৈমাৰী, বিটিচিৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ সাহু, কেন্দ্ৰীয় গৃহ মন্ত্ৰালয়ৰ যুটীয়া সচিব অৰবিন্দ খাৰে, বিটিচিৰ বিভিন্ন বিধায়ক, কাৰ্যবাহী সদস্য, এমচিএলএ, বড়ো সাহিত্য সভাৰ সভাপতি গোবিন্দ বসুমতাৰী, জ্যেষ্ঠ চৰকাৰী বিষয়া তথা অন্যান্য বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকে। কোকৰাঝাৰৰ উপায়ুক্ত পংকজ চক্ৰৱৰ্তী আৰু আৰক্ষী অধীক্ষক অক্ষত গাৰ্গো অনুষ্ঠানত উপস্থিত থাকে। জনসভাত ভাষণ দি বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে কয় যে, এবছৰ সম্পূৰ্ণ কৰাটো শান্তি, প্ৰগতি আৰু উন্নয়নৰ দিশত বিটিচিৰ যাত্ৰাৰ এক গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি। ভূমিৰ অধিকাৰৰ ক্ষেত্ৰত চৰকাৰে গ্ৰহণ কৰা পদক্ষেপৰ কথা উল্লেখ কৰি তেওঁ কয় যে ইতিমধ্যে ৩, ০০০ ৰো অধিক হিতাধিকাৰীক ভূমিৰ পট্টা প্ৰদান কৰা হৈছে আৰু এই প্ৰক্ৰিয়া অব্যাহত থাকিব। অঞ্চলটোৰ চাহ বাগিচাৰ শ্ৰমিকসকলক প্ৰযোজ্য আইন অনুসৰি ভূমিৰ অধিকাৰ প্ৰদানৰ ক্ষেত্ৰতো বিশেষ গুৰুত্ব দিয়া হ'ব বুলি তেওঁ উল্লেখ কৰে। মহিলাৰীয়ে লগতে কয় যে অহা বছৰৰ ভিতৰত ৫, ০০০ ৰো অধিক খালী পদ পূৰণ কৰাৰ লক্ষ্য গ্ৰহণ কৰা হৈছে, যাৰ ফলত যুৱক-যুৱতীসকলৰ বাবে অধিক নিয়োগৰ সুযোগ সৃষ্টি হ'ব। অঞ্চলটোৰ পথ-ঘাট আৰু অন্যান্য আন্তঃগাঁথনি শক্তিশালী কৰাৰ কামো অব্যাহত থাকিব বুলি তেওঁ কয়। ইয়াৰ উপৰি এপিএছচি আৰু ইউপিএছচিৰ প্ৰাৰম্ভিক পৰ্যায়ৰ পৰীক্ষাত উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলক মূল পৰীক্ষাৰ বাবে বিটিচিৰ তৰফৰ পৰা বিনামূলীয়া প্ৰশিক্ষণ প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। বিটিচি মুখ্যগৰাকীয়ে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাক অঞ্চলটোৰ উন্নয়নৰ বাবে আগবঢ়োৱা সহযোগিতা আৰু পদক্ষেপৰ বাবে ধন্যবাদ জ্ঞাপন কৰাৰ লগতে নিৰ্বাচিত প্ৰতিনিধি, বিষয়া-কৰ্মচাৰী আৰু জনসাধাৰণৰ অব্যাহত সহযোগিতাৰ বাবেও কৃতজ্ঞতা প্ৰকাশ কৰে। অনুষ্ঠানত ভাষণ দি মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই কয় যে অঞ্চলটোৰ উন্নয়নৰ বাবে কেইবাটাও গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণৰ পৰিকল্পনা কৰা হৈছে। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ 'বিকশিত অসম' ৰ দৃষ্টিভংগীৰ কথা উল্লেখ কৰি তেওঁ কয় যে আন্তঃগাঁথনি উন্নয়ন চৰকাৰৰ অন্যতম প্ৰধান অগ্ৰাধিকাৰ হৈ থাকিব। 'বিকশিত অসম' আন্তঃগাঁথনি অভিযানৰ অধীনত ১.৫ লাখ কোটি টকাৰো অধিক ব্যয়ৰ পৰিকল্পনা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। আগন্তুক পাঁচ বছৰত পথ, দলং, বিদ্যালয়, আদৰ্শ অংগনবাড়ী কেন্দ্ৰ, প্ৰেক্ষাগৃহ আৰু ষ্টেডিয়াম নিৰ্মাণকে ধৰি আন্তঃগাঁথনি উন্নয়নৰ এই পদক্ষেপসমূহৰ এক উল্লেখযোগ্য অংশ বিটিচি অঞ্চলতো ৰূপায়ণ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে আশ্বাস দিয়ে। তেওঁ ৰাজ্যিক ঘাইপথৰ নেটৱৰ্ক শক্তিশালী কৰা, অঞ্চলটোত লজিষ্টিক হাব গঢ়ি তোলা আৰু কোকৰাঝাৰ-গেলেফুৰ মাজত উন্নত যোগাযোগ ব্যৱস্থা গঢ়ি তোলাৰ পৰিকল্পনাৰ কথাও উল্লেখ কৰে। মন্ত্ৰীগৰাকীয়ে বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি তেওঁৰ শান্তিপূৰ্ণ সহাৱস্থানৰ আদৰ্শ তথা 'Live and Let Live'ৰ বাৰ্তাও স্মৰণ কৰে। ইয়াৰ পূৰ্বে আদৰণি ভাষণত বিটিচিৰ প্ৰধান সচিব মুকেশ চন্দ্ৰ সাহুৱে বিটিচি চৰকাৰৰ এবছৰ সম্পূৰ্ণ হোৱাত অভিনন্দন জ্ঞাপন কৰি এই সময়ছোৱাত গ্ৰহণ কৰা বিভিন্ন প্ৰশাসনিক পদক্ষেপৰ বিষয়ে উল্লেখ কৰে। বড়োফা উপেন্দ্ৰনাথ ব্ৰহ্মৰ সাধাৰণ জনতাৰ বাবে কাম কৰাৰ আদৰ্শই চৰকাৰৰ কাম-কাজক পথ প্ৰদৰ্শন কৰি আহিছে বুলি তেওঁ কয়। যুৱ আৰু মহিলা সবলীকৰণৰ লগতে কাৰ্যালয়ৰ কাম-কাজ আধুনিকীকৰণৰ বাবেও গ্ৰহণ কৰা বিভিন্ন পদক্ষেপৰ কথা তেওঁ উল্লেখ কৰে। অনুষ্ঠানত বিটিচি চৰকাৰৰ এবছৰীয়া কাৰ্যকালৰ সাফল্যসমূহ সামৰি তথ্য আৰু জনসংযোগ বিভাগ, বিটিচিৰ দ্বাৰা প্ৰস্তুত কৰা এখন গ্ৰন্থ বিটিচিৰ মুখ্য হাগ্ৰামা মহিলাৰীয়ে আনুষ্ঠানিকভাৱে উন্মোচন কৰে। অনুষ্ঠানত বিভিন্ন জনগোষ্ঠীৰ সাংস্কৃতিক দলসমূহে সাংস্কৃতিক কাৰ্যসূচীও পৰিৱেশন কৰে। লগতে বিভিন্ন ক্ষেত্ৰত উৎকৃষ্ট অৱদান আগবঢ়োৱা বিভাগীয় বিষয়া-কৰ্মচাৰীসকলক সম্বৰ্ধনা জনোৱা হয়। কৃষি, সংস্কৃতি, বন, পিএনআৰডি আৰু শিক্ষা বিভাগৰ লগতে মানস ৰাষ্ট্ৰীয় উদ্যানত চোৰাং চিকাৰ বিৰোধী অভিযানত জড়িত কৰ্মচাৰীসকলকো তেওঁলোকৰ উল্লেখযোগ্য অৱদানৰ বাবে সন্মানিত কৰা হয়। দিনজোৰা এই বৰ্ষপূৰ্তি অনুষ্ঠানৰ সামৰণিত বিটিচি চৰকাৰে শান্তি, ঐক্য, সামগ্ৰিক উন্নয়ন আৰু উন্নত জনসেৱা প্ৰদানৰ প্ৰতি নিজৰ প্ৰতিশ্ৰুতি পুনৰ দৃঢ় কৰে।



মঙলদৈত ডেকা গ্ল'বেল গ্ৰুপ ট্ৰেভেল এজেন্সীৰ শুভাৰম্ভ



অসম বাৰ্তা, মঙলদৈ, ৬ অক্টোবৰ ঃ দেওবাৰে মঙলদৈত "ডেকা গ্ল'বেল গ্ৰুপ" নামৰ এটা ট্ৰেভেল এজেন্সী আৰম্ভ হয়। ব্যৱসায়িক উদ্দেশ্যত ডুবাইত বাস কৰা ব্যৱসায়ী লাচিত ডেকা নামৰ এজন ব্যৱসায়ীয়ে ট্ৰেভেল এজেন্সীটো আৰম্ভ কৰে। এই কাৰ্যালয়টো সমগ্ৰ ভাৰতৰ ভিতৰতে মঙলদৈত প্ৰথম কাৰ্যালয়। এজেন্সীয়ে থকা খোৱা আদিকে ধৰি সকলো সা-সুবিধা এটা পেকেজত প্ৰদান কৰিব। ব্যক্তিগত আৰু গ্ৰুপ গ্ৰুপ ট্যুৰ পেকেজ আদি কম খৰচত উপলব্ধ। ট্ৰেভেলিং এজেন্সীৰ ডুবাই, লণ্ডন, ছুইজাৰলেণ্ড আৰু মংগলদৈত চাৰিটা গ্ল'বেল কাৰ্যালয় আছে। বাছ, ট্ৰেইন আৰু বিমানত বিভিন্ন পেকেজ আছে। শিমলা, মানালী, চণ্ডীগড়ত আঠ ৰাতি আৰু ন দিনীয়া ভ্ৰমণ কম খৰচত ৰেল যাত্ৰাকে ধৰি গ্ৰুপ ভ্ৰমণ। গল্ডেন ট্ৰায়েংগল পেকেজত আপুনি দিল্লী, আগ্ৰা আৰু জয়পুৰ ভ্ৰমণ কৰিব পাৰে। ট্ৰেভেল এজেন্সীৰ অফিচিয়েল মেইল আইডি হৈছে info@admtours.comউদ্বোধনী অনুষ্ঠানত মীন বিভাগৰ অধ্যক্ষ গুৰু জ্যোতি দাস, মঙলদৈৰ পৌৰসভাৰ অধ্যক্ষ নিৰ্মালী দেৱী শৰ্মা, মঙলদৈ প্ৰেছ ক্লাবৰ সভাপতি হোমেন কাকতি আৰু সম্পাদক লক্ষ্মী নন্দন কলিতা, এছ আৰ ডি গোটৰ ব্যৱসায়ী অনুপম ডেকা, হেমন্ত পায়েং, মহৰ্ষি বিদ্যা মন্দিৰৰ অধ্যক্ষ, ড° অমৰেন্দ্ৰ নাৰায়ণ দেৱ, প্ৰতাপ বৰদলৈ, AJYCP ৰ উপদেষ্টা, ভবেশ কাকতি, দৰং আছুৰ সভাপতি, ৰাজু শৰ্মা, কৌশিক ভৰদ্বাজকে ধৰি বহু বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰৰ গ্ৰেপ্তাৰৰ দাবীত মাজুলীত জিলা কংগ্ৰেছৰ সংবাদমেল

অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ ভাৰতীয় জাতীয় কংগ্ৰেছৰ কেন্দ্ৰীয় সমিতিৰ নিৰ্দেশ মৰ্মে আজি মাজুলী জিলাত জিলা কংগ্ৰেছে গড়মূৰ স্থিত ৰাজীৱ ভৱনত জিলা কংগ্ৰেছ এক সংবাদ মেল সম্বোধন কৰে। সংবাদ মাধ্যমৰ আগত জিলা কংগ্ৰেছৰ সভাপতি অমল পূজাৰীয়ে কয়, ভাৰতীয় মুখ্য নিৰ্বাচনী বিষয়াই দেশৰ গণতন্ত্ৰ প্ৰতি ভাবুকি অনাত ইণ্ডিয়া এলিয়েন্সৰ ১৯টা দল একত্ৰিত হৈ ২ অক্টোবৰ গান্ধী জয়ন্তী দিনৰ পৰা ৮ অক্টোবৰলৈ সপ্তাহ জোৰা গণতন্ত্ৰ বচাও প্ৰতিবাদী কাৰ্যসূচী ঘোষণা কৰিছে। তেওঁ কয়, দেশৰ সাম্প্ৰতিক অৱস্থা একেবাৰেই ভাল নহয়। দেশত ভোট চুৰি কৰি নৰেন্দ্ৰ মোদীৰ নেতৃত্বাধীন বিজেপি চৰকাৰখনে মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰৰ লগ লাগি ২০২৪ চনৰ লোকসভা নিৰ্বাচনকে মুখ্য কৰি কেইবাখনো ৰাজ্যত ভোট চুৰি কৰি শাসনলৈ আহিল। কংগ্ৰেছ নেতা ইন্দ্ৰনীল পেগুৱে উক্ত প্ৰসংগত সংবাদ মাধ্যমৰ আগত বিজেপি চৰকাৰ আৰু ভাৰতৰ মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰ দেশৰ গণতন্ত্ৰ ধ্বংশ কৰাৰ যি কৰ্ম সংঘটিত কৰিছে তাৰ পৰা দেশৰ গনতন্তক ৰক্ষা কৰাৰ উদ্দেশ্যে কংগ্ৰেছ দলে "চেভ ডেমক্ৰেচি" সপ্তাহ পালন কৰি মুখ্য নিৰ্বাচনী বিষয়া জ্ঞানেশ কুমাৰৰ পদত্যাগ আৰু গ্ৰেপ্তাৰৰ দাবী জনাইছে। তেওঁ কয়, মুখ্য নিৰ্বাচনী বিষয়া গৰাকীৰ বিৰুদ্ধে আন দুগৰাকী নিৰ্বাচনী বিষয়াই যিমানবোৰ তথ্য পোহৰলৈ আনিছে সেই তথ্য ভিত্তিত এটা স্বতন্ত্ৰ বিভাগৰ মুৰব্বী হিচাপে নিৰপেক্ষতা অৱলম্বন নকৰি বিজেপিৰ পক্ষপাতিত কৰিছে নিৰ্বাচনী বিষয়া গৰাকীয়ে। এনে কাৰ্যত দেশৰ গণতন্ত্ৰ জীয়াই নাথাকিব। যেতিয়ালৈকে মুখ্য নিৰ্বাচনী বিষয়াই পদত্যাগ নকৰে আৰু তেওঁক গ্ৰেপ্তাৰ কৰিবই লাগিব বুলি দাবী কৰে। সংবাদ মেলত উজনি মাজুলী আৰু মাজুলী ব্লক কংগ্ৰেছৰ দুয়ো গৰাকী সভাপতি উপস্থিত আছিল।

JISRS Best Paper Award–2025 লাভ কৰি অসম তথা ভাৰতলৈ কঢ়িয়াই আনিলে গৌৰৱ

দেশ-বিদেশৰ গৱেষণা পত্ৰৰ মাজত শ্ৰেষ্ঠ অসমৰ কৃশাংগী কাশ্যপ

অসম বাৰ্তা, কুমুল্লী পাৰা, ৬ অক্টোবৰ ঃ অসম তথা ভাৰতৰ বাবে এক গৌৰৱৰ মুহূৰ্ত কঢ়িয়াই আনিবলৈ সক্ষম হৈছে অসমৰ কন্যা কৃশাংগী কাশ্যপে। বৰপেটাৰ হিতেশ শৰ্মাৰ কন্যা কৃশাংগী কাশ্যপে দেশ-বিদেশৰ গৱেষকৰ মাজত নিজৰ মেধা আৰু গৱেষণামূলক প্ৰতিভাৰ স্বাক্ষৰ ৰাখি লাভ কৰিছে সন্মানীয় JISRS Best Paper Award—2025। JISRS কমিটিৰ অধীনত প্ৰকাশিত দেশ-বিদেশৰ অসংখ্য গৱেষণা পত্ৰৰ মাজৰ পৰা কৃশাংগী কাশ্যপৰ গৱেষণা পত্ৰখনক ২০২৫ বৰ্ষৰ বাবে শ্ৰেষ্ঠ গৱেষণা পত্ৰ হিচাপে বিবেচিত কৰা হৈছে। এই স্বীকৃতিয়ে কেৱল কৃশাংগীৰ ব্যক্তিগত সাফল্যকে প্ৰতিফলিত কৰা নাই, বৰং অসমৰ শৈক্ষিক আৰু গৱেষণাৰ ক্ষেত্ৰখনৰ বাবেও এক উল্লেখযোগ্য সন্মান কঢ়িয়াই আনিছে। এনে এক উচ্চ পৰ্যায়ৰ স্বীকৃতি লাভ কৰাটো কৃশাংগী কাশ্যপ আৰু তেওঁৰ পৰিয়ালৰ বাবে নিশ্চয়কৈ এক স্মৰণীয় সাফল্য। বিশেষকৈ দেশ-বিদেশৰ গৱেষকসকলৰ গৱেষণা পত্ৰৰ মাজত অসমৰ এগৰাকী কন্যাৰ গৱেষণা পত্ৰই শ্ৰেষ্ঠত্ব অৰ্জন কৰাটোৱে অসমৰ যুৱ প্ৰজন্মৰ মেধা, অধ্যৱসায় আৰু গৱেষণামুখী চিন্তা-চৰ্চাৰ সম্ভাৱনাকো নতুনকৈ উজলাই তুলিছে। কৃশাংগীৰ এই সাফল্যত বৰপেটাৰ লগতে অসমবাসীৰ মাজত আনন্দৰ সৃষ্টি হৈছে। শিক্ষাৰ ক্ষেত্ৰত একাগ্ৰতা, নিৰন্তৰ অধ্যয়ন আৰু গৱেষণামুখী মানসিকতাৰে আগবাঢ়িলে অসমৰ যুৱ প্ৰতিভাই ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়তো নিজৰ যোগ্যতা প্ৰতিপন্ন কৰিব পাৰে—কৃশাংগী কাশ্যপৰ এই সাফল্য তাৰেই এক উজ্জ্বল উদাহৰণ। অসমৰ মাটিৰ পৰা দেশ-বিদেশৰ গৱেষণা ক্ষেত্ৰলৈ নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ধৰি JISRS Best Paper Award—2025 লাভ কৰা কৃশাংগী কাশ্যপৰ এই সাফল্যই অসমীয়া সমাজলৈ এক ইতিবাচক বাৰ্তা কঢ়িয়াই আনিছে। তেওঁৰ এই কৃতিত্বই ভৱিষ্যৎ প্ৰজন্মৰ শিক্ষাৰ্থী আৰু গৱেষকসকলকো অধিক উৎসাহিত কৰিব বুলি আশা প্ৰকাশ কৰিছে শুভাকাংক্ষীসকলে।

নাপ্তিপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰৰ এএনএম মিনু ডেকাক বিদায় সম্বৰ্ধনা



অসম বাৰ্তা, মঙলদৈ, ৬ অক্টোবৰ ঃ ওদালগুৰি জিলাৰ নাপ্তিপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰত সুদীৰ্ঘ ৩৬ বছৰ এ এন এম হিচাপে কৰ্মৰত মিনু ডেকাক আজি গঞ্জাৰাইজে উষ্ম বিদায় সম্ভাষণ জ্ঞাপন কৰে। যোৱা ৩০ ছেপ্টেম্বৰত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰা জনপ্ৰিয় এ এন এম মিনু ডেকাক আজি নাপ্তিপাৰা প্ৰাথমিক বিদ্যালয়ত অৱসৰপ্ৰাপ্ত শিক্ষক মঙলুৰাম কচাৰীৰ সভাপতিত্বত হোৱা বিদায় সভাত সমাজসেৱক মিথিংগা দৈমাৰীয়ে উদ্দেশ্য ব্যাখ্যা কৰে। সভাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক খিতেশ্বৰ বসুমতাৰী, সমাজসেৱক কান্তৰাম বড়ো, প্ৰদীপ বড়ো আদিয়ে মিনু ডেকাৰ কৰ্ম আৰু দায়িত্ববোধৰ প্ৰশংসা কৰে। বাগৰুম্বা নৃত্য, গীত মাতেৰে মুখৰিত পৰিৱেশত তেওঁক ফুলাম গামোচা, আৰনাই, শৰাই, সম্বৰ্ধনা পত্ৰ, গ্ৰন্থ, জাপি আদিৰে সম্বৰ্ধনা জ্ঞাপন কৰে। ইফালে একেদিনাই নাপ্তিপাৰা আয়ুষ্মান আৰোগ্য মন্দিৰত হোৱা আন এখন সম্বৰ্ধনা সভাত চি এইচ অ' ছহিদুল ইছলাম, এ এন এম জাহানাৰা বেগম, বি এইচ ডব্লিউ নৃপেন দৈমাৰী, আশাকৰ্মী, আশা চুপাৰ ভাইজাৰ সহ স্বাস্থ্যকৰ্মী সকলে তেওঁক বিদায় সম্বৰ্ধনা জ্ঞাপন কৰে।

সাহিত্য সুৰভি বঁটাৰে সন্মানিত গোলাঘাটৰ লেখিকা ববিতা বৰঠাকুৰ

অসম বাৰ্তা, দেৰগাঁও, ৬ অক্টোবৰ ঃ গোলাঘাট জিলাৰ দেৰগাঁও বৰুৱা বামুণ গাঁৱৰ কুৱালগুৰি নিবাসী লেখিকা ববিতা বৰঠাকুৰে অসম শিক্ষক প্ৰকাশন পৰিষদৰ ২০২৬ বৰ্ষৰ 'সাহিত্য সুৰভি বঁটা' লাভ কৰিছে। প্ৰয়াত সাহিত্যিক মামণি ৰয়ছম গোস্বামীৰ স্মৃতিত প্ৰদান কৰা এই বঁটা যোৱা ২ অক্টোবৰত সোণাপুৰৰ সমীপৱৰ্তী ডিমৰীয়া ভৱনত অনুষ্ঠিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত প্ৰদান কৰা হয়। ববিতা বৰঠাকুৰৰ 'স্বচ্ছ আৰু অস্বচ্ছ দাপোনত নাৰী' শীৰ্ষক গ্ৰন্থখন ২০২৪ চনত প্ৰকাশ পাইছিল। সাহিত্যচৰ্চাৰ সমান্তৰালভাৱে তেওঁ বহু বছৰ ধৰি ঘৰুৱাভাৱে ছাত্ৰ-ছাত্ৰীক ৰাজনীতি বিজ্ঞানৰ লগতে বিভিন্ন বিষয়ত পাঠদান কৰি আহিছে। শিক্ষাৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীক পোহৰৰ বাট দেখুওৱাৰ ক্ষেত্ৰতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি আহিছে। অসমৰ বিভিন্ন জনপ্ৰিয় বাতৰি কাকত আৰু আলোচনীত নাৰী সচেতনতা, প্ৰকৃতি, স্বাস্থ্য আদি বিষয়ক প্ৰবন্ধৰ লগতে কবিতা প্ৰকাশ কৰি ববিতা বৰঠাকুৰে পাঠক সমাজৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হৈছে। 'অসমীয়া খবৰ', 'অসম আদিত্য', 'দৈনিক জনমভূমি', 'অগ্ৰদূত' আদিৰ লগতে বিভিন্ন আলোচনীত তেওঁৰ লেখা প্ৰকাশ পাইছে। উল্লেখযোগ্য যে শিক্ষক প্ৰকাশন সংস্থা, অসমে শৈক্ষিক, সামাজিক, সাংস্কৃতিক তথা সমাজ জীৱনলৈ আগবঢ়োৱা অনবদ্য অৱদানৰ স্বীকৃতি হিচাপে প্ৰতিবছৰে এই বঁটা প্ৰদান কৰি আহিছে। গান্ধী জয়ন্তীৰ লগত সংগতি ৰাখি এইবাৰো সোণাপুৰৰ ডিমৰীয়া ভৱনত দিনজোৰা কাৰ্যসূচীৰে বঁটা প্ৰদান অনুষ্ঠান অনুষ্ঠিত হয়। অনুষ্ঠানত সভাপতিত্ব কৰে শিক্ষক প্ৰকাশন সংস্থাৰ সভানেত্ৰী মালিনী শইকীয়াই। অনুষ্ঠানত সংস্থাৰ উপ-সভাপতি ডাঃ বশিষ্ঠ মণি ৰামদেৱ, মুখ্য সম্পাদক মৃদুল শইকীয়া, কেন্দ্ৰীয় পৰিদৰ্শক ডাঃ আব্দুল সমাক গণিৰ লগতে ২১জনীয়া সমিতিৰ বিষয়ববীয়াসকল উপস্থিত থাকে। অসমৰ বিভিন্ন প্ৰান্তৰ পৰা অহা লেখক-লেখিকা, শিক্ষাবিদ আৰু শৈক্ষিক সমাজৰ সৈতে জড়িত সচেতন ব্যক্তিসকলেও অনুষ্ঠানত অংশগ্ৰহণ কৰে।

ৰূপসীৰ গদাধৰ নদীত অবৈধ মাছ ধৰাৰ বিৰুদ্ধে আৰক্ষীৰ অভিযান

অসম বাৰ্তা, গৌৰীপুৰ, ধুবুৰী জিলাৰ ৰূপসী অঞ্চলৰ গদাধৰ নদীত অবৈধভাৱে মাছ ধৰাৰ বিৰুদ্ধে আৰক্ষীয়ে অভিযান চলাই কেইবাজনো লোকক কঠোৰভাৱে সতৰ্ক কৰি ঘৰলৈ ওভতাই পঠিয়ায়। উল্লেখ্য যে, গদাধৰ নদীৰ একাংশ অঞ্চলত দীৰ্ঘদিন ধৰি অবৈধভাৱে মাছ ধৰাৰ অভিযোগ উত্থাপন হৈ আহিছে। স্থানীয় মহলদাৰীৰ অভিযোগ অনুসৰি, দুই শতাধিক লোক অবৈধভাৱে প্ৰায় মাজেসময়ে মাছ ধৰি আছে। আৰু এই ক্ষেত্ৰত কেইবাবাৰো বাধা দিয়াৰ পিছতো বন্ধ কৰা নাই মাছমৰীয়া কেইজনে অবৈধভাৱে মাছধৰা কাৰ্য্য। ইফালে, চৰকাৰক প্ৰতিবছৰে ৰাজহ আদায় দিয়ে নিয়ম অনুসৰি মহলদাৰীয়ে। প্ৰতি বছৰৰ মূৰে মূৰে চৰকাৰী নিয়ম অনুসৰি মহলদাৰী গ্ৰহণ কৰাৰ পাছতো একাংশ লোকে অবৈধভাৱে নদীত মাছ ধৰাত মহলদাৰীসকল সমস্যাৰ সন্মুখীন হোৱা বুলি অভিযোগ কৰিছে। এই সন্দৰ্ভত মহলদাৰীৰ ফালৰ পৰা সমগ্ৰ বিষয়টো জিলা প্ৰশাসনক লিখিতভাৱে অৱগত কৰা হয়। ইয়াৰ পাছতে জিলা প্ৰশাসনৰ নিৰ্দেশমৰ্মে গৌৰীপুৰ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ তৎপৰতাত আৰু দাওঁভাঙি আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াৰ নেতৃত্বত আজি ৪ নং গদাধৰ নদীৰ উক্ত অঞ্চলত উপস্থিত হৈ অভিযান চলায়। আৰক্ষীৰ অভিযানৰ সময়ত অবৈধভাৱে মাছ ধৰিবলৈ অহা লোকসকলক কঠোৰভাৱে সতৰ্ক কৰি দিয়া হয় আৰু নদীৰ পৰা আঁতৰি ঘৰলৈ উভতি যাবলৈ নিৰ্দেশ দিয়ে। প্ৰশাসনৰ এই অভিযানৰ পাছত গদাধৰ নদীত অবৈধ মাছ ধৰা কাৰ্য কিছু পৰিমাণে নিয়ন্ত্ৰণ হ'ব বুলি আশা কৰিছে মহলদাৰী পক্ষই। আগলৈও এনে অবৈধ কাৰ্যৰ বিৰুদ্ধে নিয়মীয়া অভিযান চলাবলৈ জিলা প্ৰশাসনৰ ওচৰত দাবী জনাইছে স্থানীয় মহলদাৰী পক্ষই।

গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জেষ্ঠ অধিবক্তা নেকিবুৰ জামানৰ দাবী

"সজাগতাৰ অভাৱত উজনি অসমৰ ৮০ শতাংশ মুছলমান মহিলা অৱহেলিত আৰু বঞ্চিত হৈ আছে"

"প্ৰাক্তন মুখ্যমন্ত্ৰী আনোৱাৰা টাইমূৰৰ বিৰোধিতাৰ বাবেই গৰীয়াই হেৰুৱালে অবিচি আৰু জনগোষ্ঠীয় মৰ্যাদা"



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৬ অক্টোবৰ ঃ উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ উদ্যোগত মুছলিম মহিলা কল্যাণ পৰিষদৰ এখন সাধাৰণ সভা যোৱা ৪ অক্টোবৰ তাৰিখে শিৱসাগৰ প্ৰেছ ক্লাবৰ সভাকক্ষত অনুষ্ঠিত হয়। উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি মনিৰুল ইছলাম বড়াৰ পৌৰোহিত্যত অনুষ্ঠিত এই সভাৰ তাৎপৰ্য ব্যাখ্যা কৰে কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক চামচুল হুছেইনে। এই সাধাৰণ সভাত মুখ্য অতিথি হিচাপে ভাষণ দি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ জেষ্ঠ অধিবক্তা তথা উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ মুখ্য উপদেষ্টা নেকিবুৰ জামানে কয় যে, দেশে স্বাধীনতা লাভ কৰাৰ সুদীৰ্ঘ ৮০ বছৰে উজনি অসমৰ ৮০ শতাংশ মুছলমান মহিলা কেৱল সজাগ আৰু সচেতনতাৰ অভাৱত সৰ্বদিশৰপৰা পৰা বঞ্চিত আৰু অৱহেলিত হৈ আছে। এই মুছলমান মহিলা সকলে নিজস্ব অধিকাৰ সম্পৰ্কে সচেতন নোহোৱাৰ বাবে বিভিন্ন ক্ষেত্ৰত নিৰ্যাতনৰ সন্মুখীন হৈ আহিছে। অসমৰ অন্যান্য জাতি জনগোষ্ঠীৰ মহিলা সকলৰ দৰেই মুছলমান মহিলা সকলেও নিজৰ প্ৰাপ্য অধিকাৰৰ বাবে এখন সংগ্ৰাম গঢ়ি তুলিব লাগিব। ভাষণ প্ৰসংগত নেকিবুৰ জামানে কয় যে, অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই গৰিয়া মৰিয়াকে ধৰি ৫টা জনগোষ্ঠীৰ লোকক খিলঞ্জীয়াৰ স্বীকৃতি দিছিল যদিও তেওঁলোকৰ বাবে পথক আৰ্থ সামাজিক জৰীপৰ ব্যৱস্থা কাৰ্যকৰী নকৰিলে। বৰ্তমান গৰিয়াৰ নামত একে নিশাই বহু সংগঠনৰ জন্ম হৈছে। কিন্তু তাৰ বিপৰীতে ১৯৯৪ চনতেই কেৱল উজনি অসম মুছলিম কল্যাণ পৰিষদৰ নেতৃত্বইহে সেই সময়ৰ মুখ্যমন্ত্ৰী হিতেশ্বৰ শইকীয়াক অসমৰ অতি পুৰণি গৰিয়া লোকসকলক জনগোষ্ঠী হিচাপে ঘোষণা কৰি অ, বি, চি মৰ্যাদা প্ৰদান কৰিবলৈ দিছপুৰত প্ৰথমখন দাবী পত্ৰ প্ৰদান কৰিছিল। হিতেশ্বৰ শইকীয়াই এই ক্ষেত্ৰত যোগাত্মক সঁহাৰি দিছিল যদিও প্ৰাক্তন মুখ্যমন্ত্ৰী চৈয়দা আনোৱাৰা টাইমূৰ আৰু মন্ত্ৰী আব্দুল মুক্তাদিশ চৌধুৰীয়ে কৰা প্ৰবল বিৰোধিতা কৰাৰ বাবেই গৰিয়া লোকসকল অবিচি মৰ্যাদা লাভ কৰিবলৈ সক্ষম নহ'ল। ৯০ দশকৰ পৰা বৰ্তমানলৈকে কেৱল উজনি অসম মুছলিম কল্যাণ পৰিষদেহে উজনিৰ মুছলমান সকলৰ ৰাজনৈতিক, অৰ্থনৈতিক অধিকাৰৰ বাবে পৃথক গণতান্ত্ৰিক আন্দোলন অব্যাহত ৰাখিছে বুলি নেকিবুৰ জামানে মন্তব্য কৰে। শিৱসাগৰ জিলাৰ বিভিন্ন প্ৰান্তৰ ডেৰ শতাধিক মহিলা প্ৰতিনিধি উপস্থিত থকা সভাত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অধিবক্তা ফৰিদা বেগমক সভানেত্ৰী, বিশিষ্টা লেখিকা হাৰেজা বেগমক কাৰ্যকৰী সভানেত্ৰী আৰু ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈ নমি বেগমক সাধাৰণ সম্পাদিকা হিচাপে লৈ মুছলিম মহিলা কল্যাণ পৰিষদৰ শিৱসাগৰ জিলা সমিতিখন পূৰ্ণাংগ ৰূপত গঠন কৰা হয়। সভাত কণ্ঠশিল্পী চেভি আখতাৰে এটা আধুনিক গীত পৰিৱেশন কৰে। ইয়াৰ পিছতেই সভাপতি মনিৰুল ইছলাম বড়াই নৱগঠিত মহিলা কল্যাণ পৰিষদৰ বিষয়ববীয়া সকলক শপত বাক্য পাঠ কৰোৱায়। এই সভাত উজনি অসম মুছলিম কল্যাণ পৰিষদৰ কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক দাদুল আলি, সাংগঠনিক সম্পাদক ৱালিফুৰ ৰহমান, শিৱসাগৰ জিলা সমিতিৰ সভাপতি বুবুটি বড়াকে ধৰি পৰিষদৰ জিলা সমিতিৰ বহু কেইগৰাকী বিষয়ববীয়া উপস্থিত থাকে।

ৰূপালী জয়ন্তীৰ লগত সংগতি ৰাখি সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন

উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চ

অসম বাৰ্তা, নিমাতীঘাট, ৬ অক্টোবৰ ঃ উত্তৰ যোৰহাট জ্যেষ্ঠ নাগৰিক মঞ্চই ৰূপালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি এলানি সাংস্কৃতিক প্ৰতিযোগিতাৰ আয়োজন কৰিছে। জানিব পৰা মতে অহা ১১ অক্টোবৰ, দেওবাৰে পুৱা ৯-০০ বজাত কল্যাণী ৰঙ্গমঞ্চত অনুষ্ঠিতব্য একক বৰগীত প্ৰতিযোগিতা নৱম শ্ৰেণীৰ পৰা মুকলি থাকিব। একেদৰে বিয়লী ১-০০ বজাৰ পৰা অনুষ্ঠিতব্য দলীয় বিয়ানাম প্ৰতিযোগিতাত দহগৰাকী প্ৰতিযোগীৰ প্ৰতিটো দলক ১২ মিনিটকৈ সময় প্ৰদান কৰা হ'ব। উদ্‌যাপন সমিতিয়ে বৰগীত প্ৰতিযোগিতাত যোগদানৰ মাচুল ১০০ টকা আৰু বিয়ানাম প্ৰতিযোগিতাৰ বাবে ৩০০ টকা ধাৰ্য্য কৰিছে। জিলাভিত্তিত আয়োজিত নগদ ধনেৰে পুৰস্কৃত কৰিব লগীয়া এই দুয়োটা প্ৰতিযোগিতাৰ সবিশেষ জানিবৰ বাবে ৯১০১৩৫৪৫২৬ / ৯৭০৭৮৬২৯৯২ অথবা ৯৮৬৪৯৯৩৭৮২ নম্বৰত যোগাযোগ কৰিবৰ বাবে আহ্বান জনাইছে।

মুখ্য নিৰ্বাচন আয়ুক্তৰ পদত্যাগৰ দাবীত

প্ৰতিবাদৰ সময়ত লোকসভাত বিৰোধী দলপতি ৰাহুল গান্ধীক আৰক্ষীৰ বেৰিকেডৰ ওপৰত উঠি থকা দেখা যায়। জানিব পৰা মতে, কংগ্ৰেছ সভাপতি মল্লিকাৰ্জুন খাৰ্গেৰ নেতৃত্বত বিৰোধী সাংসদসকলে সংসদ ভৱনৰ পৰা ভাৰতৰ নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়লৈ পদযাত্ৰা আৰম্ভ কৰে। এই পদযাত্ৰাত তৃণমূল কংগ্ৰেছ, সমাজবাদী পাৰ্টী, বিজু জনতা দল আদি দলৰ নেতা-কৰ্মীয়ে অংশ লয়। পদযাত্ৰাৰ সময়ত দিল্লী আৰক্ষীয়ে সাংসদসকলক নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়লৈ যোৱাত বাধা দিয়াৰ চেষ্টা চলায়। এই পৰিস্থিতিত ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীকে ধৰি একাংশ বিৰোধী নেতাক কিছু সময়ৰ বাবে আটক কৰি ৰখা হয়। আটকৰ পাছত একাংশ সাংসদক ঠেলি বাছত উঠাই দিয়াৰো তথ্য পোহৰলৈ আহে। আনহাতে, বহু বিৰোধী সাংসদে নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়ৰ সমীপত ধৰ্ণাত বহে। আৰক্ষীৰ বাধা সত্ত্বেও ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধীয়ে আকাশবাণী ভৱন চৌহদত প্ৰৱেশ কৰি নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়ত উপস্থিত হয়। ইয়াৰ পূৰ্বে ৰাহুল গান্ধী আৰু তৃণমূল কংগ্ৰেছৰ নেতা অভিষেক বেনাৰ্জীক আৰক্ষীৰ বেৰিকেডৰ ওপৰত উঠি থকা দেখা গৈছিল। সেই সময়ত লোকসভাত বিৰোধী দলপতিৰ হাতত ত্ৰিৰংগ পতাকা আছিল। আন সাংসদসকলে মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰৰ বিৰুদ্ধে শ্লোগান দিয়ে। কংগ্ৰেছে নিজৰ এক্স হেণ্ডেলত ৰাহুল গান্ধীৰ এখন ফটো শ্বেয়াৰ কৰে, য'ত তেওঁ হাতত এখন প্লেকাৰ্ড লৈ থকা দেখা যায়। প্লেকাৰ্ডত লিখা আছিল- “গাড্ডাৰ জ্ঞানেশে এতিয়াই পদত্যাগ কৰক।” কংগ্ৰেছৰ আন এক পোষ্টত “জ্ঞানেশে এতিয়াই পদত্যাগ কৰক” বুলি দাবী জনোৱা হয়। প্ৰতিবাদৰ পূৰ্বে বিৰোধী দলৰ সাংসদসকলে ভোটাৰ হিচাপে নামভৰ্তিৰ বাবে বিধিগত প্ৰ-পত্ৰ ছৰ পৰিৱৰ্তন সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণৰ উদ্ধৃতি দি জ্ঞানেশ কুমাৰৰ পদত্যাগৰ দাবী তীব্ৰতৰ কৰি তোলে। কংগ্ৰেছৰ সাংসদ ইমৰাণ মাছুদে অভিযোগ কৰে যে জ্ঞানেশ কুমাৰে নিৰ্বাচন আয়োগৰ প্ৰতি জনসাধাৰণৰ আস্থা ভংগ কৰিছে। তেওঁ কয়, “সমগ্ৰ দেশে বিশ্বাস কৰা, গৌৰৱ অনুভৱ কৰা প্ৰতিষ্ঠানটোৰ নেতৃত্ব জ্ঞানেশ কুমাৰে দিছে। এই প্ৰতিষ্ঠানৰ নিৰপেক্ষতাক লৈ কেতিয়াও প্ৰশ্ন উত্থাপন হোৱা নাছিল। এজন ব্যক্তিয়ে সেই বিশ্বাস ভংগ কৰিছে।” তেওঁ আৰু কয় যে ইণ্ডিয়া ব্লকে জ্ঞানেশ কুমাৰক প্ৰশ্ন কৰিব আৰু বিজেপিৰ মুখ্যমন্ত্ৰীসকলে ইয়াৰ উত্তৰ দিবলৈ বাধ্য হ'ব। চিপিআইৰ সাংসদ পি. সন্তোষ কুমাৰে কয় যে সোমবাৰে উচ্চতম ন্যায়ালয়ৰ পৰ্যবেক্ষণে ভোটাৰ তালিকাৰ এছআইআৰ সময়ত প্ৰ-পত্ৰ ছৰ সৈতে সংলগ্ন অতিৰিক্ত ঘোষণাৰ ওপৰত বিৰোধীৰ আপত্তিক অধিক শক্তিশালী কৰি তুলিছে। তেওঁ অভিযোগ কৰে, “২৬ ছেপ্টেম্বৰত আয়োগৰ এটা প্ৰেছ বিবৃতি প্ৰকাশ পাইছিল আৰু তাত কোৱা হৈছিল যে প্ৰ-পত্ৰ ৬ৰ সৈতে জড়িত সমগ্ৰ প্ৰক্ৰিয়াটোত উচ্চতম ন্যায়ালয়ে অনুমোদন জনাইছে। কিন্তু এইটো সম্পূৰ্ণ বিভ্ৰান্তিকৰ বিবৃতি বুলি প্ৰমাণিত হৈছে।” তেওঁ মুখ্য নিৰ্বাচন আয়ুক্তক “প্ৰতাৰক নিৰ্বাচন আয়ুক্ত” বুলি অভিহিত কৰি কয় যে ২০২৫ চনৰ পৰা বিৰোধী দলসমূহে এই বিধানৰ বিৰুদ্ধে আন্দোলন কৰি আহিছে আৰু তেওঁলোকৰ আন্দোলন অধিক তীব্ৰতৰ কৰা হ'ব। শিৱসেনা (ইউবিটি)ৰ সাংসদ সঞ্জয় ৰাউতে এই পদযাত্ৰাৰ পূৰ্বে বৃহৎ পৰিসৰত নিৰাপত্তাৰক্ষী নিয়োগক লৈ প্ৰশ্ন উত্থাপন কৰি কয়, “আমি সাংসদ। আমি সংসদৰ সদস্য। আমিও এই দেশৰ নাগৰিক। আমাক বাধা দিবলৈ ইমান বৃহৎ বাহিনী নিয়োগ কৰাৰ প্ৰয়োজন কিয়? আমি খোজকাঢ়ি যাম। আমি নিৰস্ত্ৰ।” ইফালে, ইণ্ডিয়া ব্লকৰ সমদলৰ পৰিপ্ৰেক্ষিতত দিল্লী যান-বাহন আৰক্ষীয়ে মঙলবাৰৰ বাবে বিশেষ নিৰ্দেশনা জাৰি কৰে। নতুন দিল্লী জিলাত পুৱা ৮ বজাৰ পৰা যাতায়াতৰ বিশেষ ব্যৱস্থা কৰা হয়। কনাট প্লেচৰ পৰা পেটেল চ'ক আৰু পাৰ্লিয়ামেণ্ট ষ্ট্ৰীট, পেটেল চ'কৰ পৰা জিপিঅ', উইণ্ডছৰ প্লেচৰ পৰা জিপিঅ' সংযোগী পথত যাতায়াত নিয়ন্ত্ৰণ বা গতি সলনি কৰা হয়। অশোক পথ, যন্তৰ-মন্তৰ পথ আৰু সংলগ্ন পথসমূহো প্ৰভাৱিত হয়। যাতায়াত কৰা লোকসকলক প্ৰতিবাদ অঞ্চলৰ মাজেৰে অপ্ৰয়োজনীয় যাত্ৰা পৰিহাৰ কৰিবলৈ, যাত্ৰাৰ বিকল্প পৰিকল্পনা কৰিবলৈ আৰু অতিৰিক্ত সময় হাতত লৈ আহিবলৈ পৰামৰ্শ দিয়া হয়। লগতে, আৰক্ষীৰ নিৰ্দেশনা আৰু সংকেত অনুসৰণ কৰিবলৈ আৰু নিষিদ্ধ অঞ্চলৰ ওচৰত ৰখা বা পাৰ্কিং নকৰিবলৈও জনোৱা হয়। উল্লেখ্য, সংসদ আৰু ইয়াৰ আশে-পাশে তথা নিৰ্বাচন আয়োগৰ মুখ্য কাৰ্যালয়ত ব্যাপক নিৰাপত্তাৰক্ষী নিয়োগ কৰাৰ লগতে বেৰিকেডৰ ব্যৱস্থা কৰা হৈছিল। সাংসদসকল তালৈ আহিবলৈ আৰম্ভ কৰাৰ বহু আগৰে পৰাই অঞ্চলটোত নিৰাপত্তাৰক্ষী নিয়োজিত কৰা হৈছিল।

বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে আশুতোষ

গ্ৰহণ কৰিব। দেশীয় যুঁজাৰু বিমান ‘তেজস’ আৰু বায়ুসেনাৰ অন্যান্য স্বদেশী বিমান প্ৰকল্প আগবঢ়াই নিয়াৰ ক্ষেত্ৰত আশুতোষ দীক্ষিতৰ বিশেষ ভূমিকা আছে। তেওঁ কেন্দ্ৰীয় চৰকাৰৰ ‘আত্মনিৰ্ভৰ ভাৰত’ উদ্যোগৰ অধীনত প্ৰতিৰক্ষা ক্ষেত্ৰত স্বদেশী প্ৰযুক্তি আৰু সামৰিক সঁজুলিৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ সম্ভাৱনা আছে। দীক্ষিতে ১৯৮৬ চনৰ ৬ ডিচেম্বৰত ভাৰতীয় বায়ুসেনাৰ যুঁজাৰু শাখাত নিযুক্তি লাভ কৰিছিল। তেওঁ ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা শিক্ষানুষ্ঠান, বাংলাদেশৰ প্ৰতিৰক্ষা সেৱা উচ্চ শিক্ষানুষ্ঠান আৰু ৰাষ্ট্ৰীয় প্ৰতিৰক্ষা মহাবিদ্যালয়ৰ প্ৰাক্তন ছাত্ৰ। তেওঁৰ ৩,৫০০ ঘণ্টাতকৈ অধিক উৰণৰ অভিজ্ঞতা আছে। দীক্ষিত যুঁজাৰু শাখাৰ বিষয়া আৰু ১৩৮ নম্বৰ পাঠ্যক্ৰমৰ সদস্য আছিল। ২০০৩ চনৰ ১৫ ডিচেম্বৰৰ পৰা ২০০৬ চনৰ ৰপ্ত জানুৱাৰীলৈ তেওঁ গোৱালিয়ৰৰ নৱম উৰণ দলৰ দলপতি হিচাপে কাৰ্যনিৰ্বাহ কৰে। তেওঁ নতুন দিল্লীৰ বায়ুসেনা মুখ্য কাৰ্যালয়ত বায়ুসেনাৰ প্ৰয়োজনীয়তা বিভাগৰ অধ্যক্ষ হিচাপেও কাম কৰিছিল। ২০১৮ চনৰ জানুৱাৰীৰ পৰা ২০১৯ চনৰ মে'লৈ তেওঁ বিদাৰ বায়ুসেনা ঘাটিৰ বায়ুসেনা অধিনায়ক আছিল। ইয়াৰ পিছত তিৰুৱনন্তপুৰমস্থিত দক্ষিণ বায়ুসেনা অধিক্ষেত্ৰত বায়ু প্ৰতিৰক্ষা অধিনায়ক হিচাপে দায়িত্ব পালন কৰে। ২০২০ চনৰ অক্টোবৰৰ পৰা ২০২১ চনৰ ছেপ্টেম্বৰলৈ তেওঁ বায়ুসেনা মুখ্য কাৰ্যালয়ত বায়ুসেনা মুৰব্বীৰ সহকাৰী শচপ্ৰকল্পগ্ন আছিল। ২০২১ চনৰ অক্টোবৰৰ পৰা চজ্ঞচচ চনৰ ছেপ্টেম্বৰলৈ বায়ুসেনা মুৰব্বীৰ সহকাৰী (পৰিকল্পনা) হিচাপে কাৰ্যনিৰ্বাহ কৰে। বায়ুসেনাৰ জ্যেষ্ঠ বিষয়া হিচাপে তেওঁ দক্ষিণ-পশ্চিম বায়ুসেনা অধিক্ষেত্ৰৰ জ্যেষ্ঠ বায়ুসেনা বিষয়া, বায়ুসেনা মুখ্য কাৰ্যালয়ৰ বায়ুসেনা উপ-মুৰব্বী আৰু এলাহাবাদস্থিত মধ্য বায়ুসেনা অধিক্ষেত্ৰৰ বায়ুসেনা মুখ্য অধিনায়ক হিচাপে গুৰুত্বপূৰ্ণ দায়িত্ব পালন কৰে। ২০২৫ চনৰ মে'ৰ পৰা ২০২৬ চনৰ জুনলৈ তেওঁ সমন্বিত প্ৰতিৰক্ষা সেৱাৰ মুৰব্বী, প্ৰতিৰক্ষা সেৱা প্ৰধানসকলৰ সমিতিৰ অধ্যক্ষৰ অধীনত কাৰ্যনিৰ্বাহ কৰিছিল। ২০২৬ চনৰ জুলাইৰ পৰা তেওঁ দিল্লীৰ বায়ুসেনা মুখ্য কাৰ্যালয়ত মুখ্য বিষয়া শচপৰিচালনাগ্ন আৰু বায়ুসেনা উপ-মুৰব্বী হিচাপে কাৰ্যনিৰ্বাহ কৰি আহিছে। বায়ুসেনাৰ জ্যেষ্ঠ বিষয়া আশুতোষ দীক্ষিতে বায়ুসেনা পদক, বিশিষ্ট সেৱা পদক আৰু অতি বিশিষ্ট সেৱা পদক লাভ কৰিছে। ২০০৬ চনত কৰ্তব্যৰ প্ৰতি নিষ্ঠাৰ বাবে তেওঁ বায়ুসেনা পদক লাভ কৰে। এগৰাকী যুঁজাৰু দলৰ দলপতি হিচাপে তেওঁ দলটোৰ পুনৰুজ্জীৱন আৰু মিৰাজ-২০০০ বিমানৰে পুনৰ সজ্জিত কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছিল। ফ্ৰান্সৰ পৰা ১০খন নতুন মিৰাজ-২০০০ বিমান ভাৰতলৈ অনা আৰু সেই বিমানসমূহৰ গ্ৰহণ উৰণতো তেওঁ গুৰুত্বপূৰ্ণ ভূমিকা লৈছিল। ২০১১ চনত তেওঁ বিশিষ্ট সেৱা পদক লাভ কৰে। ২০টাতকৈ অধিক ধৰণৰ বিমানত ৩,২০০ ঘণ্টা উৰণ অভিজ্ঞতা থকা দীক্ষিতে যোগ্য উৰণ শিক্ষক আৰু পৰীক্ষামূলক উৰণ পৰীক্ষক হিচাপে কাম কৰিছে। জাগুৱাৰ আৰু মিগ-২৭ বিমানৰ স্বদেশী উন্নয়ন প্ৰকল্পতো তেওঁ জড়িত আছিল। লগতে মধ্যমীয়া বহুমুখী যুঁজাৰু বিমান প্ৰকল্পৰ অধীনত বিমানৰ কাৰিকৰী মূল্যায়ন আৰু ক্ষেত্ৰ পৰীক্ষাতো তেওঁ অংশগ্ৰহণ কৰিছিল। দেশীয় যুদ্ধবিমান আৰু প্ৰতিৰক্ষা প্ৰযুক্তিৰ ক্ষেত্ৰত তেওঁৰ দীঘলীয়া অভিজ্ঞতাৰ প্ৰতি লক্ষ্য ৰাখি, ভাৰতীয় বায়ুসেনাৰ নতুন মুৰব্বী হিচাপে আশুতোষ দীক্ষিতৰ কাৰ্যকালত স্বদেশী প্ৰতিৰক্ষা প্ৰযুক্তি আৰু ‘আত্মনিৰ্ভৰ ভাৰত'ৰ ওপৰত অধিক গুৰুত্ব দিয়াৰ সম্ভাৱনা আছে।

ভাৰতীয় মহিলা ক্ৰিকেট দলৰ অধিনায়কত্ব

কৌৰৰ এই ঘোষণাৰ পাছত এতিয়া নতুন অধিনায়কক লৈ ক্ৰিকেট মহলত জোৰদাৰ চৰ্চা আৰম্ভ হৈছে। ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ ব'ৰ্ডে (BCCI) এতিয়ালৈকে নতুন অধিনায়কৰ নাম আনুষ্ঠানিকভাৱে ঘোষণা কৰা নাই। যদিও বৰ্তমানৰ সহ-অধিনায়ক স্মৃতি মান্ধানাই এই পদৰ বাবে আটাইতকৈ শক্তিশালী দাবীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে বুলি আলোচনা চলিছে। ইফালে, হৰমনপ্ৰীত কৌৰে সামাজিক মাধ্যমত পোষ্ট কৰি নিজৰ সিদ্ধান্তৰ কথা জনাইছে। তেওঁ লিখিছে যে, পদত্যাগৰ সিদ্ধান্তটো তেওঁৰ বাবে সহজ নহয়। বছৰৰ পাছত বছৰ দেশক দিয়াৰ পাছত এতিয়া তেওঁ নিজকে কিছু সময় দিয়াৰ পৰিকল্পনা কৰিছে। তেওঁ পোষ্টত লিখিছে, “মই মহিলা ক্ৰিকেটক মোৰ তেজ, ঘাম, সময় আৰু জীৱনৰ এক মূল্যবান সময় দিছো। মোৰ ব্যক্তিগত পাৰফৰমেন্স, মোৰ উন্নতি আৰু মই কি বিচাৰিছো-সকলোবোৰ দূৰৈত ৰাখিছো। কাৰণ মই ধাৰণা কৰো, দল সদায়ে আগত। কোনো সিদ্ধান্তই সহজ নহয়। সিদ্ধান্ত লওঁতে নিজৰ ব্যক্তিগত কিছু কথাও এৰিবলগীয়া হয়। কিন্তু মোৰ সকলো সিদ্ধান্তৰ আঁৰতেই থাকে দলৰ উন্নতি।” তেওঁ আৰু লিখিছে, “এয়া কোনো সহজ সিদ্ধান্ত নহয়। এয়া বছৰ বছৰ ধৰি গোটোৱা স্মৃতি, আৱেগ, ত্যাগ, আৰু মই মোৰ সৈতে সমগ্ৰ জীৱন কঢ়িয়াই লৈ ফুৰিব পৰা এক কাহিনী। মোৰ সকলোখিনি মই দলটোক, অৰ্থাৎ ভাৰতীয় মহিলা ক্ৰিকেটক দিছো। মোৰ তেজ, মোৰ ঘাম, মোৰ সময়, আৰু বহুবাৰ মোৰ নিজৰ খেল আৰু ব্যক্তিগত উচ্চাকাংক্ষাও ত্যাগ দিছো। এনেকুৱা কিছু মুহূৰ্তও আহিছিল যেতিয়া মই মোৰ ব্যক্তিগত প্ৰদৰ্শন, নিজৰ বিচাৰখিনি এফালে ৰাখিবলগীয়া হৈছিল, কাৰণ মই বিশ্বাস কৰিছিলো যে দলটোৱে প্ৰথম স্থান লাভ কৰিব লাগিব।” উল্লেখ্য, হৰমনপ্ৰীত কৌৰৰ অধিনায়কত্বত ভাৰতীয় মহিলা দলে বহু ঐতিহাসিক জয় আৰু সাফল্য লাভ কৰিছে। এতিয়া তেওঁৰ পদত্যাগে ভাৰতীয় মহিলা ক্ৰিকেটত নতুন অধ্যায়ৰ আৰম্ভণি কৰিব পাৰে। নতুন অধিনায়ক কোন হয়, সেই লৈ সমগ্ৰ ক্ৰিকেট অনুৰাগীৰ দৃষ্টি নিবদ্ধ হৈ আছে।

৭৬ শতাংশ ভোটদানেৰে সমাপ্ত

ইভিএমৰ কাৰিকৰী বিজুতিৰ বাবে কিছু সময়ৰ বাবে ভোটগ্ৰহণত বিলম্ব ঘটে যদিও সামগ্ৰিকভাৱে ভোটগ্ৰহণ শান্তিপূৰ্ণভাৱে সম্পন্ন হয়। জিলা আয়ুক্ত তথা ৰিটাৰ্ণিং বিষয়া আৰণ্যক শইকীয়াই কেইবাটাও স্পৰ্শকাতৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি পৰিস্থিতিৰ বুজ লোৱাৰ লগতে ভোটগ্ৰহণকাৰী বিষয়াসকলক প্ৰয়োজনীয় পৰামৰ্শ আৰু উৎসাহ প্ৰদান কৰে। উল্লেখ্য যে, পূৰ্বৰ বিধানসভা নিৰ্বাচনত সমষ্টিসমূহত ভোটদানৰ হাৰ তুলনামূলকভাৱে অধিক আছিল। ধিঙত ৯০.৩৪, ৰূপহীহাটত ৯২.৭৪, চামগুৰিত ৯১.৩১, নগাঁও-বটদ্ৰৱাত ৮৩.৩৬, ৰহাত ৮৩.৮৩, জাগীৰোডত ৮৭.৩৩, লাহৰীঘাটত ৯৪.৭২ আৰু মৰিগাঁৱত ৮৪.৬৭ শতাংশ ভোটদান হৈছিল।

আৰক্ষীৰ গুলীত আহত নিমিষা ঠাকুৰীয়া

ছাত্ৰী নিমিষা ঠাকুৰীয়াৰ ৰহস্যজনক মৃত্যু ঘটিছিল। এই ঘটনাৰ লগত আছিক আলীৰ নাম জড়িত হৈ পৰে। পেছাত ৰং মিস্ত্ৰী বুলি পৰিচিত আছিক আলীক আৰক্ষীয়ে পৰৱৰ্তী সময়ত গ্ৰেপ্তাৰ কৰে। আৰক্ষীয়ে আছিক আলীক আদালতত হাজিৰ কৰোৱাৰ পিছত ন্যায়ালয়ে তেওঁক ৮ দিনৰ বাবে আৰক্ষী জিম্মালৈ প্ৰেৰণ কৰে। সেই আৰক্ষী জিম্মাত থকাৰ সময়তেই পলায়নৰ চেষ্টা চলাওতে ধাৰাপুৰ অঞ্চলত গুলীচালনাৰ ঘটনা সংঘটিত হয়। প্ৰাপ্ত তথ্য অনুসৰি, আছিক আলীয়ে আৰক্ষীৰ জিম্মাৰ পৰা পলায়নৰ চেষ্টা চলাওতে ধাৰাপুৰ আৰক্ষীয়ে গুলীচালনা কৰে। গুলী তেওঁৰ ভৰিত লাগে আৰু তেওঁ গুৰুতৰভাৱে আহত হয়। আহত অৱস্থাত তেওঁক গুৱাহাটী চিকিৎসা মহাবিদ্যালয় হাস্পতালত ভৰ্তি কৰোৱা হয়। ইপিনে, নিমিষা ঠাকুৰীয়াৰ মৃত্যুৰ ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে। মূল অভিযুক্ত আছিক আলী আৰক্ষী জিম্মাত থকাৰ সময়তে সংঘটিত এই গুলীচালনাৰ ঘটনাই ৰাজ্যজুৰি নতুন চৰ্চাৰ সৃষ্টি কৰিছে। আহত আছিক আলীৰ অৱস্থা আৰু তদন্তৰ পৰৱৰ্তী গতি সম্পৰ্কে অধিক তথ্যৰ বাবে আৰক্ষীৰ বক্তব্যৰ বাবে অপেক্ষা কৰা হৈছে।

গুৱাহাটীত ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহৰ

গুৰুত্বপূৰ্ণ দুখন প্ৰতিবেদন উন্মোচন কৰে। ৰাজ্য চৰকাৰৰ বন বিভাগ আৰু ডব্লিউ ডব্লিউ এফ ইণ্ডিয়াৰ যৌথ উদ্যোগত প্ৰস্তুত কৰা ‘ট্ৰেকিং দ্য জায়েণ্টছ’ শীৰ্ষক প্ৰতিবেদনত ৫টা ৰেডিঅ' কলাৰ লগোৱা হাতীয়ে ৫ বছৰত সংগ্ৰহ কৰা ৩৮ হাজাৰতকৈ অধিক জি পি এছ অৱস্থানৰ জৰিয়তে বিচৰণ সম্পৰ্কীয় তথ্য প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি হাতীসমূহৰ ঋতুভিত্তিক প্ৰব্ৰজন আৰু আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সিপাৰে চলা বিচৰণ সম্পৰ্কতো তথ্য দিয়া হৈছে। আনখন প্ৰতিবেদন ‘ছেফগাৰ্ডিং ৱাইল্ডলাইফ মোভমেণ্ট'ত ধনশিৰি, লামদিং আৰু হস্তী সংৰক্ষিত বনাঞ্চলৰ মাজেৰে পাৰ হৈ যোৱা ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত বন্যপ্ৰাণীৰ বিচৰণ সুৰক্ষিত কৰিবলৈ গ্ৰহণ কৰা ব্যৱস্থাসমূহৰ বিষয়ে উল্লেখ কৰা হৈছে। এই অনুষ্ঠানত সমৰ্পিত মনোভাৱেৰে কাম কৰা আগশাৰীৰ বনকৰ্মী আৰু বন্যপ্ৰাণী সুৰক্ষাৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন কৰাসকলক স্বীকৃতি প্ৰদান কৰা হয়। ইপিনে, বন্যপ্ৰাণী সপ্তাহ উপলক্ষে বাক্সা জিলাৰ শালবাৰীত আজি এখন সজাগতা সমদল উলিওৱা হয়। ৭২ সংখ্যক বন্যপ্ৰাণী সপ্তাহৰ সৈতে সংগতি ৰাখি বন বিভাগে আয়োজন কৰা এই সমদলৰ জৰিয়তে বন্যপ্ৰাণী সুৰক্ষাক লৈ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। এই কাৰ্যসূচীত শালবাৰী সংমণ্ডলৰ অধীনৰ বন বিষয়া আৰু কৰ্মীসকলে অংশগ্ৰহণ কৰে।

স্বৰ্ণ জয় কৰি মাতৃভূমিত লাভলীনা বৰগোহাঁই

সংগঠনৰ নেতা-কৰ্মী উপস্থিত থাকে। সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা, সাধাৰণ সম্পাদক সমীৰণ ফুকন আৰু মুখ্য উপদেষ্টা ড° সমুজ্জ্বল ভট্টাচাৰ্যই লাভলীনা বৰগোহাঁইক বিমানবন্দৰত উষ্ম আদৰণি জনায়। ইয়াৰ উপৰি শুভাকাংক্ষী আৰু সমৰ্থকসকলে বিমানবন্দৰৰ পৰা দেশৰ গৌৰৱ স্বৰ্ণকন্যা লাভলীনাক আদৰি আনে। এছিয়া ক্ৰীড়া মহোৎসৱত স্বৰ্ণ জয় কৰি মাতৃভূমিত উপস্থিত হোৱা লাভলীনা বৰগোহাঁইৰ এই আগমন অসমৰ বাবে গৌৰৱৰ মুহূৰ্ত হিচাপে পৰিগণিত হৈছে।

অধিনায়ক শ্ৰেয়াছ আয়াৰৰ শতকীয় বিস্ফোৰণ

কৰে। এয়া টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেটত আয়াৰৰ প্ৰথমটো শতক। মুঠ ৪৩টা বলত ১০২ ৰান সংগ্ৰহ কৰি অপৰাজিত থাকে আয়াৰ। তেওঁৰ ইনিংছটোত আছিল ১০টা চাৰি আৰু ৬টা ছয়। দীৰ্ঘদিনৰ পিছত বেটৰ পৰা এনে দুৰ্দান্ত ইনিংছ অহাত আয়াৰেও নিশ্চয় স্বস্তিৰ নিশ্বাস পেলায়। ১০টা ইনিংছৰ পিছত তেওঁ অৰ্ধশতক বা শতক অৰ্জন কৰিবলৈ সক্ষম হয়। আনহাতে, ঈশান কিষাণেও আয়াৰক যোগ্য সংগ দিয়ে। তেওঁ ২৭টা বলত ৩৭ ৰান কৰি অপৰাজিত থাকে। ইফালে প্ৰথমে বেটিং কৰা ৰেষ্ট ইণ্ডিজে ভাৰতীয় স্পিনাৰসকলৰ নিয়ন্ত্ৰিত বলিঙৰ সন্মুখত তিষ্ঠিব নোৱাৰি ১৭১ ৰানতে আটাইকেইটা উইকেট হেৰুৱাই। অধিনায়ক শাই হোপে পুচ ৰান আৰু শ্বেৰফানে ৰাদাৰফোৰ্ডে পুছ ৰান সংগ্ৰহ কৰিলেও দলটোৱে ২০ অভাৰ খেলাত ব্যৰ্থ হয়। আনহাতে ৪২টা বলত শতক সম্পূৰ্ণ কৰি শ্ৰেয়াছ আয়াৰে আন এক কৃতিত্ব অৰ্জন কৰে। টি-২০ ক্ৰিকেটৰ ইতিহাসত অধিনায়ক হিচাপে এয়া চতুৰ্থ দ্ৰুততম শতক। ভাৰতীয় অধিনায়কৰ ভিতৰত আয়াৰৰ এই শতক দ্বিতীয় দ্ৰুততম। ভাৰতৰ হৈ অধিনায়ক হিচাপে দ্ৰুততম টি-২০ শতকৰ অভিলেখ ৰোহিত শৰ্মাৰ নামত আছে। ৰোহিতে মাত্ৰ ৩৫টা বলত শতক অৰ্জন কৰিছিল। এই জয়ৰ লগে লগে পাঁচখনীয়া টি-২০ শৃংখলাত ১-০ ব্যৱধানত আগবাঢ়িল ভাৰত। শৃংখলাৰ দ্বিতীয়খন মেচ ৯ অক্টোবৰত ৰাঁচীত অনুষ্ঠিত হ'ব।

শিলচৰ পৌৰ নিগমত বিজেপিৰ বিশাল জয়

যুঁজতো কংগ্ৰেছ ধৰাশায়ী হোৱাৰ পিছত মুখ্যমন্ত্ৰীয়ে এই মন্তব্য কৰে। ফলাফল অনুসৰি, শিলচৰ পৌৰ নিগমৰ নিৰ্বাচনত কংগ্ৰেছতকৈ নিৰ্দলীয়ই বেছি আসন লাভ কৰিছে। নিৰ্দলীয়ই ৫খন আসন লাভ কৰিছে, আনহাতে কংগ্ৰেছে মাত্ৰ দুখন আসনহে লাভ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে দিনে দিনে কংগ্ৰেছৰ ভোট বঢ়াৰ পৰিৱৰ্তে পূৰ্বতকৈ কমি আহিছে। তেওঁ অখিল গগৈৰ আন্দোলন সন্দৰ্ভত কয়, “অখিল গগৈয়ে যি আন্দোলন কৰে কৰক। কিন্তু অখিলৰ চাপসৃষ্টি নচলিব।” তেওঁ লগতে কয়, “আমাৰ সন্মানীয় শিক্ষকসকলে সমীক্ষা কৰি আছে। সেই অনুসৰি বানসাহায্য দিয়া হ'ব। অখিলে যদি উগ্ৰ আন্দোলন কৰে, তেন্তে অসমৰ ৰাইজে উপযুক্ত উত্তৰ দিব।” মুখ্যমন্ত্ৰীয়ে কয় যে শিলচৰ পৌৰ নিগমৰ বৃহৎ জয়েৰে প্ৰধানমন্ত্ৰীক তেওঁৰ ২৫ বছৰীয়া ৰাষ্ট্ৰসেৱাৰ উপহাৰ অসমবাসীয়ে আগবঢ়াইছে। আনহাতে, কংগ্ৰেছৰ ভোট যন্ত্ৰৰ সৈতে ছলচাতুৰিৰ অভিযোগৰ সময়তে শিলচৰৰ নিৰ্বাচনত ভোটপত্ৰতো বিজেপি জয়ী হৈছে। ভোট যন্ত্ৰতো বিজেপি, ভোটপত্ৰতো বিজেপি। এই সন্দৰ্ভত বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই প্ৰতিক্ৰিয়া প্ৰকাশ কৰে। আকৌ, কংগ্ৰেছক শিলচৰৰ ৰাইজে প্ৰত্যাখ্যান কৰিছে। কংগ্ৰেছৰ ভোট যন্ত্ৰক লৈ অভিযোগৰ সময়তে ভোটপত্ৰতো কংগ্ৰেছৰ বিপৰ্যয় ঘটিছে। ভোট যন্ত্ৰ আৰু ভোটপত্ৰ-সকলোতে ৰাইজে কংগ্ৰেছক প্ৰত্যাখ্যান কৰিছে বুলি মন্ত্ৰী কৌশিক ৰয়ে মন্তব্য কৰে।

২০৩৬ অলিম্পিক আয়োজনৰ দৌৰত

চহৰ হিচাপে প্ৰস্তাৱ কৰিছে। ইয়াৰ লগতে দেশখনে ক্ৰীড়া আন্তঃগাঁথনি উন্নত কৰাৰ পৰিকল্পনা আগবঢ়াইছে। সেই পৰিকল্পনাৰ অংশ হিচাপে ২০৩০ চনৰ কমনৱেলথ গেমছ দেশৰ সৰ্ববৃহৎ ক্ৰিকেট ষ্টেডিয়াম নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত আয়োজন কৰাৰ কথা ভাবি থকা হৈছে। ভাৰতৰ লগতে কাটাৰেও আয়োজক হোৱাৰ দৌৰত শক্তিশালী দাবীদাৰ হিচাপে আত্মপ্ৰকাশ কৰিছে। কাটাৰে দোহাক মূল আয়োজক চহৰ হিচাপে প্ৰস্তাৱ কৰিছে। ইয়াৰ উপৰি দেশখনৰ আন কিছু স্থানতো কেইবাটাও ইভেণ্ট অনুষ্ঠিত কৰাৰ পৰিকল্পনা আছে। এই দৌৰত আন পাঁচখন দেশো আছে। সেইকেইখন হ'ল-দক্ষিণ কোৰিয়া, জাৰ্মানী, দক্ষিণ আফ্ৰিকা, হাংগেৰী আৰু তুৰ্কী। দক্ষিণ কোৰিয়াই ছিউলক আয়োজক চহৰ হিচাপে প্ৰস্তাৱ কৰিছে। উল্লেখ্য, ছিউলত ১৯৮৮ চনত অলিম্পিক অনুষ্ঠিত হৈছিল। জাৰ্মানীয়ে মিউনিখক প্ৰস্তাৱ কৰিছে। দক্ষিণ আফ্ৰিকাই কেপ টাউনক প্ৰস্তাৱ কৰিছে। অলিম্পিক আয়োজন কৰা প্ৰথমখন আফ্ৰিকান দেশ হোৱাৰ লক্ষ্য দেশখনে লৈছে। হাংগেৰীয়ে ৰাজধানী বুদাপেষ্ট আৰু তুৰ্কীয়ে ইস্তানবুলক প্ৰস্তাৱ কৰিছে। এই দেশসমূহৰ কেইবাখনোৱে ২০৪০ আৰু ২০৪৪ চনৰ অলিম্পিক আয়োজনৰ বাবেও আগ্ৰহ প্ৰকাশ কৰিছে। মঙলবাৰে IOC-এ আয়োজক চহৰ নিৰ্বাচনৰ বাবে ৩০ পৃষ্ঠাৰ এখন নিৰ্দেশিকা প্ৰকাশ কৰে। এই নিৰ্দেশিকাত আবেদন মূল্যায়নৰ নিয়ম আৰু প্ৰক্ৰিয়া সন্দৰ্ভত বিতংভাৱে উল্লেখ কৰা হৈছে। ৰাষ্ট্ৰীয় অলিম্পিক কমিটীসমূহে ৰ অক্টোবৰত আবেদন দাখিলৰ সময়সীমা শেষ হোৱাৰ আগলৈকে নতুন প্ৰস্তাৱ দাখিল কৰিব পাৰিব। IOCৰ কাৰ্যবাহী ব'ৰ্ডে অহা মাৰ্চ মাহত সকলো আবেদন পৰ্যালোচনা কৰিব। ইয়াৰ পিছত চূড়ান্ত পৰিকল্পনাৰ বাবে কেইখনমান দেশক বাছনি কৰা হ'ব। ২০২৯ চনত IOCৰ ১০০ৰো অধিক সদস্যই গোপন ভোটৰ জৰিয়তে আয়োজক চহৰ নিৰ্বাচন কৰিব। এই ভোটদানত ৰিলায়েন্স ফাউণ্ডেচনৰ অধ্যক্ষ নীতা আম্বানী আৰু কাটাৰৰ আমিৰ শ্বেইখ তামিম বিন হামাদ আল থানীয়েও অংশ ল'ব। উল্লেখ্য, ভাৰতে শেষবাৰৰ বাবে ২০১০ চনত নতুন দিল্লীত কমনৱেলথ গেমছ আয়োজন কৰিছিল। শেহতীয়াকৈ দেশখনত অনুষ্ঠিত হোৱা কেইবাটাও আন্তঃৰাষ্ট্ৰীয় ক্ৰীড়া প্ৰতিযোগিতাই বিশ্বমানৰ বৃহৎ ক্ৰীড়া আয়োজন পৰিচালনা কৰাৰ ভাৰতৰ সক্ষমতা প্ৰমাণ কৰিছে।

হস্ততাঁত মন্ত্ৰী বিশ্বজিৎ দৈমাৰীৰ উপস্থিতিত

কৰে। ভাৰত চৰকাৰৰ বস্ত্ৰ মন্ত্ৰালয়ৰ সহযোগত আৰু ‘ৰাষ্ট্ৰীয় হস্ততাঁত উন্নয়ন কাৰ্যসূচী’ৰ (NHDP) অধীনত ৰূপায়িত ‘মেগা হেণ্ডলুম ক্লাষ্টাৰ’ প্ৰকল্পৰ অংশ হিচাপে এই সামগ্ৰীসমূহ বিতৰণ কৰা হয়। অনুষ্ঠানত হাজো-শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাস, হস্ততাঁত আৰু বস্ত্ৰ সঞ্চালকালয়ৰ সঞ্চালক ময়ূৰী ওজা, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কামৰূপ অতিৰিক্ত আয়ুক্ত গীতাশ্ৰী লাচিত, গুৱাহাটীৰ শিপিনী সেৱা কেন্দ্ৰৰ সঞ্চালক বিশেষ নটিয়াল, শুৱালকুছি জিলা পৰিষদৰ সদস্য ধীৰাজ মহন্ত, অতিৰিক্ত সঞ্চালক ৰণজিৎ ডেকা, অৱসৰপ্ৰাপ্ত অতিৰিক্ত সঞ্চালক নীৰেন্দ্ৰ নাথ ৰাণা পাটগিৰি আৰু স্থানীয় বিশিষ্ট ব্যক্তিসকলৰ লগতে সহস্ৰাধিক শিপিনী উপস্থিত থাকে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মন্ত্ৰীগৰাকীয়ে কয় যে শুৱালকুছিৰ শিপিনীসকলৰ দক্ষতা আৰু প্ৰযুক্তিৰ মাজত আধুনিক সংযোগ ঘটাই হস্ততাঁত খণ্ডক সম্পূৰ্ণ আত্মনিৰ্ভৰ কৰি তোলাৰ লক্ষ্যৰে এই মেগা প্ৰকল্প হাতত লোৱা হৈছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ যৌথ উদ্যোগত প্ৰায় ৩২.৪১ কোটি টকাৰ বিশাল বাজেটেৰে এই প্ৰকল্প আৰম্ভ কৰা হৈছে। ইয়াৰ জৰিয়তে অঞ্চলটোৰ পুখন গাঁও পঞ্চায়তৰ অধীনৰ ৬৮খন গাঁৱৰ সকলো ৪,২৬৬ গৰাকী লক্ষ্যভুক্ত শিপিনীক ১০০%সামৰি লৈ একোখনকৈ উন্নতমানৰ উৰামাকোঁ তাঁতশাল প্ৰদান কৰাৰ সিদ্ধান্ত লোৱা হৈছে। এই প্ৰকল্পৰ অধীনত লোকনিৰ্মাণ বিভাগৰ সহযোগত ৪টা কমন প্ৰচেছিং চেণ্টাৰ (CPC), আধুনিক ডাই হাউছ, পোছাক প্ৰস্তুতকৰণ ইউনিট, তিনিমহলীয়া কম্পিউটাৰাইজড ডিজাইন ষ্টুডিঅ' (CATD), বিক্ৰী কেন্দ্ৰ, ডিজিটেল কাৰ্ড পাঞ্চিং, আধুনিক সূতা ৰং কেন্দ্ৰ আৰু ১৫০ আসনযুক্ত আৱাসৰ ব্যৱস্থা গঢ়ি তোলা হ'ব। ইয়াৰ লগতে স্থানীয়ভাৱে উৎপাদিত সামগ্ৰী বিশ্ব বজাৰত তুলি ধৰিবলৈ এক সুদৃশ্য ‘হস্ততাঁত শ্বপিং প্লাজা’ আৰু ই-বিপণন ব্যৱস্থা স্থাপন কৰা হ'ব। এই মেগা প্ৰকল্পৰ সফল ৰূপায়ণে শুৱালকুছিত এক অভূতপূৰ্ব অৰ্থনৈতিক পৰিৱৰ্তন আনিব। শিপিনীসকলৰ দৈনিক গড় উপাৰ্জন বৰ্তমানৰ তুলনাত দুগুণলৈ বৃদ্ধি পোৱাৰ লগতে বাৰ্ষিক কৰ্মদিন ২২৫ দিনৰ পৰা ৩০৫ দিনলৈ বৃদ্ধি পাব, যাৰ ফলত শিপিনী সমাজৰ স্থায়ী জীৱিকা নিশ্চিত হ'ব আৰু অসমৰ স্বাভিমান পাট-মুগা তথা গৃহ বস্ত্ৰৰ ৰপ্তানিৰ পৰিমাণ আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত বহু পৰিমাণে বৃদ্ধি পাব।

অত্যাৱশ্যকীয় ঔষধৰ উপলব্ধতা

সহজলভ্যতা নিশ্চিত কৰাৰ ক্ষেত্ৰত সমগ্ৰ ভাৰতৰ ভিতৰত অসমে দ্বিতীয় স্থান লাভ কৰিছে। ভাৰত চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়ৰ এই স্বীকৃতিয়ে ৰাজ্যখনৰ চৰকাৰী স্বাস্থ্য প্ৰতিষ্ঠানসমূহত অত্যাৱশ্যকীয় ঔষধৰ তালিকা ফলপ্ৰসূভাৱে ৰূপায়ণ কৰা আৰু জনসাধাৰণক সময়মতে মানসম্পন্ন স্বাস্থ্যসেৱা প্ৰদানৰ প্ৰতি ৰাজ্য চৰকাৰৰ দায়বদ্ধতাক প্ৰতিফলিত কৰিছে। এই কথা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সামাজিক মাধ্যমত প্ৰকাশ কৰা বাৰ্তাত উল্লেখ কৰিছে। মুখ্যমন্ত্ৰীয়ে কয় যে উন্নত স্বাস্থ্যসেৱা প্ৰতিগৰাকী নাগৰিকৰ অধিকাৰ। ‘সুস্থ-সবল অসম’ গঢ়াৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে স্বাস্থ্যসেৱাক অধিক সুলভ, সহজলভ্য আৰু গুণগত কৰি তোলাৰ বাবে নিৰন্তৰভাৱে কাম কৰি আহিছে। এই সাফল্যৰ আঁৰত থকা প্ৰতিগৰাকী চিকিৎসক, স্বাস্থ্যকৰ্মী আৰু স্বাস্থ্য বিভাগৰ বিষয়া-কৰ্মচাৰীলৈ তেওঁ আন্তৰিক অভিনন্দন আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছে। লগতে, এই স্বীকৃতিয়ে ৰাজ্যৰ স্বাস্থ্য ব্যৱস্থাৰ প্ৰতি জনসাধাৰণৰ আস্থা আৰু অধিক দৃঢ় কৰিব বুলি আশা প্ৰকাশ কৰা হৈছে।

হৰমুজ প্ৰণালীত পানামাৰ পতাকাযুক্ত

জাহাজখন হৰমুজ প্ৰণালীৰে পাৰ হৈ গৈ থকা অৱস্থাত এই আক্ৰমণৰ বলি হয়। জাহাজখনত থকা মুঠ ১৯জন লোকৰ ভিতৰত ১৭ জনেই আছিল ভাৰতীয় নাগৰিক। আক্ৰমণত চালক দলৰ ৰচজন সদস্য আহত হয়, যাৰ ভিতৰত ৰৱজন ভাৰতীয় নাৱিক। ভাৰতৰ বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে এই আক্ৰমণক তীব্ৰ ভাষাৰে গৰিহণা দিছে। বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয়ে লগতে কয়, “আজি ওমানৰ উপকূলৰ ওচৰত পানামাৰ পতাকা থকা বাণিজ্যিক জাহাজ এম টি অন পিছ (আই এম অ' ৯৮৯৩২০৪)ৰ ওপৰত হোৱা আক্ৰমণক আমি গৰিহণা দিছো। জাহাজখনে হৰমুজ জলপথ অতিক্ৰম কৰাৰ সময়ত প্ৰজেক্টাইলৰ খুন্দাত পৰে।” তেওঁলোকে কয়, “ওমান কৰ্তৃপক্ষৰ সহায়ত আহত ক্ৰু মেম্বাৰক উদ্ধাৰ কৰি ওমানৰ খাছাবত চিকিৎসা গ্ৰহণ কৰি আছে। আমি ওমান কৰ্তৃপক্ষক তেওঁলোকৰ অমূল্য সহায়ৰ বাবে ধন্যবাদ জনাইছো।” মন্ত্ৰালয়ে আৰু উল্লেখ কৰে, “এই অঞ্চলত জাহাজত অব্যাহত থকা আক্ৰমণ ভাৰতৰ বাবে গভীৰ চিন্তাৰ বিষয়। আমি অঞ্চলটোত শান্তি আৰু স্থিতিশীলতা বজাই ৰাখিবলৈ এনে আক্ৰমণ শীঘ্ৰে বন্ধ কৰাৰ আহ্বান পুনৰবাৰ প্ৰকাশ কৰিছো।” উল্লেখ্য, হৰমুজ প্ৰণালী বিশ্বৰ অন্যতম গুৰুত্বপূৰ্ণ সামুদ্ৰিক বাণিজ্য পথ হিচাপে পৰিচিত। এই অঞ্চলত চলি থকা উত্তেজনাৰ মাজত বাণিজ্যিক জাহাজলৈ সংঘটিত এই আক্ৰমণে আন্তৰ্জাতিক সামুদ্ৰিক নিৰাপত্তা আৰু ভাৰতীয় নাৱিকসকলৰ সুৰক্ষা সন্দৰ্ভত নতুন উদ্বেগৰ সৃষ্টি কৰিছে।

নগাঁও উপনিৰ্বাচনত কংগ্ৰেছ তৃতীয় স্থানতে

বদৰুদ্দিন আজমলৰ দল; আৰু কংগ্ৰেছ তৃতীয় স্থানত থাকিব। তেওঁ কয়, “নগাঁৱত আমাৰ মূল যুঁজখন হ'ব আজমলৰ সৈতে। একেবাৰে কম ভোট লাভ কৰি তৃতীয় স্থানতহে থাকিব কংগ্ৰেছ। কংগ্ৰেছৰ অৱস্থা একেবাৰে ভাল নহয়; নিৰ্বাচনী ফলাফলত দ্বিতীয় স্থানত থাকিব বদৰুদ্দিন আজমল।” ভোট চুৰিৰ অভিযোগ সন্দৰ্ভত পীযুষ হাজৰিকাই প্ৰশ্ন কৰি কয়, “ভাৰতীয় জনতা পাৰ্টিয়ে যদি ভোট চুৰি কৰিছেই, তেনেহ'লে তেলেংগানা, কেৰালা আৰু কৰ্ণাটকত সেই দল কিয় হাৰিল? যদি আমি ভোট চুৰি কৰিছো, তেনেহ'লে হিমাচল প্ৰদেশত কংগ্ৰেছ কেনেকৈ জয়ী হ'ল? অৰ্থাৎ য'ত কংগ্ৰেছে জয়ী হয়, তাত নিৰ্বাচন স্বচ্ছ হয়; কিন্তু ভাৰতীয় জনতা পাৰ্টি জয়ী হলেই ভোট চুৰি হয় বুলি কোৱা হয়।” ইফালে, নগাঁও মৰিকলং উচ্চবিদ্যালয়ৰ ভোটগ্ৰহণ কেন্দ্ৰত ভোটাধিকাৰ সাব্যস্ত কৰি নগাঁৱৰ প্ৰাক্তন সাংসদ প্ৰদ্যুৎ বৰদলৈয়ে কংগ্ৰেছৰ ফলাফলক লৈ হতাশা প্ৰকাশ কৰে। তেওঁ কয় যে এই উপনিৰ্বাচনত কংগ্ৰেছৰ ফলাফল অতি হতাশাজনক হ'ব আৰু দলটো শেষ স্থানত থাকিব। তেওঁৰ মতে, ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীয়েই জয়ী হ'ব আৰু তেওঁলোকৰ মূল প্ৰতিদ্বন্দ্বিতা কংগ্ৰেছৰ সৈতে নহ'ব। প্ৰদ্যুৎ বৰদলৈয়ে কয়, “মোৰ দুখ লাগিছে। নগাঁও লোকসভাৰ উপনিৰ্বাচনত কংগ্ৰেছৰ ফলাফল একেবাৰে হতাশাজনক হ'ব। নিৰ্বাচনী ফলাফলত কংগ্ৰেছ একেবাৰে শেষৰ স্থানত থাকিব। এই নিৰ্বাচনত বদৰুদ্দিন আজমলৰ দলেও নিজৰ স্থান বিচাৰি নাপায়; আমাৰ প্ৰাৰ্থীগৰাকীয়েই জয়ী হ'ব। আমি ভাবিছিলো, কংগ্ৰেছৰ সৈতে আমাৰ প্ৰতিদ্বন্দ্বিতা হ'ব, কিন্তু শেষত কংগ্ৰেছ একেবাৰে তৃতীয় স্থানলৈ পৰ্যবসিত হৈছে।” তেওঁ লগতে কয় যে ভাৰতীয় জনতা পাৰ্টিৰ প্ৰাৰ্থীগৰাকীয়ে বিশাল ভোটৰ ব্যৱধানত জয়লাভ কৰিব। সেয়ে তেওঁ আজি কংগ্ৰেছৰ কথা বেছিকৈ নকয়। কাৰণ কংগ্ৰেছৰ কথা ক'লে তেওঁলোকে ক'ব যে কংগ্ৰেছ দল এৰি যোৱাৰ বাবেই তেওঁ এনে মন্তব্য কৰিছে। তেওঁ স্পষ্ট কৰি কয়, “বৰ্তমান সময়ত কংগ্ৰেছ কৰ্মীসকলক অনুপ্ৰাণিত কৰিব পৰা দলটোত কোনো নেতা নাই। দলীয় কৰ্মীসকলক লগত লৈ বৰ্তমানৰ নেতৃত্বই কাম কৰিব পৰা নাই।” উল্লেখ্য, নগাঁও লোকসভা সমষ্টিৰ উপনিৰ্বাচনত মুঠ ৰপ্ত গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা কৰিছে। ভোটগ্ৰহণ পুৱা সাত বজাত আৰম্ভ হৈছে আৰু শান্তিপূৰ্ণভাৱে চলি আছে। ভোটগণনা ৯ অক্টোবৰ শুকুৰবাৰে অনুষ্ঠিত হ'ব।

‘নিজে গঢ়া দল এৰাৰ প্ৰশ্নই নুঠে’;

পোষ্টত জগদীশ ভূঞাই কয় যে তেওঁ এতিয়াও অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক হিচাপে দায়িত্ব পালন কৰি আছে। দল এৰি যোৱাৰ কোনো পৰিকল্পনা তেওঁৰ নাই বুলিও তেওঁ স্পষ্ট কৰে। প্ৰথমটো পোষ্টত ভূঞাই অভিযোগ কৰে যে এটা গোটে ইচ্ছাকৃতভাৱে তেওঁৰ পদত্যাগৰ ভুৱা খবৰ প্ৰচাৰ কৰিছে। তেওঁ এই খবৰ সম্পূৰ্ণ মিছা বুলি উল্লেখ কৰে। লগতে তেওঁ কয় যে তেওঁ নিজে গঢ়ি তোলা দলটো এৰাৰ সিদ্ধান্ত নোলোৱালৈকে ৰাজনীতি এৰাৰ কোনো প্ৰশ্নই নুঠে। তেওঁ অসম জাতীয় পৰিষদৰ কৰ্মী আৰু সমৰ্থকসকলক এনে খবৰত বিশ্বাস নকৰিবলৈও আহ্বান জনায়। দলটোৰ বিৰুদ্ধে চলোৱা এই অপপ্ৰচাৰত ভোল নাযাবলৈ তেওঁ সকলোকে সতৰ্ক কৰি দিয়ে। পৰৱৰ্তী এটা পোষ্টত ভূঞাই কয় যে ৰাজনীতি কেতিয়াও তেওঁৰ বাবে পেছা নাছিল। ভৱিষ্যতেও ৰাজনীতিক পেছা হিচাপে লোৱাৰ কোনো ইচ্ছা তেওঁৰ নাই বুলি তেওঁ স্পষ্ট কৰে। তেওঁ লগতে কয় যে কেবিনেট মৰ্যাদাৰ পদ এৰি অসমৰ “জাতীয় স্বাভিমান” ৰক্ষাৰ লক্ষ্যৰে অসম জাতীয় পৰিষদ গঢ়ি তোলাৰ কামত নামিছিল। সেই দলটোৱেই এতিয়া তেওঁৰ ৰাজনৈতিক পৰিচয় বুলি তেওঁ উল্লেখ কৰে। জগদীশ ভূঞাই পুনৰ কয় যে তেওঁ বৰ্তমানেও অসম জাতীয় পৰিষদৰ সাধাৰণ সম্পাদক হিচাপে কাম কৰি আছে। ৰাজনীতি এৰাৰ সিদ্ধান্ত ল'লেহে তেওঁ দলটো এৰিব। অসম জাতীয় পৰিষদক তেওঁ নিজৰ ৰাজনৈতিক জীৱনৰ শেষ পৰিচয় হিচাপেও উল্লেখ কৰে। একে সময়তে তেওঁ অভিযোগ কৰে যে কিছুদিন ধৰি এটা গোটে দলটোৰ বিৰুদ্ধে কাম কৰি আহিছে। এনে পৰিস্থিতিত তেওঁ কৰ্মীসকলক সংযত থকাৰ লগতে দলীয় সততা আৰু ঐক্য বজাই ৰাখিবলৈ আহ্বান জনায়।

আটকৰ পিছতেই ৰাহুল-প্ৰিয়ংকাক মুকলি

তেওঁলোকৰ লগতে প্ৰতিবাদত অংশগ্ৰহণ কৰা আন একাংশ কংগ্ৰেছ নেতা-সমৰ্থককো আটক কৰা হয়। পৰৱৰ্তী সময়ত দিল্লী আৰক্ষীয়ে তেওঁলোকক মুকলি কৰি দিয়ে। আকাশবাণী ভৱনৰ সমুখৰ পৰা দিল্লী আৰক্ষীয়ে ৰাহুল-প্ৰিয়ংকাসহ প্ৰতিবাদকাৰীসকলক আটক কৰে। আটকাধীন আন কংগ্ৰেছ নেতাসকলৰ ভিতৰত সাংসদ পৱন খেৰা, কে চি বেণুগোপাল আৰু অমৃন্দৰ সিং ৰাজা ৱাৰিং অন্যতম। আকাশবাণী ভৱনত নতুন দিল্লীৰ উপ আৰক্ষী আয়ুক্ত শচীন শৰ্মা উপস্থিত থাকে। ইয়াৰ পূৰ্বে দিল্লী আৰক্ষীয়ে আকাশবাণী ভৱনৰ বাহিৰৰ পৰা ভাৰতীয় যুৱ কংগ্ৰেছৰ সভাপতি উদয় ভানু চিবকে ধৰি কেইবাজনো যুৱ কংগ্ৰেছ আৰু এন এছ ইউ আই নেতাক আটক কৰে। নিৰ্বাচন আয়োগলৈ যাত্ৰাৰ সময়ত ইণ্ডিয়া ব্লকৰ সমদলক আৰক্ষীয়ে বাধা দিয়াত কংগ্ৰেছ নেতাসকলে আকাশবাণী ভৱনত ধৰ্ণা কাৰ্যসূচী ৰূপায়ণ কৰে। বিশেষ বিস্তৃত পুনৰীক্ষণ (এছআইআৰ) প্ৰক্ৰিয়াক লৈ হোৱা বিবাদৰ মাজতে বিৰোধীয়ে ঘোষণা কৰা ‘গণতন্ত্ৰ বচাওক’ অভিযানৰ অংশ হিচাপে এই প্ৰতিবাদ কৰা হৈছিল। ধৰ্ণা প্ৰতিবাদ সাব্যস্ত কৰা দলৰ নেতাসকলৰ ভিতৰত কংগ্ৰেছৰ সাধাৰণ সম্পাদক (সংগঠন) কে চি বেণুগোপালে দাবী পূৰণ নোহোৱালৈকে তেওঁলোকে আন্দোলন বন্ধ নকৰে বুলি স্পষ্ট কৰি দিয়ে। তেওঁ এক্সত পোষ্ট কৰি কয়, “আমাৰ দাবী পূৰণ নোহোৱালৈকে আমি লৰচৰ নকৰোঁ। ভোট চোৰৰ পৰা আমাৰ গণতন্ত্ৰ ৰক্ষা নোহোৱালৈকে আমি জিৰণি নলওঁ।” ইয়াৰ পূৰ্বে ৰাহুল গান্ধীয়ে কেন্দ্ৰৰ বিৰুদ্ধে তীব্ৰ আক্ৰমণ চলাইছিল। একে সময়তে তেওঁ নিৰ্বাচন আয়ুক্তসকলক বিৰোধী নেতাসকলক সাক্ষাৎ কৰি সমগ্ৰ দেশতে নিৰ্বাচনী তালিকাৰ এছআইআৰ সন্দৰ্ভত তেওঁলোকৰ প্ৰশ্নৰ উত্তৰ দিবলৈ কৈছিল। প্ৰতিবাদৰ মাজতে কংগ্ৰেছীসকলে আকাশবাণীৰ চৌহদত প্ৰৱেশৰ চেষ্টাও কৰা দেখা যায়। ৰাহুল গান্ধীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহৰ বিৰুদ্ধে দেশখনক ‘হাইজেক’ কৰি নিৰ্বাচনী প্ৰক্ৰিয়াক ভেঙুচালি কৰাৰ অভিযোগ উত্থাপন কৰে। ইফালে, আকাশবাণী ভৱনত ধৰ্ণা দি থকা ৰাহুল গান্ধী আৰু প্ৰিয়ংকা গান্ধী ৰাদ্ৰাৰ সৈতে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে হাত আগবঢ়াইছে বুলি প্ৰচাৰ কৰা পোষ্টবোৰক প্ৰেছ ইনফৰ্মেশ্যন ব্যুৰ্ৰৰ ফেক্ট চেক ইউনিটে নুই কৰে। ৰাহুলে শেহতীয়াকৈ এক্সত এটা পোষ্ট কৰি কয়, “দেশদ্ৰোহীক ৰক্ষা কৰিবলৈ গণতন্ত্ৰৰ যিখিনি বাকী আছে সেয়া টানি-আজুৰি লৈ যোৱা হৈছে। হিচাপ হ'ব-এজনো বিশ্বাসঘাতকক ৰেহাই দিয়া নহ'ব।” উল্লেখ্য, তৃণমূল কংগ্ৰেছৰ সাংসদ মহুৱা মৈত্ৰায়েও আকাশবাণী চৌহদত প্ৰৱেশৰ চেষ্টা কৰা দেখা যায়।

আমেৰিকাৰ বিজ্ঞানী ফ্ৰান্সিছ হালজেনলৈ

সম্ভৱ হৈছিল। ষ্টকহোমত অৱস্থিত ৰয়েল ছুইডিছ একাডেমী অৱ চায়েন্সৰ দ্বাৰা এই বঁটা প্ৰদান কৰি অহা হৈছে। উল্লেখ্য, আৱিষ্কাৰ আৰু উদ্ভাৱনৰ বাবে বিশ্বৰ শ্ৰেষ্ঠ বিজ্ঞানীক প্ৰতি বছৰে পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা প্ৰদান কৰা হয়। এই বঁটাৰ মূল উৎস হৈছে ছুইডিছ বিজ্ঞানী তথা উদ্ভাৱক আলফ্ৰেড নোবেলৰ ইচ্ছাপত্ৰ। তেওঁ মানৱজাতিৰ বাবে সৰ্বাধিক কল্যাণ সাধন কৰা কামৰ বাবে বঁটা প্ৰদান কৰিবলৈ নিজৰ সম্পত্তিৰ এক অংশ দান কৰি থৈ গৈছিল।

নাজিৰাত টাইপাৰ অৱস্থান ধৰ্মঘট; প্ৰাচীন কীৰ্তিচিহ্ন বেদখল মুক্ত আৰু সংৰক্ষণৰ দাবীৰে স্মাৰকপত্ৰ প্ৰদান

অসম বাৰ্তা, গেলেকী, ৬ অক্টোবৰ ঃ আজি নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সন্মুখত টাই আহোম যুব পৰিষদ, অসম (টাইপা)ৰ নাজিৰা মহকুমা সমিতিৰ উদ্যোগত আৰু টাই আহোম মহিলা পৰিষদৰ সহযোগিতাত এক অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হয়। টাইপাৰ কেন্দ্ৰীয় সমিতিৰ সভাপতি দিগন্ত তামোলীৰ আহ্বান আৰু উপস্থিতিত অনুষ্ঠিত এই ধৰ্মঘটস্থলীৰ পৰা প্ৰাচীন কীৰ্তিচিহ্ন সমূহ বেদখল মুক্ত কৰা, উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ দাবী জনাই নাজিৰা সমজিলা আয়ুক্তলৈ এখন গুৰুত্বপূৰ্ণ স্মাৰকপত্ৰ প্ৰদান কৰা হয়। প্ৰতিবাদস্থলীত সংগঠনটোৰ বিষয়ববীয়াই কয় যে ৬০০ বছৰীয়া গৌৰৱোজ্জ্বল আহোম শাসন সময়ছোৱাত নিৰ্মিত ৰাজ কাৰেং, মৈদাম, গড়-খাঁৰে, দৌল-দেৱালয়, পুখুৰী আদিয়ে অসমীয়া জাতিৰ গৌৰৱ আৰু ঐতিহ্য প্ৰতিফলিত কৰি আহিছে। কিন্তু অতি পৰিতাপৰ বিষয় যে নাজিৰা সম জিলাৰ অন্তৰ্গত বহু প্ৰাচীন কীৰ্তি চিহ্ন আজিও উপযুক্ত সংৰক্ষণৰ অভাৱত অৱহেলিত হৈ থকাৰ লগতে বেদখল আৰু ধ্বংসৰ গৰাহত পৰিছে। গতিকে এই সমূহ প্ৰাচীন কৃতীচিহ্ন বেদখলমুক্ত কৰাৰ লগতে সঠিক সংৰক্ষণৰ দাবী জনায় নাজিৰা সম-জিলা আয়ুক্তক এখনি স্মাৰকপত্ৰ প্ৰদান কৰে সংগঠনটোৱে। স্মাৰক পত্ৰত উল্লেখ কৰা দাবীসমূহ হৈছে ১- মৈদামমুখী-বিশ্ব ঐতিহ্য ক্ষেত্ৰ ক'ৰ এলেকাৰ বাহিৰৰ মৈদামসমূহ বেদখল মুক্ত কৰি উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰাৰ লগতে ঐতিহ্য ক্ষেত্ৰৰ এলেকাৰ সৈতে সংযোগৰ ব্যৱস্থা গ্ৰহণ কৰা। ২- নাজিৰা সমজিলা আয়ুক্ত কাৰ্যালয়ৰ সমুখত অৱস্থিত বৰবকা পুখুৰীৰ পাৰ বেদখল মুক্ত কৰি উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থা কৰা। ৩- নামতি দ'ল আৰু পুখুৰীৰ সম্পূৰ্ণ ভূমি বেদখল মুক্ত কৰি উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থা কৰা। ৪ - স্বৰ্গদেউ গদাধৰ সিংহৰ স্মৃতি বিজড়িত ঐতিহাসিক বৰশিলত শিলা খনন কাৰ্য বন্ধ কৰি ইয়াৰ উপযুক্ত সংৰক্ষণ আৰু সৌন্দৰ্য বৰ্ধনৰ ব্যৱস্থা কৰা। ৫ - ঐতিহাসিক লাটেগড়ৰ উপযুক্ত সংৰক্ষণৰ ব্যৱস্থা কৰা। সংগঠনটোৰ তৰফৰ পৰা স্পষ্ট কৰি দিয়া হয় যে উক্ত দাবীসমূহ অহা ৩০ দিনৰ ভিতৰত পূৰণ নকৰিলে টাইপাই তীব্ৰ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰিবলৈ বাধ্য হ'ব আৰু ইয়াৰ বাবে টাইপা কোনো কাৰণতে জগৰীয়া নহ'ব। এই স্মাৰকপত্ৰখনৰ প্ৰতিলিপি মাননিয় মুখ্যমন্ত্ৰী (অসম চৰকাৰ), মাননিয় জিলা আয়ুক্ত (শিৱসাগৰ জিলা) আৰু মাননিয় সভাপতি (টাইপা, কেন্দ্ৰীয় সমিতি)-লৈও প্ৰেৰণ কৰা হয়। উক্ত কাৰ্যসূচীত টাইপাৰ নাজিৰা মহকুমা সমিতিৰ হৈ সভাপতি অসীম ৰঞ্জন বুঢ়াগোহাঁই, কাৰ্য্যকৰী সভাপতি বিমান গগৈ, আৰু যুটীয়া সম্পাদকদ্বয় বিদিপ গগৈ ও কাবুল গগৈ উপস্থিত আছিল।

বোকাখাত সমজিলাত দুৰ্গা পূজাৰ প্ৰস্তুতি সন্দৰ্ভত প্ৰশাসনৰ বৈঠক

পূজা মণ্ডপত চিচিটিভি, অগ্নিনিৰ্বাপণ ব্যৱস্থা বাধ্যতামূলক; পথ-সুৰক্ষা আৰু নিৰাপত্তাত বিশেষ গুৰুত্ব

অসম বাৰ্তা, নুমলীগড়, ৬ অক্টোবৰ ঃ সমাগত দুৰ্গা পূজা শান্তিপূৰ্ণ, সুশৃংখল আৰু নিৰাপদভাৱে উদযাপন কৰাৰ লক্ষ্যৰে বোকাখাত সমজিলা প্ৰশাসনৰ উদ্যোগত সমজিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত এখন গুৰুত্বপূৰ্ণ প্ৰস্তুতি সভা অনুষ্ঠিত হয়। সমজিলা আয়ুক্ত সুজাতা গগৈৰ অধ্যক্ষতাত অনুষ্ঠিত সভাখনত পূজা উদ্‌যাপনৰ সময়ত ৰাইজৰ নিৰাপত্তা, যান-বাহন নিয়ন্ত্ৰণ, পূজা মণ্ডপৰ সুৰক্ষা, অগ্নিনিৰাপত্তা আৰু প্ৰতিমা বিসৰ্জনকে ধৰি বিভিন্ন বিষয়ত বিস্তৃত আলোচনা কৰা হয়। সভাৰ আৰম্ভণিতে সহকাৰী আয়ুক্ত শুভজিত খাউণ্ডে বিগত বছৰৰ বৈঠকৰ কাৰ্যবিৱৰণী পাঠ কৰে। ইয়াৰ পিছতে সমজিলা প্ৰশাসনৰ তৰফৰ পৰা এইবাৰৰ দুৰ্গা পূজা উদযাপনৰ বাবে গ্ৰহণ কৰিবলগীয়া বিভিন্ন নিয়ম-নিৰ্দেশনা পূজা সমিতিসমূহক অৱগত কৰা হয়। প্ৰশাসনে নিৰ্ধাৰণ কৰা অনুসৰি প্ৰতিখন পূজা সমিতিয়ে আগতীয়াকৈ অনলাইনযোগে অসম আৰক্ষীৰ 'সেৱা সেতু' পৰ্টেলৰ জৰিয়তে প্ৰয়োজনীয় অনুমতি গ্ৰহণ কৰাৰ লগতে সংশ্লিষ্ট বিভাগসমূহৰ প্ৰয়োজনীয় অনুমোদন সংগ্ৰহ কৰিব লাগিব। প্ৰতিটো পূজা মণ্ডপত চিচিটিভি কেমেৰা স্থাপন কৰাটো বাধ্যতামূলক কৰা হৈছে। মণ্ডপ আৰু ইয়াৰ চৌপাশত পৰ্যাপ্ত পোহৰৰ ব্যৱস্থা কৰাৰ লগতে অগ্নিনিৰ্বাপণৰ বাবে প্ৰয়োজনীয় সামগ্ৰী সাজু কৰি ৰখাৰ বাবেও পূজা সমিতিসমূহক নিৰ্দেশ দিয়া হয়। পূজাৰ সময়ছোৱাত যান-বাহনৰ চলাচল সুচাৰুৰূপে নিয়ন্ত্ৰণ, উপযুক্ত পাৰ্কিং ব্যৱস্থা আৰু পথ-সুৰক্ষা নিশ্চিত কৰাৰ ওপৰতো সভাত গুৰুত্ব আৰোপ কৰা হয়। পথ-সুৰক্ষাৰ নিয়ম উলংঘনকাৰীৰ বিৰুদ্ধে আৰক্ষী, পৰিবহণ আৰু আবকাৰী বিভাগে অভিযান অধিক তীব্ৰতৰ কৰিব বুলি সভাত জানিবলৈ দিয়া হয়। বিশেষকৈ সুৰাপান কৰি যান-বাহন চলোৱা আৰু অন্যান্য পথ-সুৰক্ষা বিধি উলংঘাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হ'ব। ইফালে, পূজা মণ্ডপৰ ওচৰে-পাজৰে অবৈধভাৱে সুৰাৰ বিক্ৰী আৰু ব্যৱহাৰ ৰোধৰ বাবে আবকাৰী বিভাগে বিশেষ ভাৱে দৃষ্টি ৰাখিব। জৰুৰীকালীন পৰিস্থিতিত তাৎক্ষণিক সহায় লাভৰ বাবে আৰক্ষী, অগ্নিনিৰ্বাপক বাহিনী, জিলা দুৰ্যোগ ব্যৱস্থাপনা নিয়ন্ত্ৰণ কক্ষ, এপিডিচিএল, অসামৰিক প্ৰতিৰক্ষা আৰু অসামৰিক চিকিৎসালয় আদি জৰুৰীকালীন সেৱাৰ যোগাযোগ নম্বৰসমূহ পূজা সমিতিসমূহৰ হাতত থকাটো নিশ্চিত কৰিবলৈও কোৱা হয়। সন্দেহজনক ব্যক্তি, পৰিত্যক্ত বা গৰাকীবিহীন বেগ-বস্তু অথবা কোনো অস্বাভাৱিক গতিবিধি পৰিলক্ষিত হ'লে নিজে কোনো পদক্ষেপ নলৈ তৎক্ষণাত আৰক্ষীক অৱগত কৰিবলৈ পূজা সমিতি আৰু ৰাইজক আহ্বান জনোৱা হয়। ইয়াৰোপৰি পূজা মণ্ডপত পৰ্যাপ্ত সংখ্যক স্বেচ্ছাসেৱক নিয়োগ কৰাৰ লগতে তেওঁলোকক দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে আগতীয়াকৈ প্ৰশিক্ষণ বা অৱগত কৰাৰ বাবেও নিৰ্দেশ দিয়া হয়। নিশাৰ সময়তো মণ্ডপৰ নিৰাপত্তা অক্ষুণ্ণ ৰাখিবলৈ পূজা সমিতিসমূহে নিজা সুৰক্ষা ব্যৱস্থা নিশ্চিত কৰিব লাগিব। প্ৰতিমা বিসৰ্জনৰ ক্ষেত্ৰতো বিশেষ সাৱধানতা অৱলম্বনৰ আহ্বান জনায় সমজিলা আয়ুক্ত সুজাতা গগৈয়ে। নিৰ্ধাৰিত ঘাটত, নিৰ্ধাৰিত সময়ৰ ভিতৰত প্ৰতিমা উপস্থিত কৰাই সুশৃংখলভাৱে বিসৰ্জন প্ৰক্ৰিয়া সম্পন্ন কৰাৰ বাবে পূজা সমিতিসমূহক আহ্বান জনোৱা হয়। সমজিলা আয়ুক্তগৰাকীয়ে সকলো পূজা সমিতি, বিভাগীয় বিষয়া, আৰক্ষী আৰু সংশ্লিষ্ট পক্ষৰ সহযোগিতাৰে বোকাখাত সমজিলাত শান্তি-শৃংখলা অটুট ৰাখি দুৰ্গা পূজা সুকলমে অনুষ্ঠিত কৰাৰ বাবে সকলোকে দায়িত্বশীল ভূমিকা পালন কৰিবলৈ আহ্বান জনায়। বৈঠকত সমজিলা আৰক্ষী অধীক্ষক নিভ্ৰাংশু হান্স, বোকাখাত ৰাজহ চক্ৰৰ চক্ৰ বিষয়া দেবাহুতি ডেকাৰ লগতে বিভিন্ন বিভাগৰ বিষয়া আৰু পূজা সমিতিসমূহৰ বিষয়ববীয়া উপস্থিত থাকে।

লেখাপানীৰ টিপঙত ২০ নং অসম ৰাইফলছ, ১৬৬ নং টেৰিটৰিয়েল আৰ্মী অসম আৰক্ষীৰ যৌথ অভিযানত এনএছ চি এনৰ (কে ৱাই এ) লিংকমেন আটক



অসম বাৰ্তা বিশেষ, জাগুন, ৬ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ লেখাপানী আৰক্ষী থানাৰ অন্তৰ্গত টিপং অঞ্চলত সোমবাৰে চলোৱা এক যৌথ অভিযানত ভাৰতীয় সেনা বাহিনীৰ দলে এন এছ চি এনৰ (কে ৱাই এ) এজন লিংকমেন আটক কৰে। সেনা বাহিনীৰ চোৰাংচোৱাৰ খবৰৰ ভিত্তিত সোমবাৰে ২০ নং অসম ৰাইফলছ, ১৬৬নং টেৰিটৰিয়েল আৰ্মী, আৰু অসম আৰক্ষীৰ সহযোগত এই যৌথ অভিযান চলোৱা হৈছিল। অভিযান কালত টিপং নিবাসী কৰিম খান (৩৩) নামৰ এজন লোকক আটক কৰা হয়। প্ৰাথমিক জেৰাৰ সময়ত খানে এন এছ চি এনৰ (কে ৱাই এ) লিংকমেন হিচাপে কাম কৰি থকাৰ উপৰিও সংগঠনটোৰ এছ এছ কেপ্তেইন ৰকি থাপাৰ হৈ স্থানীয় লোকৰ পৰা ধন দাবী কৰাত জড়িত বুলি স্বীকাৰ কৰে। সেনা বাহিনীৰ তথ্য অনুসৰি আটকাধিন সদস্য জনে জেৰাত স্বীকাৰ কৰে যে তেওঁ এন এছ চি এনৰ (কে ৱাই এ) হৈ প্ৰায় ১০জন লোকৰ পৰা ধন আদায় কৰিছিল। এন এছ চি এন (নিকি চুমি) ফৈদৰ কেইবাজনো সক্ৰিয় কেডাৰৰ সৈতেও তেওঁ সংস্পৰ্শত থকা বুলিও প্ৰকাশ কৰে। অভিযান কালত সেনা বাহিনীয়ে দুটা মোবাইল ফোন, এখন চিম কাৰ্ড আৰু এন, এল, ০২ চি ২৫১৬ নম্বৰৰ এখন মাৰুতি চুজুকি চুইফট ভিএ'আই বাহন উদ্ধাৰ কৰে।

মাজুলীত প্ৰধানমন্ত্ৰী সেৱা সংকল্প অভিযান; বাটৰ নাট প্ৰদৰ্শন

অসম বাৰ্তা, মাজুলী, ৬ অক্টোবৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ৭৬ সংখ্যক জন্মদিন উপলক্ষে সমগ্ৰ ৰাজ্যতে মাহেক জোৰা কাৰ্যসূচী যোৱা ১৭ ছেপ্টেম্বৰ তাৰিখৰ পৰা আৰম্ভ কৰিছে। সেই সেৱা সংকল্প অভিযানৰ অংশ হিচাপে আজি মাজুলী জিলাত মাজুলী জিলা প্ৰশাসনৰ সহযোগত ভাৰতীয় জনতা পাৰ্টি মাজুলী জিলাৰ উদ্যোগত অনুষ্ঠিত কৰে এক ব্যতিক্ৰমী পদক্ষেপ। মাজুলী জিলা বিজেপিৰ উদ্যোগত আজি মাজুলী জিলাখনৰ ফুলনী জেংৰাই, বালিচাপৰি আৰু গড়মূৰত প্ৰদৰ্শন কৰে বাটৰ নাট। গুনমনি বৰাৰ পৰিচালনাৰ মাজুলী বিশ্ব বিদ্যালয়ৰ শিক্ষাৰ্থী সকলে পৰিবেশন কৰা এই বাটৰ নাটৰ যোগেদি কেন্দ্ৰীয় চৰকাৰে ৰাইজৰ বাবে প্ৰৱৰ্তন কৰা বিভিন্ন জনকল্যাণকামী আঁচনিৰ সন্দৰ্ভত জনগণক সংযোগ কৰিবলৈ চেষ্টা কৰে। আজিৰ এই অন্তিম গড়মূৰৰ কাৰ্যসূচীত উপস্থিত থাকি বাটৰ নাট উপভোগ কৰে মাজুলী সমষ্টিৰ বিধায়ক ভুবন গাম, মাজুলী জিলাৰ আয়ুক্ত ৰাতুল চন্দ্ৰ পাঠক, মাজুলী জিলা জ্যেষ্ঠ আৰক্ষী অধীক্ষক সোমালিন শুভদৰশিনী, মাজুলী জিলা বিজেপিৰ সভাপতি দীপক গোস্বামী, জিলা পৰিষদৰ সভানেত্ৰী নৱনীতা দাস আদিয়ে।

সপ্তম মৃত্যু তিথিত ভোগপুৰ সত্ৰৰ বুঢ়াভকত ৰতিৰাম বৰা বৰআলধৰাৰ স্মৃতিচাৰণ সভা

অসম বাৰ্তা, উজনী মাজুলী, ৬ অক্টোবৰ ঃ মাজুলীৰ ঐতিহ্যমণ্ডিত ভোগপুৰ সত্ৰৰ 'আধ্যাত্মিক মুকলি মঞ্চ'ৰ উদ্যোগত আজি প্ৰয়াত বুঢ়াভকতৰ ৰতিৰাম বৰা বৰআলধৰাৰ সপ্তম বাৰ্ষিক তিথিৰ সৈতে সংগতি ৰাখি এক স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়। এই উপলক্ষে সত্ৰীয়া পৰম্পৰা অনুসৰি পুৱাৰ ভাগত ধৰ্মীয় কাৰ্যসূচীৰে সত্ৰৰ কীৰ্তন-ঘৰত যথাৰীতি নাম-প্ৰসংগাদি মাংগলিক কৰ্ম সম্পন্ন কৰাৰ পাছত ১১ বজাৰ পৰা সত্ৰৰ 'আধ্যাত্মিক মুকলি মঞ্চ'ত আয়োজিত স্মৃতিচাৰণ অনুষ্ঠানত ভোগপুৰ সত্ৰৰ অধিকাৰ দত্তদেৱ গোস্বামী প্ৰমুখ্য উপস্থিত ভক্ত-বৈষ্ণৱে ৰতিৰাম বৰা বুঢ়াভকতৰ প্ৰতিচ্ছৱিত পুষ্পাঞ্জলি অৰ্পণ কৰি অনুষ্ঠান শুভাৰম্ভ কৰে। অনুষ্ঠানত বক্তৃতা আগবঢ়াই সত্ৰাধিকাৰ দত্তদেৱ গোস্বামীয়ে কয়, "বৃহত্তৰ ভোগপুৰ অঞ্চলটোৰ এগৰাকী সৎ সাহসী দানবীৰ আৰু সমাজৰ স্বচ্ছতা প্ৰতি সদায় সজাগ দৃষ্টি ৰখা ব্যক্তি ৰতিৰাম বৰা বৰআলধৰা বুঢ়াভকত যেনেদৰে সুনিপুণ অভিনয় শিল্পী আছিল, তেনেদৰে সত্ৰৰ তিনিগৰাকী অধিকাৰ ক্ৰমে কোযেশ্বৰদেৱ গোস্বামী, ভৱকান্তদেৱ গোস্বামী আৰু বৰ্তমানৰ অধিকাৰৰ বৰআলধৰাৰ দায়িত্ব নিৰ্বহনৰ যোগেদি গুৰুধৰ্ম পালন কৰিছিল। সত্ৰীয়া ধৰ্ম-সংস্কৃতিৰ প্ৰতি তেওঁৰ গভীৰ অনুৰাগ আৰু সমাজ জীৱনৰ প্ৰতি থকা দায়বদ্ধতা সকলোৱে শ্ৰদ্ধাসহকাৰে স্মৰণ কৰিবই লাগিব বুলিও সত্ৰাধিকাৰগৰাকীয়ে উল্লেখ কৰে। ৰামধনু শতদল শাখা সাহিত্য সভাৰ সভাপতি ডিম্বেশ্বৰ দত্ত আৰু ভোগপুৰ সত্ৰৰ ডেকাধিকাৰ উৎপল মহন্তই আঁত ধৰা অনুষ্ঠানত প্ৰয়াত বৰআলধৰা বুঢ়াভকতৰ স্মৃতিত প্ৰফুল্লপ্ৰাণ মহন্ত, লক্ষ্মণ বৰগায়ন, গোপীনাথ বৰগায়ন, ডিম্বেশ্বৰ বৰা বায়ন, সদানন্দ দোলাকাষৰীয়া, পুলিন বৰা, দধিৰাম বৰুৱা, মণিৰাম পাচনী, ডঃ দেৱজিৎ শইকীয়া, হেম হাজৰিকা, কমল চন্দ্ৰ কলিতা, ভূপেন বৰা, কৃষ্ণকান্ত ফুকন, কৃষ্ণৰাম ভূঞা গায়ন, খগেন শইকীয়া, নাৰায়ণ তিনিচুকীয়াৰ তিলেশ্বৰ হাজৰিকা, নাৰায়ণ ডেকা, যোগেন দত্ত, ডিম্বেশ্বৰ দত্ত, ৰাজীৱ দাস, তিলক ৰাজখোৱা প্ৰমুখ্য ৯০ গৰাকী স্থানীয় লোকক অংগবস্ত্ৰ, নিৰ্মাল্য, অৰিহণা আদিৰে সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত ৰতিৰাম বৰা বুঢ়াভকত বৰআলধৰাৰ স্মৃতিচাৰণ কৰি মাজুলী মহাবিদ্যালয়ৰ অধ্যক্ষ ড° দেৱজিৎ শইকীয়া আৰু পটীয়া শংকৰদেৱ মধ্য ইংৰাজী বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক দধিৰাম বৰুৱাই বৰআলধৰাৰ বহুমুখী প্ৰতিভা সম্পৰ্কে চমুকৈ অৱলোকন কৰে। অনুষ্ঠানৰ শেষত ডেকাধিকাৰ উৎপল মহন্তই শলাগৰ শৰাই আগবঢ়ায়।

নৱম ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে শিৱসাগৰত জিলা ভিত্তিত ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, শিৱসাগৰ, ৬ অক্টোবৰ ঃ শিৱসাগৰ জিলাৰ কালিপ্ৰসাদ মেমৰিয়েল হলত নৱম ৰাষ্ট্ৰীয় পোষণ মাহ- ২০২৬ উপলক্ষে আজি ইংৰাজী ৫ অক্টোবৰ ২০২৬ তাৰিখে শিৱসাগৰ জিলা মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অন্তৰ্গত "সংকল্প ঃ মহিলা সৱলীকৰণ কেন্দ্ৰৰ বেটী বচাওঁ বেটী পঢ়াওঁ আঁচনিৰ উদ্যোগত আৰু পোষণ অভিযানৰ সহযোগত জিলা ভিত্তিত ৰন্ধন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। উক্ত অনুষ্ঠানতে পোষণ মাহ সম্পৰ্কীয় কুইজ, স্বাস্থ্যৱান শিশুক প্ৰমাণ পত্ৰ প্ৰদান, পাৰদৰ্শিতাৰ ভিত্তিত জিলাভিত্তিত গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্য্যালয়ৰ অন্তৰ্গত এগৰাকী অংগনবাড়ী কৰ্মী পুৰ্ণীমালা দাস আৰু আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়ৰ সহায়িকা মাধৱী উজাক প্ৰমাণ পত্ৰ প্ৰদান কৰা হয়। অনুষ্ঠানত জিলা আয়ুক্ত মৃদুল য়াদৱৰ লগতে ভাৰপ্ৰাপ্ত জিলা সমাজ কল্যাণ বিষয়া, সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়াসকল, শিৱসাগৰ জিলা এছডিএমঅ, বিচাৰক হিচাপে উপস্থিত থাকে শিৱসাগৰ খাদ্য সুৰক্ষা বিষয়া ময়ুৰাক্ষী গগৈ আৰু শিৱসাগৰ ছোৱালী মহাবিদ্যালয়ৰ অধ্যাপিকা ড° চায়েদা নিশ্চাদ ফিৰদোজী। তদুপৰি, আজি ৰাষ্ট্ৰীয় পোষণ মাহ উপলক্ষে অনুষ্ঠিত হোৱা সভাত নলবাৰী জিলাৰ গ্ৰাম্য বিকাশ মঞ্চৰ তৰফৰ পৰা চাইল্ড এইড নেটৱৰ্ক (Child aid Network) -ৰ অৰ্থ সাহায্যত, বানপানীত ক্ষতিগ্ৰস্ত হোৱা ১৫টা অংগনবাড়ী কেন্দ্ৰক শিক্ষণ সামগ্ৰী (TLM) বিতৰণ কৰা হয়। উল্লেখ্য যে শিৱসাগৰ জিলাৰ মুঠ ৩৫০টা অংগনবাড়ী কেন্দ্ৰত এই সামগ্ৰীসমূহ পৰৱৰ্তী পৰ্যায়ত বিতৰণ কৰা হ'ব। ৰন্ধন প্ৰতিযোগিতাৰ প্ৰথম পুৰস্কাৰ নগদ ধনৰ সৈতে একোখনকৈ প্ৰমাণ পত্ৰ লাভ কৰে আমগুৰি সংহত শিশু উন্নয়ন প্ৰকল্প বিষয়া কাৰ্যালয়, দ্বিতীয় শিৱসাগৰ নগৰীয়া সংহত শিশু উন্নয়ন প্ৰকল্প আৰু তৃতীয় পুৰস্কাৰ লাভ কৰে গৌৰীসাগৰ সংহত শিশু উন্নয়ন প্ৰকল্পই। সভাখনত মহিলা আৰু শিশু উন্নয়ন বিভাগৰ অন্তৰ্গত মুখ্যসেৱিকা, অংগনবাড়ী কৰ্মী, সহায়িকা, অভিভাৱক, ইউনিচেফ, অসমৰ বিষয়া, কিশোৰী গোটৰ সৈতে সমাজ কল্যাণ বিভাগৰ সকলো বিষয়া কৰ্মচাৰী উপস্থিত থাকি অনুষ্ঠানটো সাফল্যমণ্ডিত কৰাত সহায় কৰে।

বিহালীত আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতাৰ শুভাৰম্ভণি

অসম বাৰ্তা, জিনজিয়া, ৬ অক্টোবৰ ঃ মাধৱদেৱ বিশ্ববিদ্যালয় ক্ৰীড়া পৰিষদৰ তত্ত্বাৱধানত আৰু বিহালী স্নাতক মহাবিদ্যালয়ৰ আয়োজনত আজিৰে পৰা আন্তঃমহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা, ২০২৬ আৰম্ভ হয়। অনুষ্ঠানত খেলপথাৰ মুকলি কৰে ক্ৰীড়া সংগঠক, পৰিচালক অৰুণ কুমাৰ চাহাই। উদ্বোধনী অনুষ্ঠানত বিধায়ক মুনীন্দ্ৰ দাস, সমাজকৰ্মী প্ৰেমলাল গঞ্জু, বৈশাকু ৰয়, প্ৰদীপ গোস্বামী প্ৰমুখ্যে বিভিন্ন মহাবিদ্যালয়ৰ অধ্যক্ষ, প্ৰৱক্তা সকল উপস্থিত থাকে। বিহালী স্নাতক মহাবিদ্যালয়ৰ খেলপথাৰত অনুষ্ঠিত হোৱা এইপ্ৰতিযোগিতাখন আজিৰে পৰা অহা ১০ অক্টোবৰলৈ চলিব। প্ৰতিযোগিতাখনত মাধৱদেৱ বিশ্ববিদ্যালয়ৰ অন্তৰ্গত ৮খন মহাবিদ্যালয়ৰ দলে অংশগ্ৰহণ কৰিছে।

পুৱাৰে পৰা ৰাইজৰ আনন্দ উল্লাসেৰে নিশালৈকে চৌকিডিঙ্গী খেলপথাৰত বৃহৎ আয়োজন

ডিব্ৰুগড়ত শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তীৰ ব্যাপক প্ৰস্তুতি

অসম বাৰ্তা, ষ্টাফ ৰিপৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ অসমীয়া জাতিৰ কৃষ্টি-সংস্কৃতিৰ কাণ্ডাৰী মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৮ সংখ্যক জন্মজয়ন্তী উপলক্ষে ডিব্ৰুগড়ত ব্যাপক আয়োজন কৰা হৈছে। সামাজিক সাংস্কৃতিক অনুষ্ঠান 'অন্তৰঙ্গ গোট, ডিব্ৰুগড়'ৰ উদ্যোগত বিভিন্ন দল-সংগঠন, সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠান আৰু ডিব্ৰুগড় বাসী ৰাইজৰ সহযোগত অহা ২২ অ'ক্টোবৰত চৌকিডিঙী খেলপথাৰত দিনজোৰা বৰ্ণাঢ্য কাৰ্যসূচীৰে উদ্‌যাপন কৰা হ'ব জন্মজয়ন্তী অনুষ্ঠান। গুৰুজনাৰ নৱ-বৈষ্ণৱ ধৰ্মৰ আদৰ্শ আৰু অসমীয়া সংস্কৃতিৰ বাণী নতুন প্ৰজন্মৰ মাজলৈ লৈ যোৱাৰ উদ্দেশ্যে বিভিন্ন কাৰ্যসূচীৰে চৌকিডিঙ্গী খেলপথাৰত অনুষ্ঠিত হ'ব বুলি এক বিবৃতি জৰিয়তে মুখ্য পৰিচালক বিবিজান দত্তই জানিবলৈ দিছে। সেইদিনা পুৱা ৮.০০ বজাত ধৰ্মপৰায়ণ ব্যক্তি লম্বিত বৰুৱাই ধৰ্মধৱজা উত্তোলনেৰে কাৰ্যসূচীৰ শুভাৰম্ভ কৰাৰ পাছত ডাঃ জয়ন্ত মাধৱ চলিহাই স্মাৰক তৰ্পণ কৰিব। ইয়াৰ পাছতে নামঘৰ স্থাপন আৰু নাম-প্ৰসংগ আৰু দুপৰীয়া ১.০০ বজাৰ পৰা 'দুহেজাৰ নামতীৰ দ্বাৰা দিহানাম পৰিবেশনৰ ব্যতিক্ৰমী অনুষ্ঠান অনুষ্ঠিত হ'ব। ডিব্ৰুগড়ৰ এটি সাংস্কৃতিক অনুষ্ঠান লুইতপৰীয়া লোক সাংস্কৃতিক কলাকেন্দ্ৰই এক আধ্যাত্মিক দায়িত্ব লৈ সন্ধিয়া ৪.০০ বজাত ৫৭৮ গছ বন্তি প্ৰজ্বলন কৰিব অন্তৰঙ্গ গোটৰ পৰিচালক বৃন্দৰ সহযোগত। আনহাতে ডিব্ৰুগড় জিলা মইনা পাৰিজাতৰ উদ্যোগত এশ গৰাকী মইনাই প্ৰাৰ্থনা পৰিৱেশন কৰাৰ লগতে সন্ধিয়া ৫.০০ বজাত অনুষ্ঠিত হ'ব বিশেষ বঁটা প্ৰদান আৰু সম্বৰ্ধনা অনুষ্ঠান। ৬.০০ বজাত নৱোদয় নৃত্যাঙ্গন কলাকেন্দ্ৰৰ ছাত্ৰ-ছাত্ৰীসকলে সত্ৰীয়া নৃত্য পৰিৱেশন আৰু নিশা ৭.০০ বজাৰ পৰা দুলীয়াজান টিপলিং নগাঁৰৰ কৌমোদকী নাট্য গোষ্ঠীৰ দ্বাৰা 'সিন্ধু মুনি পিতৃ ভক্তি, দশৰথৰ স্বৰ্গ উদ্ধাৰ' শীৰ্ষক ভাওনা প্ৰদৰ্শন কৰা হ'ব। ভাওনা ভাগৰ দাতা এম ডি ফাউণ্ডেচনৰ ট্ৰাষ্ট পৰিয়াল বৰ্গই এক মহান দায়িত্ব লৈ অন্তৰঙ্গ গোট ডিব্ৰুগড়ৰ পৰিচালক সকলক যথেষ্ট সকাহ যোগাইছে। এই গোটেই অনুষ্ঠান ভাগত ডিব্ৰুগড়ৰ ভালেকেইটা জাতীয় অগ্ৰণী সংগঠনে সহায় কৰিছে বুলি মুখ্য পৰিচালকে জানিবলৈ দিয়ে। সমগ্ৰ কাৰ্যসূচীত ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি আৰু সহযোগিতা কামনা কৰিছে অন্তৰঙ্গ গোট, ডিব্ৰুগড়ৰ মুখ্য পৰিচালক, জেষ্ঠ পৰিচালক আৰু অন্তৰঙ্গ গোটৰ সমূহ পৰিচালকবৃন্দই।

আলফা স্বাধীনৰ নামত ধনদাবী আৰু ধন যোগানধাৰী দুই যুৱক মাকুম আৰক্ষীৰ জালত

অসম বাৰ্তা, মাকুম, ৬ অক্টোবৰ ঃ আজি মাকুম সম জিলা অতিৰিক্ত আৰক্ষী অধীক্ষক অৰূপজ্যোতি টেৰনৰ নেতৃত্বত আৰু মাকুম আৰক্ষী থানাৰ সহযোগত অভিযান চলাই আলফা স্বাধীনৰ নামত ধনদাবী আৰু ধন আলফা স্বাধীনক ধন যোগান ধৰাৰ অভিযোগত দুই যুৱকক আটক কৰিবলৈ সক্ষম হয়। ধৃত যুৱক দুজন ক্ৰমে মাকুম বাৰেকুৰিৰ বিক্ৰম চুতীয়া আৰু ডিব্ৰুগড় লেঙেৰীৰ নেত্ৰজ্যোতি গগৈ। জানিবলৈ পৰা মতে যুৱক দুজনে দীৰ্ঘ সময়ৰ পৰা আলফা স্বাধীনৰ নামত ধন সংগ্ৰহ কৰি ধনৰ যোগান ধৰি আহিছিল। ইতিমধ্যে ধৃত যুৱক দুজনৰ বিৰুদ্ধে মাকুম পি এছ গোচৰ নং ৬০/২০২৬ নম্বৰত ৰুজো কৰি আদালতত হাজিৰ কৰা হৈছে যদিও অধিক জেৰা আৰু তথ্যৰ বাবে আদালতৰ পৰা আৰক্ষীৰ জিম্মাত বিচৰাৰ সম্ভাৱনা আছে তদন্তকাৰী আৰক্ষীৰ দলটোৱে।

অৰুণোদয়, আয়ুষ্মান ভাৰতকে ধৰি ২৪খন আঁচনিৰ সুবিধা লাভ ৰাইজৰ

হাজো উন্নয়ন খণ্ডত সফলভাৱে সম্পন্ন 'সেৱা সেতু অভিযান'

অসম বাৰ্তা, হাজো, ৬ অক্টোবৰ ঃ দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ২৫ বছৰীয়া সেৱা আৰু সমৰ্পণৰ যাত্ৰাৰ প্ৰতি লক্ষ্য ৰাখি ১৮ ছেপ্টেম্বৰৰ পৰা ১৮ অক্টোবৰলৈ সমগ্ৰ দেশজুৰি অব্যাহত থকা 'সেৱা সংকল্প অভিযান'ৰ অংশস্বৰূপে আজি হাজো উন্নয়ন খণ্ডৰ অন্তৰ্গত সুৰেন দাস মহাবিদ্যালয়ত এক বিশেষ 'সেৱা সেতু অভিযান' অনুষ্ঠিত হয়। প্ৰধানমন্ত্ৰীৰ 'সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস, সবকা প্ৰয়াস'ৰ আদৰ্শ সাৰোগত কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসম চৰকাৰে চৰকাৰী আঁচনি আৰু সেৱাসমূহ পোনপটীয়াকৈ সাধাৰণ ৰাইজৰ কাষলৈ লৈ যোৱাৰ বাবে লোৱা নিৰন্তৰ প্ৰয়াসৰ ধাৰাবাহিকতা ৰক্ষা কৰি এই শিবিৰৰ আয়োজন কৰা হয়। হাজো শুৱালকুছি সমষ্টিৰ বিধায়ক প্ৰকাশ চন্দ্ৰ দাসে শুভ উদ্বোধন কৰা এই অনুষ্ঠানত তেওঁ ভাষণ প্ৰসংগত চৰকাৰৰ বিভিন্ন জনকল্যাণমূলক তথা উন্নয়নমূলক আঁচনিৰ সন্দৰ্ভত গুৰুত্বপূৰ্ণ বক্তব্য প্ৰদান কৰে। এই অভিযানৰ জৰিয়তে ১০টা বিভাগৰ ২৪খন অগ্ৰাধিকাৰপ্ৰাপ্ত আঁচনি আৰু সেৱা পোনপটীয়াকৈ ৰাইজৰ মাজলৈ লৈ যোৱা হয়। হাজোৰ ৰাইজে এই অনুষ্ঠানৰ জৰিয়তে জনপ্ৰিয় 'অৰুণোদয়', 'আয়ুষ্মান ভাৰত', ভূমি পট্টা বিতৰণ, জন্ম-মৃত্যুৰ প্ৰমাণ-পত্ৰ, 'প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ', অৱসৰপ্ৰাপ্ত চৰকাৰী কৰ্মচাৰীৰ পেঞ্চন সংক্ৰান্তিয় সেৱা, জৰীপ আৰু মানচিত্ৰ প্ৰস্তুতকৰণ, মুখ্যমন্ত্ৰীৰ বিশেষ আকৰ্ষণীয় 'নিযুত মইনা' আঁচনি, 'প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি' আৰু ৰেচন কাৰ্ডকে ধৰি বিভিন্ন গুৰুত্বপূৰ্ণ চৰকাৰী আঁচনিৰ সুবিধা গ্ৰহণ কৰে। এনে কল্যাণমূলক পদক্ষেপৰ জৰিয়তে চৰকাৰী সেৱাসমূহ জনসাধাৰণৰ অধিক সুলভ হৈ পৰাত স্থানীয় ৰাইজৰ মাজত এক অভূতপূৰ্ব উৎসাহজনক পৰিৱেশ দেখা যায়। আজিৰ এই কাৰ্যসূচীত খণ্ড উন্নয়ন বিষয়া ইন্দ্ৰনীল কাশ্যপ, ৰাজহ চক্ৰ বিষয়া নিতুল খাটনিয়াৰ, সুৰেন দাস মহাবিদ্যালয়ৰ অধ্যক্ষ ড° হিৰণ্য কুমাৰ শৰ্মাৰ লগতে বহুকেইগৰাকী বিশিষ্ট ব্যক্তি উপস্থিত থাকি সমগ্ৰ কাৰ্যসূচীটি সফল কৰি তোলাত সহযোগিতা আগবঢ়ায়।

সেৱা সংকল্প প্ৰতিযোগিতাত প্ৰথম স্থান দখল সুপৰ্ণা পালৰ, ছিনড ইংলিছ মিছন স্কুললৈ কঢ়িয়াই আনিলে গৌৰৱ

অসম বাৰ্তা, গোসাঁইগাঁও, ৬ অক্টোবৰ ঃ বিটিচিৰ শিক্ষা বিভাগৰ উদ্যোগত বিধানসভা সমষ্টিভিত্তিক অনুষ্ঠিত 'সেৱা সংকল্প' প্ৰতিযোগিতাৰ বক্তৃতা শাখাত প্ৰথম স্থান দখল কৰি শ্ৰীৰামপুৰলৈ গৌৰৱ কঢ়িয়াই আনিছে ছিনড ইংলিছ মিছন স্কুলৰ দশম শ্ৰেণীৰ মেধাৱী ছাত্ৰী সুপৰ্ণা পালে। গোসাঁইগাঁও মহকুমাৰ শ্ৰীৰামপুৰস্থিত ছিনড ইংলিছ মিছন স্কুলৰ ছাত্ৰী সুপৰ্ণা পালে নিজৰ উৎকৃষ্ট বক্তৃতা প্ৰতিভাৰে প্ৰতিযোগিতাখনত প্ৰথম স্থান লাভ কৰে। তেওঁৰ এই সাফল্যত বিদ্যালয়খনৰ লগতে শ্ৰীৰামপুৰবাসীৰ মাজতো আনন্দৰ পৰিৱেশ সৃষ্টি হৈছে। শ্ৰীৰামপুৰৰ ক্ষুদ্ৰ ব্যৱসায়ী সুজিত পাল আৰু সোমা পালৰ কন্যা সুপৰ্ণা পাল সৰুৰে পৰাই এগৰাকী মেধাৱী ছাত্ৰী। পঢ়া-শুনাৰ ক্ষেত্ৰত উৎকৃষ্ট প্ৰদৰ্শন কৰাৰ লগতে বিভিন্ন সহঃপাঠ্যক্ৰমমূলক কাৰ্যকলাপতো তেওঁ সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰি আহিছে। সুপৰ্ণাৰ এই উল্লেখযোগ্য সাফল্যত বিদ্যালয়খনৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলেও আনন্দ প্ৰকাশ কৰে। এই উপলক্ষে বিদ্যালয়ৰ তৰফৰ পৰা তেওঁক সম্বৰ্ধনা জনোৱা হয়। বিদ্যালয়খনৰ অধ্যক্ষ বিনেন ভকত লাক্ৰাই ফুলাম গামোচাৰে সুপৰ্ণা পালক সম্বৰ্ধনা জনাই তেওঁৰ উজ্জ্বল ভৱিষ্যৎ কামনা কৰে। সুপৰ্ণা পালৰ এই সাফল্যই ছিনড ইংলিছ মিছন স্কুলৰ লগতে শ্ৰীৰামপুৰ অঞ্চললৈও এক নতুন গৌৰৱ কঢ়িয়াই আনিছে।

ডিগবৈ সমজিলা প্ৰশাসনৰ উদ্যোগত "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰ অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, তিনিচুকীয়া, ৬ অক্টোবৰ ঃ তিনিচুকীয়া জিলাৰ ডিগবৈ সম-জিলা প্ৰশাসনৰ উদ্যোগত আজি ডিগবৈ সম-জিলা কাৰ্যালয় টিংৰাই ষ্টেডিয়ামত "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰৰ আয়োজন কৰা হয়। উল্লেখযোগ্য যে, প্ৰশাসন আৰু নাগৰিকৰ মাজৰ দূৰত্ব হ্ৰাস কৰি "জনসাধাৰণৰ দুৱাৰদলিত চৰকাৰী সেৱা" নিশ্চিত কৰাৰ লক্ষ্যৰে অসম চৰকাৰৰ উদ্যোগত সমগ্ৰ ৰাজ্যজুৰি ১ অক্টোবৰৰ পৰা ১০ অক্টোবৰলৈকে এক অভিলাষী জনকল্যাণমুখী পদক্ষেপ হিচাপে "সেৱা সংকল্প অভিযান"ৰ শুভাৰম্ভ কৰা হৈছে। আনহাতে আজিৰ এই "সেৱা সংকল্প অভিযান"ৰ অধীনত দিনজোৰা সেৱা শিবিৰত শিক্ষা, কৃষি, পশুপালন, পঞ্চায়ত ও গ্ৰামোন্নয়ন, ৰাজহ ও দুৰ্যোগ ব্যৱস্থাপনা, জনস্বাস্থ্য- কাৰিকৰী, শ্ৰম কল্যাণ, বিদ্যুৎ, উদ্যোগ-বাণিজ্য ও ৰাজহুৱা প্ৰতিষ্ঠান, স্বাস্থ্য ও পৰিয়াল কল্যাণ, সামাজিক ন্যায় আৰু সৰলীকৰণ আদি বিভিন্ন বিভাগে অংশগ্ৰহণ কৰে। শিবিৰটোত একেটা স্থানতে ৰাইজৰ বাবে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ সুবিধা আগবঢ়োৱা হয়। অৰুণোদয়, ৰাজহ বিভাগৰ সেৱা, স্বাস্থ্য সেৱা, প্ৰধানমন্ত্ৰী কিষাণ সন্মান নিধি, কৃষক ঋণ কাৰ্ড, মহাত্মা গান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিতকৰণ আঁচনি, সেৱা সেতু, প্ৰধানমন্ত্ৰী সূৰ্য ঘৰ, নিজুত মইনা, জন্ম-মৃত্যুৰ প্ৰমাণপত্ৰ, নতুন ৰেচন কাৰ্ড আৰু প্ৰধানমন্ত্ৰী স্বনিধি আদি আঁচনিৰ সেৱা আৰু তথ্য ৰাইজক প্ৰদান কৰা হয়। তদুপৰি বিভিন্ন আঁচনিৰ বাবে নতুনকৈ আবেদন দাখিল কৰাৰ লগতে অনলাইন আবেদন প্ৰক্ৰিয়াতো ৰাইজক প্ৰয়োজনীয় সহায়-সহযোগিতা আগবঢ়োৱা হয়। ডিগবৈ বিধানসভা সমষ্টিৰ বিধায়ক সুৰেন ফুকন আৰু তিনিচুকীয়াৰ জিলা আয়ুক্ত সুমিত ছাত্তাৱান, ডিগবৈ সমজিলা আয়ুক্ত ফিলিচ ভি.এল.এইচ হ্ৰুংচাল উক্ত শিবিৰত উপস্থিত হৈ বিভাগীয় ষ্টলসমূহ পৰিদৰ্শন কৰাৰ লগতে ৰাইজৰ বাবে উপলব্ধ সা-সুবিধাৰ বুজ লয়। আনহাতে সেৱা সংকল্প অভিযান উপলক্ষে কেটেটেং খণ্ড প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰৰো আয়োজন কৰা হয়। এই শিবিৰত OPD পৰামৰ্শ, ৰোগ নিৰ্ণয়, কাউন্সেলিং, প্ৰতিৰোধমূলক স্বাস্থ্যসেৱাৰ লগতে চকু, ENT, স্ত্ৰীৰোগ, মানসিক স্বাস্থ্য, অস্থি আৰু ছালৰ ৰোগৰ বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা সেৱা আগবঢ়োৱা হয়। ইয়াৰোপৰি যক্ষ্মা ৰোগৰ আগতীয়া নিৰ্ণয়ৰ বাবে বুকুৰ X-ray সহ TB স্ক্ৰীনিং, দিব্যাংগতা নিৰূপণ আদিৰো ব্যৱস্থা কৰা হয়। সুলভ স্বাস্থ্যসেৱা, আগতীয়া ৰোগ নিৰ্ণয়, প্ৰতিৰোধ আৰু স্বাস্থ্যকৰ জীৱনশৈলীৰ সজাগতাৰ জৰিয়তে ৰাইজৰ দুৱাৰদলিত সুলভ আৰু সম্পূৰ্ণ স্বাস্থ্যসেৱা প্ৰদানৰ প্ৰচেষ্টা কৰা হয়।

ডিব্ৰুগড়ৰ ২৭খন ব্যক্তিগত বিদ্যালয়ৰ পঞ্জীয়ন বাতিল; ছাত্ৰ-ছাত্ৰীৰ শিক্ষাবৰ্ষ সুৰক্ষাৰ দাবী অসম জাতীয়তাবাদী যুৱ পৰিষদৰ

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬অক্টোবৰ ঃ ডিব্ৰুগড়ৰ ২৭খন ব্যক্তিগত বিদ্যালয়ৰ পঞ্জীয়ন বাতিলৰ খবৰে ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ মাজত উদ্বেগ সৃষ্টি কৰিছে। বিদ্যালয়সমূহে চৰকাৰী নিয়ম-নীতি মানি চলাটো বাধ্যতামূলক। অনিয়ম প্ৰমাণিত হ'লে সংশ্লিষ্ট কৰ্তৃপক্ষৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা উচিত। অৱশ্যে, ইয়াৰ ফলত যাতে ছাত্ৰ-ছাত্ৰীৰ শিক্ষাজীৱন ব্যাহত নহয়, সেয়া চৰকাৰে নিশ্চিত কৰিব লাগে বুলি অসম জাতীয়তাবাদী যুৱ পৰিষদে দাবী জনাইছে। সংগঠনটোৰ সাধাৰণ সম্পাদক উদয়ন কুমাৰ গগৈয়ে এক প্ৰেছ বিবৃতিত কয় যে বিদ্যালয়ৰ প্ৰশাসনিক বা বিধিগত সমস্যাৰ বাবে ছাত্ৰ-ছাত্ৰীসকল কোনো পধ্যে দায়ী নহয়। হঠাতে বিদ্যালয় সলনি কৰিবলৈ বাধ্য কৰিলে তেওঁলোকৰ পঢ়া-শুনা, পৰীক্ষা আৰু শিক্ষাবৰ্ষত গুৰুতৰ প্ৰভাৱ পৰিব পাৰে। সংগঠনটোৱে চৰকাৰৰ ওচৰত তলত উল্লেখ কৰা দাবীসমূহ উত্থাপন কৰিছে (১) শিক্ষাবৰ্ষ আৰু পৰীক্ষা সুৰক্ষিত কৰক: ছাত্ৰ-ছাত্ৰীৰ পঢ়া-শুনা আৰু পৰীক্ষা যাতে ব্যাহত নহয়, তাৰ বাবে শিক্ষা বিভাগে তাৎক্ষণিক ব্যৱস্থা গ্ৰহণ কৰক। (২)বিকল্প নামভৰ্তিৰ ব্যৱস্থা কৰক: প্ৰয়োজন হ'লে নিকটৱৰ্তী বিদ্যালয়সমূহত সহজ আৰু বাধাহীন নামভৰ্তিৰ বিশেষ ব্যৱস্থা কৰা হওক। (৩) সিদ্ধান্ত গ্ৰহণৰ প্ৰক্ৰিয়া স্পষ্ট কৰক: বিদ্যালয়সমূহক আগতীয়া জাননী, নথি-পত্ৰ সংশোধনৰ সুযোগ আৰু বক্তব্য দাখিলৰ সুবিধা দিয়া হৈছিল নে নাই, শিক্ষা বিভাগে স্পষ্ট কৰক। (৪)দোষীৰ বিৰুদ্ধে ব্যৱস্থা লওক, ছাত্ৰ-ছাত্ৰীক শাস্তি নিদিব: বিদ্যালয় কৰ্তৃপক্ষৰ অনিয়ম প্ৰমাণিত হ'লে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰক; কিন্তু তাৰ বোজা ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত জাপি নিদিব। উদয়ন কুমাৰ গগৈয়ে কয়, "বিদ্যালয় কৰ্তৃপক্ষৰ ভুল থাকিলে তেওঁলোকৰ বিৰুদ্ধে আইন অনুসৰি ব্যৱস্থা গ্ৰহণ কৰা উচিত। কিন্তু সেই ভুলৰ শাস্তি নিৰীহ ছাত্ৰ-ছাত্ৰীসকলে ভোগ কৰিব নালাগে। তেওঁলোকৰ শিক্ষাজীৱন সুৰক্ষিত কৰাটো চৰকাৰৰ প্ৰাথমিক দায়িত্ব।" তেওঁ চৰকাৰক বিলম্ব নকৰি ছাত্ৰ-ছাত্ৰী আৰু অভিভাৱকৰ উদ্বেগ দূৰ কৰাৰ বাবে শীঘ্ৰে স্পষ্ট আৰু ফলপ্ৰসূ পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীৰ সৈতে কোচ-ৰাজবংশী সংগঠনসমূহৰ বৈঠক; দুৰ্গাপূজাৰ পিছত দিছপুৰত হ'ব আনুষ্ঠানিক আলোচনা



অসম বাৰ্তা, কোকৰাঝাৰ, ৬ অক্টোবৰ ঃ কোচ-ৰাজবংশী সমাজৰ বিভিন্ন দীৰ্ঘদিনীয়া সমস্যা আৰু গুৰুত্বপূৰ্ণ দাবী সন্দৰ্ভত অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ সৈতে কোচ-ৰাজবংশী সংগঠনসমূহৰ প্ৰতিনিধিৰ এক গুৰুত্বপূৰ্ণ আলোচনা অনুষ্ঠিত হয়। বঙাইগাঁৱৰ আৰক্ষী কনভেনচন চেণ্টাৰত অনুষ্ঠিত এই বৈঠকত কোচ-ৰাজবংশী সমাজৰ বিভিন্ন বিষয় মুখ্যমন্ত্ৰীৰ সন্মুখত উত্থাপন কৰে সংগঠনসমূহৰ প্ৰতিনিধিসকলে। আজিৰ আলোচনাত আক্ৰাছু, কোচ-ৰাজবংশী সাহিত্য সভা, সদৌ অসম কোচ-ৰাজবংশী সন্মিলনী, আক্ৰাছু (UG), কোচ-ৰাজবংশী সংগ্ৰাম সমিতি, সদৌ কোচ-ৰাজবংশী যুৱ ছাত্ৰ সন্মিলনী আৰু কোচ-ৰাজবংশী সাংস্কৃতিক সমাজৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰে। বৈঠকত কোচ-ৰাজবংশী সমাজৰ বিভিন্ন জ্বলন্ত সমস্যা, দীৰ্ঘদিনীয়া দাবী আৰু সমাজখনৰ সৈতে জড়িত বিভিন্ন গুৰুত্বপূৰ্ণ বিষয় সন্দৰ্ভত মুখ্যমন্ত্ৰীৰ সৈতে প্ৰতিনিধিসকলে মত-বিনিময় কৰে। সংগঠনসমূহৰ প্ৰতিনিধিসকলে সমাজখনৰ বিভিন্ন সমস্যা সমাধানৰ ক্ষেত্ৰত চৰকাৰৰ হস্তক্ষেপ আৰু ইতিবাচক পদক্ষেপ গ্ৰহণৰ বাবে মুখ্যমন্ত্ৰীৰ দৃষ্টি আকৰ্ষণ কৰে। ইয়াৰ পিছতে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই সংগঠনসমূহৰ প্ৰতিনিধিসকলৰ সৈতে বিষয়সমূহ অধিক বিস্তৃতভাৱে আলোচনা কৰাৰ বাবে দুৰ্গাপূজাৰ পিছত দিছপুৰত এখন আনুষ্ঠানিক বৈঠক অনুষ্ঠিত কৰাৰ আশ্বাস প্ৰদান কৰে। এই বৈঠকত কোচ-ৰাজবংশী সমাজৰ উত্থাপিত বিভিন্ন বিষয় অধিক বিশদভাৱে আলোচনা কৰাৰ সুযোগ লাভ কৰিব বুলি সংগঠনসমূহে আশা প্ৰকাশ কৰে। মুখ্যমন্ত্ৰীগৰাকীয়ে আগন্তুক আনুষ্ঠানিক বৈঠকখন আয়োজন আৰু সমন্বয় কৰাৰ দায়িত্ব অসম চৰকাৰৰ মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰক অৰ্পণ কৰে। মন্ত্ৰীগৰাকীৰ তত্ত্বাৱধানত সংগঠনসমূহৰ সৈতে সমন্বয় কৰি দিছপুৰত বৈঠকখন অনুষ্ঠিত কৰাৰ ব্যৱস্থা কৰা হ'ব। উল্লেখ্য যে, কোচ-ৰাজবংশী সমাজৰ বিভিন্ন সংগঠনসমূহে দীৰ্ঘদিন ধৰি সমাজখনৰ বিভিন্ন সমস্যা আৰু দাবী চৰকাৰৰ সন্মুখত উত্থাপন কৰি আহিছে। আজি বঙাইগাঁৱত অনুষ্ঠিত আলোচনাই এই বিষয়সমূহক লৈ চৰকাৰ আৰু কোচ-ৰাজবংশী সংগঠনসমূহৰ মাজত অধিক আনুষ্ঠানিক আলোচনাৰ এক পথ মুকলি কৰাৰ সম্ভাৱনা সৃষ্টি কৰিছে। আগন্তুক দিছপুৰৰ আনুষ্ঠানিক বৈঠকখনত কোচ-ৰাজবংশী সমাজৰ বিভিন্ন দাবী আৰু সমস্যা অধিক বিস্তৃতভাৱে উত্থাপন হোৱাৰ লগতে চৰকাৰৰ সৈতে এই বিষয়সমূহৰ ওপৰত ফলপ্ৰসূ আলোচনা হোৱাৰ আশা প্ৰকাশ কৰিছে সংগঠনসমূহৰ প্ৰতিনিধিসকলে।

দুলীয়াজানত সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতাৰ লাইখুঁটা স্থাপন

শংকৰী কলা-কৃষ্টিৰ প্ৰসাৰৰ সংকল্প

অসম বাৰ্তা, দুলীয়াজান, ৬ অক্টোবৰ ঃ জগতগুৰু শ্ৰীমন্ত শংকৰদেৱ আৰু মাধৱদেৱৰ অমৰ সৃষ্টি সত্ৰীয়া সংস্কৃতি তথা ভাওনাক নৱপ্ৰজন্মৰ মাজত জীপাল কৰি ৰখাৰ এক মহান প্ৰয়াস হাতত লৈছে দুলীয়াজানৰ অগ্ৰণী সাংস্কৃতিক অনুষ্ঠান 'নীলকণ্ঠ সংগীত সত্ৰ নাট্য বিদ্যালয়'এ। এই প্ৰয়াসৰ অংশস্বৰূপেই অহা ২৬ অক্টোবৰৰ পৰা দুলীয়াজানত অনুষ্ঠিত হ'বলৈ গৈ আছে 'সদৌ অসম শিশু ভাওনা প্ৰতিযোগিতা, ২০২৬'। আজি এক আধ্যাত্মিক আৰু উখল-মাখল পৰিৱেশৰ মাজত এই বিশাল সাংস্কৃতিক সমাৰোহখনিৰ লাইখুঁটা স্থাপন কৰা হয়। দুলীয়াজানৰ ২নং চলাকটকী বিকাশপুৰ নামঘৰ প্ৰাংগণত আয়োজিত এক গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানত মাংগলিক ৰীতি-নীতিৰে এই লাইখুঁটা পোতা হয়। পুৱাৰ ভাগত খোল-তাল, ডবা-শংখৰ মঙ্গলময় ধ্বনি আৰু ভকত-বৈষ্ণৱৰ আয়তীৰ উৰুলিত বিকাশপুৰ নামঘৰৰ চৌপাশ এক স্বৰ্গীয় পৰিৱেশলৈ ৰূপান্তৰিত হয়। প্ৰাপ্ত বাতৰি অনুসৰি, ২নং চলাকটকী বিকাশপুৰবাসী ৰাইজৰ আতিথ্যত আৰু সমগ্ৰ ডিব্ৰুগড় জিলাবাসী ৰাইজৰ সক্ৰিয় সহযোগত এই ভাওনা মহোৎসৱখনিৰ প্ৰস্তুতি দ্ৰুতগতিৰে আগবাঢ়িছে। অহা ২৬ অক্টোবৰৰ পৰা ১ নৱেম্বৰলৈ একেৰাহে ৭ দিনীয়াকৈ অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাখনত ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা শিশু ভাওনা দলে অংশগ্ৰহণ কৰিব। আয়োজকসকলে জানিবলৈ দিয়া মতে, বৰ্তমানৰ যান্ত্ৰিক আৰু ম'বাইল-ইণ্টাৰনেটৰ যুগত আমাৰ উঠি অহা শিশুকলা-কুশলীসকলক নিজৰ শিপাৰ সৈতে পৰিচয় কৰাই দিয়াটোৱেই হৈছে এই প্ৰতিযোগিতাৰ প্ৰধান উদ্দেশ্য। ইয়াৰ জৰিয়তে শিশুসকলে ভাওনাৰ দৰে এক গুৰুত্বপূৰ্ণ কলা আয়ত্ত কৰাৰ লগতে অসমীয়া ভাষা আৰু সংস্কৃতিৰ প্ৰতিও আগ্ৰহী হ'ব বুলি উদ্যোক্তাসকলে দৃঢ় বিশ্বাস ব্যক্ত কৰিছে। আজিৰ লাইখুঁটা স্থাপন কাৰ্যসূচীত অঞ্চলটোৰ বহু বিশিষ্ট সমাজকৰ্মী, শিক্ষাবিদ, সত্ৰীয়া সংস্কৃতিৰ সাধক আৰু স্থানীয় ৰাইজ বিপুল সংখ্যাত উপস্থিত থাকে। আগন্তুক এই শিশু ভাওনা মহোৎসৱখনি সৰ্বাংগীণভাৱে সফল কৰি তুলিবলৈ আয়োজক সমিতি তথা বিকাশপুৰবাসী ৰাইজে সমগ্ৰ অসমৰ কৃষ্টিপ্ৰেমী আৰু ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি, পৰামৰ্শ আৰু সহায়-সহযোগিতা আন্তৰিকতাৰে কামনা কৰিছে।

অসম কো-অপাৰেটিভ এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনৰ গৃহটিৰ শুভ উদ্বোধন

সৰুপথাৰত এপেক্স বেংকৰ নৱনিৰ্মিত শাখা গৃহৰ শুভ উদ্বোধন



অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, সৰুপথাৰ, ৬ অক্টোবৰ ঃ সৰুপথাৰবাসী ৰাইজৰ বাবে মঙ্গলবাৰে মুকলি কৰা হ'ল অসম কো-অপাৰেটিভ এপে' বেংকৰ সৰুপথাৰ শাখাৰ নৱনিৰ্মিত গৃহ। সৰুপথাৰ সমষ্টিৰ বিধায়ক তথা অসম কো-অপাৰেটিভ এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনে ফিতা কাটি আনুষ্ঠানিকভাৱে নৱনিৰ্মিত শাখা গৃহটো ৰাইজৰ সেৱাত উৎসৰ্গা কৰে। অতি আটকধুনীয়াকৈ নিৰ্মাণ কৰা নৱনিৰ্মিত শাখাটোত গ্ৰাহকৰ সুবিধাৰ প্ৰতি বিশেষ গুৰুত্ব আৰোপ কৰাৰ লগতে সম্পূৰ্ণ শীত-তাপ নিয়ন্ত্ৰণ ব্যৱস্থাৰো সংযোজন কৰা হৈছে। আধুনিক সা-সুবিধাৰে সমৃদ্ধ এই শাখাটো বৰ্তমান সমগ্ৰ অসমৰ ভিতৰতে এপেক্স বেংকৰ অন্যতম সুন্দৰ আৰু আকৰ্ষণীয় শাখা হিচাপে পৰিগণিত হৈছে। উল্লেখ্য যে, সৰুপথাৰ শাখাটোত বৰ্তমান শাখা পৰিচালকসহ মুঠ ছগৰাকী কৰ্মচাৰীয়ে গ্ৰাহকক সেৱা আগবঢ়াই আহিছে। নৱনিৰ্মিত গৃহৰ জৰিয়তে গ্ৰাহকসকলে অধিক সুন্দৰ পৰিৱেশত বেংকিং সেৱা লাভ কৰাৰ লগতে বেংকৰ সেৱা অধিক জনমুখী আৰু গতিশীল হোৱাৰ আশা কৰা হৈছে। শাখা পৰিচালক ৰাজু বৰাই আঁত ধৰা উদ্বোধনী অনুষ্ঠানত বিধায়ক তথা অসম কো-অপাৰেটিভ এপেক্স বেংকৰ অধ্যক্ষ বিশ্বজিৎ ফুকনৰ লগতে বেংকৰ জেনেৰেল মেনেজাৰ প্ৰশান্ত শৰ্মা, ডেপুটি জেনেৰেল মেনেজাৰ ৰিত্তিক তালুকদাৰ, গোলাঘাট এপেক্স বেংকৰ শাখা পৰিচালক সত্যজ্যোতি কাশ্যপ, বোকাজান শাখাৰ শাখা পৰিচালক সুমিত বৰা, সৰুপথাৰ মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষা মণিপ্ৰভা বৰাকে ধৰি স্থানীয় বহু সংখ্যক গ্ৰাহক আৰু গণ্যমান্য ব্যক্তি উপস্থিত থাকে। নৱনিৰ্মিত শাখা গৃহটোৰ শুভ উদ্বোধনে সৰুপথাৰবাসীৰ মাজত বেংকিং সেৱাক অধিক উন্নত আৰু গ্ৰাহকমুখী কৰি তোলাৰ ক্ষেত্ৰত এক নতুন অধ্যায়ৰ সূচনা কৰিব বুলি সকলোৱে আশা প্ৰকাশ কৰিছে।

২০২৬-২৭ বৰ্ষত পৰ্যটকৰ বাবে মুকলি হ'ল ওৰাং ৰাষ্ট্ৰীয় উদ্যান

অসম বাৰ্তা, মঙলদৈ, ৬ অক্টোবৰ ঃ নতুন পৰ্যটন বৰ্ষক স্বাগতম জনাই আনুষ্ঠানিকভাৱে মুকলি কৰা হৈছে ৰাজ্যৰ পৰ্যটন ক্ষেত্ৰৰ অন্যতম প্ৰধান আকৰ্ষণ ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ প্ৰৱেশদ্বাৰ। দেওবাৰে পুৱা ১০ বজাত মাংগলিক তথা আড়ম্বৰপূৰ্ণ অনুষ্ঠানৰ জৰিয়তে ওৰাং ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। ৰাষ্ট্ৰীয় উদ্যানখনত দীৰ্ঘদিন ধৰি সেৱা আগবঢ়োৱা পুৰণি বনকৰ্মী ভবেন বড়োৱে ফিতা কাটি এই প্ৰৱেশদ্বাৰ মুকলি কৰে। এই অনুষ্ঠানটোত উপস্থিত থাকে মঙলদৈ বন সংমণ্ডলৰ দায়িত্বত থকা বিষয়া অভিজিৎ দুৱৰা আৰু ওৰাং ৰাষ্ট্ৰীয় উদ্যানৰ বনাঞ্চলিক বিষয়া অংকুৰ প্ৰসাদ হাজৰিকা। প্ৰৱেশদ্বাৰ মুকলিৰ এইঅনুষ্ঠানতে উদ্যানখনৰ পৰ্যটন ব্যৱস্থাৰ অন্যতম চালিকাশক্তি তথা গুৰুত্বপূৰ্ণ অংশ জীপচালকসকলক ওৰাং ৰাষ্ট্ৰীয় উদ্যান কৰ্তৃপক্ষৰ তৰফৰ পৰা ফুলাম গামোচাৰে সম্বৰ্দ্ধনা জনোৱা হয়। ইফালে, ২০২৬-২৭ পৰ্যটন বৰ্ষত পৰ্যটকসকলৰ সুৰক্ষা, সুবিধা আৰু পৰিচালনা ব্যৱস্থা অধিক সুচল কৰাৰ উদ্দেশ্যে কিছুমান নতুন নিয়ম-নীতি তথা এছ অ' পি কাৰ্যকৰী কৰা হৈছে। নতুন নিয়ম অনুসৰি পুৱা ৭ বজাৰ পৰা দুপৰীয়া ১২ বজালৈ আৰু আবেলি ১ বজাৰ পৰা ৩ বজালৈ পৰ্যটকৰ বাবে টিকট কাউণ্টাৰ খোলা থাকিব, যাতে পৰ্যটকসকলে নিৰ্দ্ধাৰিত সময়ৰ ভিতৰতে টিকট সংগ্ৰহ কৰি ভ্ৰমণ কৰিব পাৰে। ইয়াৰ সমান্তৰালভাৱে পুৱা ৬ বজাৰ পৰা ৮ বজালৈ পৰ্যটকৰ বাবে বিশেষভাৱে হাতী ছাফাৰিৰ ব্যৱস্থা ৰখা হ'ব। আনহাতে, উদ্যানখনৰ জৈৱ বৈচিত্ৰ্যৰ সংৰক্ষণ আৰু বন্যপ্ৰাণীসমূহক জিৰণি ল'বলৈ পৰ্যাপ্ত সময় দিয়াৰ উদ্দেশ্যে প্ৰতি সপ্তাহৰ মঙলবাৰে ওৰাং ৰাষ্ট্ৰীয় উদ্যান পৰ্যটকৰ বাবে সম্পূৰ্ণৰূপে বন্ধ থাকিব বুলি কৰ্তৃপক্ষই স্পষ্ট কৰি দিছে। উল্লেখ্য যে প্ৰতিবছৰে বাৰিষা কালত পৰ্যটকসকলৰ বাবে ওৰাং ৰাষ্ট্ৰীয় উদ্যান বন্ধ ৰখা হয়। এইবাৰ উদ্যানখনৰ আভ্যন্তৰীণ ৰাস্তা-ঘাটৰ সুবিধা যথেষ্ট উন্নত কৰা হৈছে।

নাজিৰা মহাবিদ্যালয়ত 'সেৱা সংকল্প অভিযান'ৰ অধীনত সেৱা সেতু শিবিৰ অনুষ্ঠিত

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৬ অক্টোবৰ ঃ ৰাইজৰ কাষলৈ চৰকাৰী আঁচনি আৰু সেৱাসমূহ অধিক সহজে লৈ যোৱাৰ উদ্দেশ্যে 'সেৱা সংকল্প অভিযান'ৰ অংশ হিচাপে নাজিৰা উন্নয়ন খণ্ডৰ উদ্যোগত আজি নাজিৰা মহাবিদ্যালয়ত দিনজোৰা কাৰ্যসূচীৰে 'সেৱা সেতু শিবিৰ' অনুষ্ঠিত হয়। নাজিৰা সমষ্টিৰ বিধায়ক ময়ূৰ বৰগোহাঁয়ে এই শিবিৰৰ আনুষ্ঠানিকভাৱে উদ্বোধন কৰে। অনুষ্ঠানত শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱ, সমজিলা আয়ুক্ত প্ৰতিভা মেশ্ৰাম, নাজিৰাৰ সহকাৰী আয়ুক্তসকল, নাজিৰা খণ্ড উন্নয়ন বিষয়া তথা বিভিন্ন চৰকাৰী বিভাগৰ মুৰব্বী বিষয়া আৰু কৰ্মচাৰীসকল উপস্থিত থাকে। শিবিৰটোৰ জৰিয়তে একেটা স্থানতে ৰাইজক বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ সৈতে সংযোগ স্থাপনৰ সুবিধা প্ৰদান কৰা হয়। ১২টাতকৈও অধিক চৰকাৰী বিভাগে অংশগ্ৰহণ কৰা শিবিৰটোত আয়ুষ্মান ভাৰত—পি.এম.-জে.এ.ৱাই., পি.এম. গৰীব কল্যাণ অন্ন যোজনা, পি.এম.-কিষাণ, প্ৰধানমন্ত্ৰীজন ধন যোজনা, প্ৰধানমন্ত্ৰী জীৱন জ্যোতি বীমা যোজনা, ৱান নেশ্যন ৱান ৰেচন কাৰ্ড, অৰুণোদয় (দিব্যাংগসকলৰ বাবে), ভূমি পট্টা, নামজাৰী, মাটি বিক্ৰীৰ অনুমতি, নতুন ৰেচন কাৰ্ড, জন্ম-মৃত্যু প্ৰমাণ পত্ৰ, নিযুত মইনা, নিযুত বাবু আদি বিভিন্ন আঁচনি আৰু সেৱাৰ অধীনত পঞ্জীয়ন, আবেদন গ্ৰহণ আৰু প্ৰয়োজনীয় সহায় আগবঢ়োৱা হয়। শিবিৰটোত ৩, ৫০০ৰো অধিক ৰাইজে অংশগ্ৰহণ কৰে। অংশগ্ৰহণকাৰীসকলে বিভিন্ন চৰকাৰী আঁচনি আৰু সেৱাৰ বাবে পঞ্জীয়ন কৰাৰ লগতে নিজ নিজ প্ৰয়োজন অনুসৰি উপলব্ধ সুবিধাসমূহ গ্ৰহণ কৰে। এনে পদক্ষেপৰ জৰিয়তে চৰকাৰী সেৱা লাভৰ প্ৰক্ৰিয়া অধিক সৰল আৰু সুবিধাজনক হোৱাৰ লগতে গ্ৰামাঞ্চলৰ ৰাইজে বিভিন্ন চৰকাৰী আঁচনি, সেৱা আৰু কল্যাণমূলক কাৰ্যসূচীৰ বিষয়ে একে স্থানতে তথ্য লাভ কৰাৰ সুযোগ লাভ কৰে।

জিলা আয়ুক্তৰ অধ্যক্ষতাত প্ৰস্তুতিমূলক বৈঠক সম্পন্ন

শিৱসাগৰত ৭ অক্টোবৰত 'সেৱা জ্যোতি কলহ যাত্ৰা'

অসম বাৰ্তা, ষ্টাফ ৰিপ'ৰ্টাৰ, শিৱসাগৰ, ৬ অক্টোবৰ ঃ ভাৰতৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ৰাজহুৱা জীৱনৰ ২৫ বছৰ সম্পূৰ্ণ কৰা উপলক্ষে সমগ্ৰ দেশৰ লগতে অহা ৭ অক্টোবৰ তাৰিখে শিৱসাগৰত জিলা পৰ্যায়ত "সেৱা জ্যোতি কলহ যাত্ৰা" আয়োজন কৰা হ'ব। "সেৱা জ্যোতি কলহ যাত্ৰা"ৰ সফল আয়োজনৰ বাবে গ্ৰহণ কৰিবলগীয়া প্ৰস্তুতিমূলক ব্যৱস্থাপনা সন্দৰ্ভত আলোচনা কৰাৰ অৰ্থে শিৱসাগৰ জিলাৰ জিলা আয়ুক্ত মৃদুল যাদৱৰ অধ্যক্ষতাত আজি জিলা আয়ুক্ত কাৰ্যালয়ৰ চুকাফা সভাকক্ষত এখন বৈঠক অনুষ্ঠিত হয়। বৈঠকত জিলা আয়ুক্ত গৰাকীয়ে কয় যে "সেৱা জ্যোতি কলহ যাত্ৰা" কাৰ্যসূচীৰ মূল উদ্দেশ্য হৈছে প্ৰধানমন্ত্ৰীগৰাকীৰ ২৫ বছৰীয়া ৰাজহুৱা জীৱনৰ যাত্ৰা আৰু সমাজ সেৱামূলক পদক্ষেপসমূহ জনসাধাৰণৰ মাজলৈ লৈ যোৱা আৰু লগতে সমাজৰ বিভিন্ন শ্ৰেণীক "বিকশিত ভাৰত @২০৪৭" (Viksit Bharat @2047)ৰ সংকল্পৰ সৈতে সংযোগ কৰা। তেওঁ লগতে কয় যে, এই অনুষ্ঠানটি আয়োজনৰ জৰিয়তে প্ৰধানমন্ত্ৰী গৰাকীৰ সেৱা আৰু সমৰ্পণ ৰাইজৰ সৈতে উদযাপন কৰা হ'ব। তেওঁ সংশ্লিষ্ট সকলোকে এই কাৰ্যসূচীৰ সফল ৰূপায়ণৰ বাবে দায়িত্ব সহকাৰে আত্মনিয়োগ কৰিবলৈ আহ্বান জনায়। আনহাতে, জিলা আয়ুক্ত গৰাকীয়ে খণ্ড উন্নয়ন বিষয়াসকল আৰু পৌৰসভাৰ কাৰ্যবাহী বিষয়াসকলক এই অনুষ্ঠান সম্পৰ্কে ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ পদক্ষেপ গ্ৰহণ কৰিবলৈ কয়। বৈঠকত অতিৰিক্ত জিলা আয়ুক্ত (সাংস্কৃতিক পৰিক্ৰমা) গৌৰীপ্ৰিয়া দেউৰীয়ে "সেৱা জ্যোতি কলহ যাত্ৰা"ৰ আয়োজন সন্দৰ্ভত প্ৰদান কৰা চৰকাৰী নিৰ্দেশনাসমূহৰ বিষয়ে অৱগত কৰে। অহা ৭ অক্টোবৰত ঐতিহাসিক বৰ্ডিং খেলপথাৰত অনুষ্ঠিত হ'বলগীয়া জিলা পৰ্যায়ৰ অনুষ্ঠানৰ কাৰ্যসূচী সম্পৰ্কে অৱগত কৰি তেওঁ কয় যে, অনুষ্ঠানটিত মুখ্যমন্ত্ৰী আৰু প্ৰধানমন্ত্ৰীৰ ভাষণ ভাৰ্চুৱেল মাধ্যমেৰে সম্প্ৰচাৰ কৰাৰ লগতে দুগৰাকী নিৰ্দিষ্ট বক্তাৰ ভাষণ আৰু সমবেতভাৱে 'বন্দে মাতৰম' পৰিবেশন কৰা হ'ব। আনহাতে, উক্ত দিনা মাটিৰ কলহৰ সৈতে বিভিন্ন স্থানত পদযাত্ৰা উলিওৱা হ'ব। বৈঠকত জিলা পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া সতীশ চন্দ্ৰ ঠাকুৰীয়া, জিলা উন্নয়ন আয়ুক্ত পৱিত্ৰ কুমাৰ দাস, ডিমৌৰ সম-জিলা আয়ুক্ত লুকুমণি বড়া, অতিৰিক্ত আৰক্ষী অধীক্ষক ঋষভ হাণ্ডা, উপ-আৰক্ষী অধীক্ষক সুৰজিৎ চৌধুৰী, সহকাৰী আয়ুক্ত বিদিশা শইকীয়া, বিশিষ্ট সমাজকৰ্মী বিতোপন বাইদইয়া, বিধায়কসকলৰ প্ৰতিনিধি, পৌৰসভাৰ কাৰ্যবাহী বিষয়া, খণ্ড উন্নয়ন বিষয়া আৰু সংশ্লিষ্ট চৰকাৰী বিভাগৰ বিষয়া- কৰ্মচাৰীসকল উপস্থিত থাকে।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বঙাইগাঁৱত ১৫ তম্ মেডিকেল কলেজ হাস্পতালত আৰু সংহত জিলা আয়ুক্ত কাৰ্যালয় শুভাৰম্ভ

অসম বাৰ্তা, উত্তৰ শালমাৰা, ৬ অক্টোবৰ ঃ আজি বঙাইগাঁৱত মুখ্য মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই কেইবাটাও গুৰুত্বপূৰ্ণ আচনি শুভাৰম্ভৰ বাবে বঙাইগাঁৱত উপস্থিত হয়। শুৱনি বঙাইগাঁওক সোণৰ সুৰগা ঢৰালে বঙাইগাঁও চিকিৎসা মহাবিদ্যালয় আৰু হস্পিতাল তথা সংহত জিলা আয়ুক্ত কাৰ্যালয়ৰ নব্য ৰূপে। বিভিন্ন প্ৰকল্পৰ লগত জনসাধাৰণৰ স্বাস্থ্যৰ চিকিৎসা মহাবিদ্যালয় খনি আৰু জিলা আয়ুক্তৰ কাৰ্যালয় বঙাইগাঁও বাসীৰ বাবে উৰ্দ্ধগা কৰাৰ এই দিন সদায় বিশেষ হৈ ৰ'ব। প্ৰায় ৬০০ কোটি টকা ব্যয় সাপেক্ষে নিৰ্মাণ কৰা বঙাইগাঁও মেডিকেল কলেজ হাস্পতালত অসম অন্য গাঁথনি অসমৰ ভিতৰত প্ৰথম স্থান হ'ব বুলি স্বাস্থ্যমন্ত্ৰী অশোক সিংঘল উচ্চ প্ৰশংসা কৰে আৰু ৫০ কোটি টকা ব্যয়ৰে ২৪ বিঘা মাটিত বঙাইগাঁও জিলাৰ নতুনকৈ নিৰ্মাণ কৰা জিলা সংহত আয়ুক্ত কাৰ্যালয়। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ লগত আজি বঙাইগাঁৱত উপস্থিত হয় মাননিয় স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ মন্ত্ৰী অশোক সিংঘল, ৰাজহ মন্ত্ৰী কেশৱ মহন্ত অভিভাৱক মন্ত্ৰী অশ্বিনী ৰায় সৰকাৰ ৩ নং বৰপেটা লোকসভা সমষ্টিৰ সাংসদ মাননিয় ফণীভূষণ চৌধুৰী, বঙাইগাঁও বিধানসভা সমষ্টিৰ বধায়িকা দিপ্তীময়ী চৌধুৰী ১৬ নং অভয়াপুৰী বিধানসভা সমষ্টিৰ বিধায়ক ভুপেন ৰায়। পণ্ডিত দীনদয়াল উপাধ্যায় আদৰ্শ মহাবিদ্যালয় আন্তঃগাঁথনি, সৃজন গ্ৰামত ৰঘুনাথ মন্দিৰৰ গৃহ, বীৰঝৰা চাহ বাগিচাত আদৰ্শ উচ্চ মাধ্যমিক বিদ্যালয় আৰু বিভিন্ন আঁচনিৰ অধীনত প্ৰায় ৭০০ কোটি টকা ব্যয়ৰে বঙাইগাঁও বাসীক উপহাৰ দিয়ে। সাংবাদিকৰ আগত এক প্ৰশ্নৰ উত্তৰত মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে "আছুৰ লগত বিজেপিৰ সম্পৰ্ক নাই। আছুৱে বিজেপিক গালি পাৰি থাকে, মোৰ আছুক গালি পাৰি থাকো। এয়া ইচ্ছাভিত্তিক, কিছুমান ইচ্ছুতে অখিল গগৈক ভাল পাও, কিছুমান ইচ্ছুতে আছুক ভাল পাও।"

ডিব্ৰুগড়ৰ সত্ৰীয়া সংগীত বিদ্যালয়ৰ ৰূপালী জয়ন্তীবৰ্ষ উদযাপনৰ ব্যাপক প্ৰস্তুতি

ষ্টাফ ৰিপ'ৰ্টাৰ, ডিব্ৰুগড়, ৬ অক্টোবৰ ঃ বিগত ২০০১ চনত স্থাপিত হোৱা আৰু ইতিমধ্যে ২৫টা বসন্ত গৰকা ডিব্ৰুগড়ৰ সত্ৰীয়া সংগীত বিদ্যালয়ে চলিত বৰ্ষত তিনিদিনীয়া বিস্তৃত কাৰ্যসূচীৰে অহা ৩১ অক্টোবৰ, ১ আৰু ২ নৱেম্বৰ তাৰিখে ৰূপালী জয়ন্তী বৰ্ষ উদযাপনৰ ব্যাপক প্ৰস্তুতি চলাইছে। ৰূপালী জয়ন্তী বৰ্ষ উদ্‌যাপনৰ অংশস্বৰূপে সদৌ অসম ভিত্তিত গীত-বাদ্য-নৃত্য (বৰগীত, খোলবাদ্য, সত্ৰীয়া নৃত্য) ৰ এখনি প্ৰতিযোগিতাও আয়োজন কৰা হৈছে। প্ৰতিযোগিতা সমূহ "ক" আৰু "খ" দুটা শাখাত অনুষ্ঠিত হ'ব। "ক" শাখাৰ প্ৰতিযোগীৰ বয়স ৮ৰ পৰা ১৫ বছৰ আৰু "খ" শাখাৰ ১৬ৰ পৰা ২৫ বছৰ। বিজয়ী প্ৰতিযোগীসকলক মানপত্ৰ, গ্ৰন্থৰ টোপোলা সহিতে নগদ ধনৰে পুৰস্কিত কৰা হ'ব। কাৰ্যসূচী অন্তিম দিনা অনুষ্ঠিত হ'বলগীয়া সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ উদ্বোধন কৰিব ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য অধ্যাপক ড° জিতেন হাজৰিকাই। উক্ত অনুষ্ঠানতে সংগীত নাটক একাডেমি বটা প্ৰাপক মাজুলীৰ মূল কমলাবাৰী সত্ৰৰ টংকেশ্বৰ হাজৰিকাক সম্বৰ্ধনা জনোৱা হ'ব। সত্ৰীয়া সংগীত বিদ্যালয়ৰ প্ৰাক্তন আৰু বৰ্তমান শিক্ষাৰত ভালেসংখ্যক ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা সমূহীয়া বৰগীত, গায়ন-বায়ন পৰিৱেশন কৰাৰ উপৰিও গুৱাহাটী, যোৰহাট আৰু দুলীয়াজানৰ কেইবাগৰাকীও বিশিষ্ট সত্ৰীয়া শিল্পীয়ে সাংস্কৃতিক সন্ধিয়াৰ মঞ্চ জীপাল কৰি তুলিব বুলি বিদ্যালয়খনৰ অধ্যক্ষ প্ৰণৱ হাজৰিকাই আৰু উদযাপন সমিতিৰ প্ৰচাৰ সম্পাদক ভুবন জ্যোতি বৰুৱা আৰু প্ৰশান্ত শইকীয়াই জনাইছে। ৰূপালী জয়ন্তী উদযাপনৰ সকলো প্ৰস্তুতি নিয়াৰিকৈ চলাই নিবৰ বাবে জীৱন জ্যোতি দুৱৰাক সভাপতি আৰু উপেন দাসক সম্পাদক কৰাৰ লগতে ইতিমধ্যে এখন শক্তিশালী আয়োজক সমিতিও গঠন কৰা হৈছে। অহা ১ নৱেম্বৰৰ সন্ধিয়া অনুষ্ঠিত হ'বলগীয়া প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ পুনৰ মিলন সমাৰোহত সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীৰ উপস্থিতি থাকিব বাবে বিদ্যালয় উদ্যোক্তাসকলে কামনা কৰাৰ লগতে ৰূপালী জয়ন্তী অনুষ্ঠান যিকোনো বিশদ তথ্যৰ বাবে ৮৭২১৮৮৬৭৪০, ৯৫৭৩১২৪৮৫, ৯৯৫৪৬৪২৮৭৯ মোবাইল নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

◁ অসম বাৰ্তা প্ৰাইভেট লিমিটেডৰ দ্বাৰা প্ৰকাশিত ▷ ✉ বাতৰি বিভাগ ঃ abnewsmajuli@gmail.com ম'বাইল ঃ +৯১-৭০৯৯৪৩৫৪৬২ ◂◂ যিকোনো আইনী বিষয় যোৰহাটৰ আদালততহে প্ৰযোজ্য হ'ব ▸▸
Asom Barta is an Assamese newspaper published by Asom Barta Private Limited ▶ • Website : www.asombarta.in • Facebook : \asombarta • Instagram : \asom_barta
● সম্পাদক ঃ তনয় বৰা ● মুখ্য সম্পাদক ঃ শৰৎ চন্দ্ৰ চিৰিংফুকন